www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

❑ প্ৰথম বছৰ ❑ সংখ্যা- ১৬২ ❑ শনিবাৰ ❑ ৪ এপ্ৰিল, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 162 ❑ Saturday ❑ 4th April, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8



অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক


তুমি এনেভাৱে সপোন দেখা যেন তুমি চিৰদিন জীয়াই থাকিবা আৰু এনেদৰে জীৱন যাপন কৰা যেন আজিয়েই মৰি যাবা। – জেমচ্‌ ডীন মহ


ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -


■ দুধনৈ, পলাশবাৰী বিধানসভা সমষ্টিত গৃহমন্ত্ৰী অমিত শ্বাহৰ ৰণডংকা ■

# অনুপ্ৰৱেশকাৰীক ৰঙাদলিচা পাৰি দিছিল কংগ্ৰেছে

৭৫ বছৰে জনজাতীয় মহিলাক ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত কৰা নাছিল কংগ্ৰেছে

❑ অনুপ্ৰৱেশকাৰীক বাছি বাছি খেদিবৰ বাবে আকৌ এবাৰ বিজেপিক ভোট দিয়াৰ আহ্বান

❑ জনজাতীয় এলেকাক বাদ দি অন্য সকলো এলেকাত UCC বলবৎ কৰাৰ ঘোষণা

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৩ এপ্ৰিল ঃ** নিৰ্বাচনী প্ৰচাৰ তুংগত উঠাৰ সময়তে আজি গোৱালপাৰা জিলাৰ দুধনৈত উপস্থিত হৈ এক বিশাল জনসভাত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকী দুধনৈ সভাস্থলীী আহি পোৱাৰ পিচতেই ৰাইজে ভাৰত মাতা কি জয়, জয় শ্ৰী ৰাম ধ্বনিৰে উষ্ম আদৰণি জনায়। ১৫ নং দুধনৈ অনুসুচিত জনজাতি বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী টংকেশ্বৰ ৰাভা আৰু ১৩ নং গোৱালপাৰা পশ্চিম সমষ্টি অনুসূচীত জনজাতি বিধানসভা সমষ্টিৰ প্ৰাৰ্থী পবিত্ৰ ৰাভাৰ হৈ প্ৰচাৰ চলাবলৈ আহি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি প্ৰদান কৰে। ভাষণৰ আৰম্ভণিতে অমিত শ্বাহে মা কামাখ্যা আৰু মা বনবাসী আৰু শ্ৰীসূৰ্য মন্দিৰক প্ৰণাম জনায়। অসমৰ গৌৰৱ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, প্ৰতিমা বৰুৱা পাণ্ডে, বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম আৰু ❑ ৬ পৃষ্ঠাত






বৰাকত ১১খন আসন জয়ৰ দাবী

## গৌৰৱৰ গগৈক ক্লীন শ্বীট দিছে পাকিস্তানী মিডিয়াই !

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰ যিমানেই তুংগত উঠিছে, ❑ ৭ পৃষ্ঠাত

## অসমক ঝাৰখণ্ডতকৈয়ো অধিক পিছপৰা ঃ হেমন্ত ছোৰেণে

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰত অংশ লৈ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণে ❑ ৭ পৃষ্ঠাত

বৰপেটাত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ নিৰ্বাচনী প্ৰচাৰ

'অসমত NDA চৰকাৰৰ অধীনত উন্নয়নৰ গতি আৰু সু-শাসনৰ গেৰাণ্টি একেলগে চলে'

## কংগ্ৰেছ, AIUDFএ অসমীয়া সংস্কৃতি ধ্বংস কৰিছে ঃ যোগী আদিত্যনাথ

■ ইউপি মডেলেৰে অসমতো অনুপ্ৰৱেশকাৰী, লাভ জেহাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ হুংকাৰ ■



**অসম বাৰ্তা, বৰপেটা সদৰ, ৩ এপ্ৰিল ঃ** বৰপেটা বিধানসভা সমষ্টিৰ এনডিএ প্ৰক্ষেপিত তথা অসম গণ পৰিষদৰ প্ৰাৰ্থী দীপক কুমাৰ দাসৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলাই উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। বৰপেটাৰ দল্লী ডবাৰ খেলপথাৰত নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ বিজেপিৰ জ্যেষ্ঠ নেতাজনে কয় যে অসমৰ গৌৰৱময় ইতিহাস আছে। অসমৰ গৌৰৱ সমৃদ্ধ পৰম্পৰাই এক ভাৰত শ্ৰেষ্ঠ ভাৰতক শক্তিশালী ❑ ৬ পৃষ্ঠাত

জনীয়াত এআইইউডিএফৰ জনসভা

## মুছলমানসকল হিমন্ত বিশ্ব শৰ্মালৈ ভয় কৰিবলৈ মাকৰ গৰ্ভত জন্ম লোৱা নাই ঃ আছাদ উদ্দিন ওৱেইছী

**অসম বাৰ্তা, জনীয়া, ৩ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনৰ দিন চুমু চাপি অহাৰ লগে লগে প্ৰতিটো ৰাজনৈতিক দলে ❑ ৬ পৃষ্ঠাত

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনৰ নিৰ্বাচনী প্ৰচাৰ

## কংগ্ৰেছে ৰাইজক প্ৰতাৰণা কৰিলে, বিজেপিয়ে উন্নয়নৰ গংগা বোৱাইছে !

**অসম বাৰ্তা, মঙলদৈ, ৩ এপ্ৰিল ঃ** শুকুৰবাৰে মঙলদৈৰ দিঘিৰপাৰ অঞ্চলত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবিনে এক শক্তিশালী অভিযান আৰম্ভ কৰে। পূৰ্বৰ শাসনকালত দখল কৰা বুলি অভিযোগ উত্থাপন কৰা ভূমি ❑ ৭ পৃষ্ঠাত




বৰক্ষেত্ৰীৰ বামুণবড়িত দিগন্ত বৰ্মনৰ সমৰ্থনত বিৰোধী ঐক্যৰ বিশাল জনসভাত গৌৰৱ, লুৰিণ

## কংগ্ৰেছ চৰকাৰ আহিলে বাক স্বাধীনতা ঘূৰি আহিব ঃ গৌৰৱ গগৈ

বিজেপিক উৎখাত কৰাৰ বাবে অসমৰ ৰাইজ ওলাই আহিছে ঃ লুৰিণজ্যোতি

**অসম বাৰ্তা, দৌলাশাল, ৩ এপ্ৰিল ঃ** '২৬ৰ অসম বিধানসভাৰ নিৰ্বাচনীলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকাৰ সময়ত প্ৰতিটো ৰাজনৈতিক দলৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিৰোধী ঐক্যৰ সমৰ্থিত তথা কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী দিগন্ত বৰ্মনৰ বিশাল নিৰ্বাচনী প্ৰচাৰ সভা এখন বামুণবড়ী খেলপথাৰত অনুষ্ঠিত হয়। বিয়লিৰ ভাগত অনুষ্ঠিত জনসভাত দিগন্ত বৰ্মনৰ হকে প্ৰচাৰ চলাবলৈ আহে লোকসভাৰ বিৰোধী উপ সভাপতি তথা অসম ❑ ৬ পৃষ্ঠাত



## অসমলৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহিব আনন্দ মিশ্ৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ এপ্ৰিল ঃ** অসমত ড্ৰাগছ বিৰোধী অভিযানৰ সময়ত কঠোৰ আৰু নিৰ্ভীক পদক্ষেপৰ বাবে ❑ ৭ পৃষ্ঠাত

❑ গোৱালপাৰাত আছাদুদ্দিন ওৱেইছিৰ নিৰ্বাচনী প্ৰচাৰ ❑

## কংগ্ৰেছ ভোট দিয়া মানেই হিমন্ত বিশ্ব শৰ্মাক সহায় কৰা



**অসম বাৰ্তা, গোৱালপাৰা, ৩ এপ্ৰিল ঃ** অসমত শেহতীয়াকৈ চলি থকা উচ্ছেদ অভিযানক লৈ ৰাজ্যৰ ৰাজনীতি উত্তপ্ত হৈ থকা সময়তে ১৪ নং গোৱালপাৰা পুব বিধানসভা সমষ্টিত অনুষ্ঠিত এখন বিশাল নিৰ্বাচনী জনসভাত ❑ ৭ পৃষ্ঠাত

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ আধাৰত ২০২৬-২৭ শিক্ষাবৰ্ষৰ পৰা কাৰ্যকৰী হ'ব নতুন নিয়ম ষষ্ঠ-দশম শ্ৰেণীলৈ তিনিটা ভাষা অধ্যয়ন বাধ্যতামূলক, কমেও দুটা ভাৰতীয় ভাষা

## দেশৰ বিদ্যালয়সমূহত ত্ৰি-ভাষা নীতি ঘোষণা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ এপ্ৰিল ঃ** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ (চিবিএছই)য়ে দেশৰ সকলো বিদ্যালয়ৰ বাবে এক নতুন ত্ৰি-ভাষা নীতি ঘোষণা কৰিছে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ (NEP 2020)-ৰ পৰামৰ্শ অনুসৰি ২০২৬-২৭ শিক্ষাবৰ্ষৰ পৰা এই নতুন নিয়ম কাৰ্যকৰী কৰা হ'ব। এই পদক্ষেপে দেশৰ ❑ ৭ পৃষ্ঠাত

■ দলগাঁও সমষ্টিত বিৰোধী ঐক্যৰ প্ৰচাৰত তীব্ৰ আক্ৰমণ ■

## এইবাৰ অসমৰ মানুহে বিজেপিক ব্ৰহ্মপুত্ৰত দলিয়াই পেলাব ঃ অখিল গগৈ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩ এপ্ৰিল ঃ** দৰং জিলাৰ দলগাঁও বিধানসভা সমষ্টিত ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ তীব্ৰতা লাভ কৰিছে। ৰাজ্যৰ প্ৰতিটো সমষ্টিতে শাসকীয় মিত্ৰজোঁট আৰু বিৰোধী ঐক্যৰ মাজত ❑ ৬ পৃষ্ঠাত

❑ জনসমুদ্ৰত পৰিণত নলনি খেলপথাৰ ❑

## সৰুপথাৰত জীৱন চুতীয়াৰ হৈ নিৰ্বাচনী প্ৰচাৰ গৌৰৱ, লুৰিণৰ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ৩ এপ্ৰিল ঃ** আজি সৰুপথাৰ বিধান সভা সমষ্টিৰ নলনি ❑ ৬ পৃষ্ঠাত

ডিব্ৰুগড়ত ঝাৰখণ্ডৰ মন্ত্ৰী শিল্পী নেহা তিৰ্কীৰ সংবাদমেল

## বিজেপিৰ শাসন ব্যৱস্থাক লৈ অসন্তুষ্ট অসমৰ চাহ জনগোষ্ঠী



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩ এপ্ৰিল ঃ** 'অসমৰ মানুহে এইবাৰ পৰিৱৰ্তন বিচাৰিছে। অসমৰ চাহ জনগোষ্ঠীৰ ৰাইজে বিজেপিৰ শাসন ব্যৱস্থাক লৈ অসন্তুষ্ট'। আজি ডিব্ৰুগড়ত এক সংবাদমেল অনুষ্ঠিত কৰি বিজেপিক এনেদৰে সমালোচনা ❑ ৬ পৃষ্ঠাত

## বিজেপি থাকিলেহে অসমীয়া জাতীয় জীৱনৰ অস্তিত্ব সুৰক্ষিত হৈ থাকিব

বিজেপি প্ৰাৰ্থী ভুৱন গামৰ হৈ দুখনকৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ



**অসম বাৰ্তা, উজনী মাজুলী, ৩ এপ্ৰিল ঃ** নিৰ্বাচনলৈ মাজত মাথোঁ পাঁচটা দিনহে বাকী থকাৰ অৱস্থাত প্ৰতিটো ৰাজনৈতিক দলে শেষ পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ তুংগত কৰি তুলিছে। ❑ ৬ পৃষ্ঠাত

## উজনি অসমত মাত্ৰ ৫টা সমষ্টিতহে জিকিব বিজেপি ঃ অখিল গগৈ

**ষ্টাফ ৰিপৰ্টাৰ, বাক্সা, ৩ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ভোটগ্ৰহণৰ দিন যিমানেই ওচৰ চাপি আহিছে, সিমানেই নিৰ্বাচনী প্ৰচাৰৰ তীব্ৰতা বৃদ্ধি পাইছে। ❑ ৬ পৃষ্ঠাত




■ বিজেপি দলৰ শাসনত অসমৰ ভূমি অস্তিত্বৰ সংকটত পৰিছে ■

# ডুমডুমাত কংগ্ৰেছৰ ষ্টাৰ কেম্পেইনাৰ শিল্পী নেহা তিৰ্কী



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২ এপ্ৰিল ঃ** অসম বিধানসভাৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। আজি ৮২নং ডুমডুমা বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী দুৰ্গা ভূমিজৰ হৈ সমষ্টিটোত আহি উপস্থিত হয় দলৰ ষ্টাৰ কেম্পেইনাৰ তথা যুৱ নেত্ৰী শিল্পী নেহা তিৰ্কী। বৰ্তমান ঝাৰখণ্ডৰ মিত্ৰজোঁট চৰকাৰৰ কৃষি, পশু পালন আৰু সমবায় বিভাগৰ কেবিনেট মন্ত্ৰী শিল্পী নেহা তিৰ্কীয়ে ডুমডুমা বিধানসভা সমষ্টিৰ বিভিন্ন চাহ বাগিচা অঞ্চলত দলৰ প্ৰাৰ্থী দুৰ্গা ভূমিজৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়। সন্ধিয়া ডুমডুমাৰ ৰাজীৱ ভৱনত আহ্বান জনোৱা এক সংবাদমেল সম্বোধন কৰি কংগ্ৰেছৰ ষ্টাৰ কেম্পেইনাৰগৰাকীয়ে বিজেপিৰ বিগত দহ বছৰীয়া শাসন কালত অসমৰ জনতাই এক ভয় আৰু শংকাত ভোগাৰ লগতে অস্তিত্বৰ সংকটত ভোগা বুলিও অভিযোগ কৰে। তেওঁ কয় যে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বৰ্তমান অসমৰ বিজেপি মিত্ৰজোঁটৰ চৰকাৰে এতিয়া অসমৰ মাটি লুট কৰাৰো অভিযোগ উত্থাপন কৰে কংগ্ৰেছ নেত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰী শৰ্মাই নামে বেনামে অসমৰ প্ৰায় ১২০০০ বিঘা মাটি দখল কৰা বুলিও তেওঁ অভিযোগ কৰে। আনকি ষষ্ঠ অনুসূচীৰ অন্তৰ্গত ডিমা হাছাও জিলাতো তিনি হাজাৰ বিঘা মাটি চিমেণ্ট কোম্পানীক গতাই দিয়া হৈছে। চাহ শ্ৰমিকৰ বাবে বহু কাম কৰা বুলি জাহিৰ কৰা বৰ্তমানৰ চৰকাৰখনে চাহ বাগিচাৰ মাটিও অন্যান্য কামলৈ হস্তান্তৰ কৰি বাগিচা সংকুচিত কৰি অহা বুলিও তিৰ্কীয়ে অভিযোগ কৰে। কংগ্ৰেছে অত বছৰে শাসনত থাকি কি কৰিলে বুলি বিজেপি দলে নিৰ্বাচনী প্ৰচাৰ সভাত প্ৰশ্ন কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে কংগ্ৰেছে চাহ বাগিচা আৰু চাহ শ্ৰমিকৰ সুৰক্ষাৰ বাবে যিসমূহ আইন প্ৰণয়ন কৰিছিল বিজেপি দলে সেইসমূহ এখন এখনকৈ নাইকিয়া কৰিছে। আনকি চাহ বাগিচাৰ ২০ শতাংশ মাটি আন বাণিজ্যিক কামত ব্যৱহাৰ কৰিবলৈ অনুমতি দি বিধানসভাত আইন প্ৰৱৰ্তন কৰিছে। তেল আৰু গেছ খননৰ নামত হেজাৰ হেজাৰ বিঘা মাটিৰ চাহ বাগিচা উচ্ছেদ কৰা হৈছে। ডুমডুমাৰ দীঘলটৰং আৰু দিয়ামুলী চাহ বাগিচাতো ইয়াৰ বাবে বাগিচা উচ্ছেদ কৰা বুলি তেওঁ অভিযোগ কৰে। আনহাতে ৰাজ্যখনত বিজেপিৰ শাসনকালত আঠ হেজাৰৰো অধিক বিদ্যালয় বিজেপিৰ শাসনকালত বন্ধ কৰি দিয়া বুলি কৈ ইয়াৰ বাবে দৰিদ্ৰ পৰিয়ালৰ সন্তানসকল শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত কৰা বুলিও অভিযোগ কৰে। তেওঁ কংগ্ৰেছ দল শাসনলৈ আহিলে ৰাইজক দিয়া পাঁচটা প্ৰতিশ্ৰুতি ক্ৰমে - প্ৰতিটো পৰিয়াললৈ ২৫ লাখ টকাৰ নগদ বিহীন স্বাস্থ্য বীমা, জ্যেষ্ঠ নাগৰিকক মাহিলী ১২৫০ টকাৰ পেঞ্চন, প্ৰতিগৰাকী মহিলাৰ বেংক একাউণ্টলৈ চৰ্তবিহীন মাহিলী ধন হস্তান্তৰ আৰু ব্যৱসায়িক সাহায্যৰ বাবে ৫০, ০০০ টকা, ১০ লাখ থলুৱা লোকৰ একচনীয়া পট্টাক ম্যাদী পট্টালৈ ৰূপান্তৰ আৰু চৰকাৰ গঠনৰ এশ দিনৰ ভিতৰত জুবিন গাৰ্গক ন্যায় প্ৰদান কৰিব বুলি উল্লেখ কৰে। সংবাদ মেলত কংগ্ৰেছ প্ৰাৰ্থী দুৰ্গা ভূমিজে বিজেপি দলৰ প্ৰাৰ্থী তথা অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰূপেশ গোৱালাক কঠোৰ সমালোচনা কৰি কয় যে চাহ শ্ৰমিকক বঞ্চিত কৰি যোৱা পাঁচ বছৰত তেওঁ নিজৰ ব্যক্তিগত সম্পত্তিৰ পৰিমাণ বৃদ্ধি কৰিলে। বাগিচাৰ শ্ৰমিকৰ দৈনিক মজুৰি, চিকিৎসা, শ্ৰমিকৰ সন্তানৰ শিক্ষা, আদি বিষয়ত বৰ্তমান চৰকাৰখনে একো নকৰা বুলি অভিযোগ কৰি ভূমিজে কয় যে উন্নয়নৰ নামত চৰকাৰে কেৱল চমক সৃষ্টিহে কৰিছে।

# ডিমৌত ড্ৰাগছৰ মুকলি বেহা; আঠাবাৰী চাহ বাগিচাত উদ্ধাৰ নিষিদ্ধ ড্ৰাগছ

## আৰক্ষীৰ বৃহৎ সফলতা, ট্ৰেক্টৰৰ ইঞ্জিনৰ পৰা ১১ টাকৈ কণ্টেইনাৰ উদ্ধাৰ; ধৃত আবু শ্বেখ

**অসম বাৰ্তা, ডিমৌ, ২ এপ্ৰিল ঃ** ৰাজ্যজুৰি ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ তীব্ৰ অভিযান চলি থকাৰ মাজতে আজি ডিমৌত পোহৰলৈ আহিছে এক ভয়ংকৰ তথ্য। যোৰহাট আৰু ডিমৌ আৰক্ষীৰ এক যুটীয়া অভিযানত আজি ডিমৌৰ আঠাবাৰী অঞ্চলত এক বৃহৎ ড্ৰাগছ বিৰোধী সফলতা লাভ কৰিবলৈ সক্ষম হয়। আঠাবাৰী ফেক্টৰীৰ সমীপৰ তথা আঠাবাৰী গাঁও পঞ্চায়তৰ বিজেপি সভাপতিৰ বাসগৃহৰ অতি নিকটৰ পৰা আৰক্ষীয়ে ১১ টাকৈ নিষিদ্ধ টিফিন বক্স সদৃশ কণ্টেইনাৰ ভৰ্তি ড্ৰাগছ উদ্ধাৰ কৰাৰ লগতে আবু শ্বেখ নামৰ এজন কুখ্যাত সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। অভিযান সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত আৰক্ষী বিষয়াই জানিবলৈ দিয়ে যে যোৰহাট ডিএছপি (হেডকুৱাৰ্টাৰ) প্ৰণৱ পাটোৱাৰীৰ এক বিশেষ খবৰৰ ভিত্তিত এই অভিযান চলোৱা হৈছিল। ডিমৌ সমজিলাৰ শীৰ্ষ আৰক্ষী বিষয়া আৰু স্থানীয় আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত যোৱা দলটোৱে আবু শ্বেখৰ ঘৰত পুংখানুপুংখ তালাচী চলায়। প্ৰথম অৱস্থাত ঘৰৰ ভিতৰত একো পোৱা নগ'ল যদিও আৰক্ষীৰ তীক্ষ্ণ দৃষ্টিত ধৰা পৰে ঘৰৰ কাষতে ত্ৰিপালেৰে ঢাকি থোৱা এখন পৰিত্যক্ত ট্ৰেক্টৰ। সন্দেহবশতঃ ট্ৰেক্টৰখনৰ ইঞ্জিনৰ ভিতৰভাগ পৰীক্ষা কৰাত উদ্ধাৰ হয় ১১ টাকৈ ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ। আৰক্ষীয়ে ড্ৰাগছখিনিৰ ওজন আৰু সঠিক মূল্য বৰ্তমানলৈকে সদৰী কৰা নাই যদিও ইয়াৰ মূল্য বহু লক্ষাধিক টকা হ'ব বুলি অনুমান কৰা হৈছে। ঘটনা সন্দৰ্ভত আঠাবাৰী গাঁও পঞ্চায়তৰ বিজেপি সভাপতি বিকি বাৰ্মাই আৰক্ষীক ধন্যবাদ জ্ঞাপন কৰি কয় যে এই ঘটনাই সমগ্ৰ গাঁওবাসীক স্তম্ভিত কৰি তুলিছে। তেওঁ জানিবলৈ দিয়া মতে, ধৃত আবু শ্বেখে প্ৰায় দুবছৰ পূৰ্বে এই অঞ্চলত মাটি-ঘৰ কিনি বসবাস আৰম্ভ কৰিছিল। প্ৰথম অৱস্থাত ধানৰ মিল আৰু পৰৱৰ্তী সময়ত গেলামালৰ পাইকাৰী দোকান দি অতি কম মূল্যত সামগ্ৰী যোগান ধৰি তেওঁ ৰাইজৰ মাজত বিশ্বাসযোগ্যতা অৰ্জন কৰিছিল। বাৰ্মাই অভিযোগ কৰা মতে, আবু শ্বেখে গাঁৱৰ সহজ-সৰল লোকসকলক ঢাল হিচাপে ব্যৱহাৰ কৰি দীৰ্ঘদিন ধৰি এই নিষিদ্ধ ক'লা বেহা চলাই আহিছিল। এই ঘটনাই এতিয়া সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। দুৰ্নীতি আৰু অপৰাধৰ বিৰুদ্ধে 'শূন্য সহনশীলতা'ৰ (Zero Tolerance) কথা কোৱা বিজেপি চৰকাৰৰ দিনতেই খোদ দলীয় নেতাৰ বাসগৃহৰ নাতিদূৰত এনেদৰে ড্ৰাগছৰ ৰমৰমীয়া বেহা চলা ঘটনাই চৰকাৰৰ সুশাসনক এক প্ৰকাৰ উপহাস কৰিছে। ইমান দিনে আৰক্ষী আৰু প্ৰশাসনৰ নাকৰ তলতে কেনেকৈ এনে ভয়ংকৰ চোৰাং কাৰবাৰ তথা মজুত ঘাটি চলি আছিল, তাক লৈ সচেতন মহলে এতিয়া প্ৰশ্ন উত্থাপন কৰিছে। বিশেষকৈ চাহ বাগিছা অধ্যুষিত অঞ্চলটোৰ উঠি অহা নৱ প্ৰজন্মৰ ভৱিষ্যতৰ প্ৰতি ই এক চৰম ভাবুকি কঢ়িয়াই আনিছে। আৰক্ষী আৰু স্থানীয় প্ৰশাসনৰ ৰহস্যজনক মৌনতাৰ আঁৰত কিবা গোপন বুজাবুজি আছে নেকি, যাৰ বাবে যোৰহাট আৰক্ষীৰ প্ৰশাসনে চলোৱা অভিযানত উক্ত সৰবৰকাৰীক আটক কৰিবলৈ সক্ষম হয় আৰু পৰৱৰ্তী যোৰহাট আৰক্ষী প্ৰশাসনে উক্ত অভিযানৰ পম খেদি শেহতীয়াকৈ স্থানীয় আৰক্ষীৰ সৈতে যোগাযোগ কৰি এই বৃহৎ পৰিমাণৰ সন্দেহযুক্ত নিষিদ্ধ ড্ৰাগছৰ মজুত ঘাটিৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ঘটনাক কেন্দ্ৰ কৰি স্থানীয় আৰক্ষী ভূমিকাক লৈও এতিয়া চৰ্চা আৰম্ভ হৈছে। বৰ্তমান আবু শ্বেখৰ পত্নী আৰু দুই সন্তান ঘৰত আছে আৰু আৰক্ষীয়ে ধৃত ব্যক্তিজনৰ বিৰুদ্ধে অধিক তথ্য সংগ্ৰহৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

□ গমাৰীগুৰি উন্নয়ন খণ্ডৰ হাজাৰ হাজাৰ পৰিয়ালে নাপালে ভূমি পট্টা □

# গোলাঘাট বিধানসভা সমষ্টিত বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী বিতোপন শইকীয়াৰ নিৰ্বাচনী প্ৰচাৰ তুঙ্গত

## ঘোষণাতেই থাকিল মুখ্যমন্ত্ৰীৰ মেৰাপানী কৃষি মহকুমা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ ১০৩ নং গোলাঘাট বিধানসভা সমষ্টিত শাসক-বিৰোধী উভয় দলৰেই নিৰ্বচনী প্ৰচাৰ আকৰ্ষণীয় হৈ পৰিছে। সমষ্টি পুনৰ নিৰ্ধাৰণে ১০৩ নং গোলাঘাট বিধানসভা সমষ্টিৰ ভৌগোলিক পৰিসীমা যথেষ্ট সালসলনি হৈছে। বিত্তমন্ত্ৰী অজন্তা নেওগৰ গৰিষ্ঠ সংখ্যক সমৰ্থক থকা পদুমনী উন্নয়ন খণ্ডৰ কেইবাখনো গাঁও পঞ্চায়ত দেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত হয়। সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ জৰিয়তে তিতাবৰ বিধানসভা সমষ্টিৰ পৰা বেকাজান(ক) আৰু বেকাজান(খ) দুখন গাঁও পঞ্চায়ত পদুমনী উন্নয়ন খণ্ডৰ অন্তৰ্ভুক্ত হয়। গোলাঘাট নগৰৰ ১৩টা ৱাৰ্ডৰ বিপৰীতে ৪৩টা ভোট গ্ৰহণ কেন্দ্ৰ সন্নিবিষ্ট হৈছে। গোলাঘাট বিধানসভা সমষ্টিৰ মুঠ ২৬৮টা ভোট কেন্দ্ৰৰে পৰিপূৰ্ণ গোলাঘাট সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকাত ৯৯৬৫৫জন পুৰুষ, ১০১৯৮৬ গৰাকী মহিলা আৰু ২ গৰাকী তৃতীয় লিংগ ভোটাৰ সহ সৰ্বমুঠ ২, ০১, ৬৫৩ গৰাকী ভোটাৰ সন্নিবিষ্ট হৈছে। ১০৩ নং গোলাঘাট বিধানসভা সমষ্টিত চুতীয়া জনগোষ্ঠীৰ থলুৱা ব্যক্তি বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী বিতোপন শইকীয়াই ডাঙৰ ডাঙৰ সভা সমিতিৰ পৰিৱৰ্তে সমষ্টিৰ অধীনস্থ বিভিন্ন গাঁও আৰু বাগিছা এলেকাত ভোটাৰৰ চোতালে চোতালে স্থানীয় ৰাইজৰ উপস্থিতিত দৈনিক প্ৰচাৰ কাৰ্যসূচী চলোৱা পৰিলক্ষিত হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক মনোৰঞ্জন বুঢ়াগোহাঁই, গোলাঘাট বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ নিৰ্বাচনী প্ৰচাৰ সমিতিৰ সভাপতি গুণিন বৰদলৈ, অসম প্ৰদেশ কংগ্ৰেছ গৱেষণা বিভাগৰ সাধাৰণ সম্পাদক ৰুস্তম বৰা, জিলা কংগ্ৰেছৰ সভাপতি মদন বৰা, সাধাৰণ সম্পাদক সৌৰভজ্যোতি হাজৰিকা, গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ সভাপতি ৰূপান্তৰ তাঁতী, গমাৰীগুৰি ব্লক কংগ্ৰেছৰ সভাপতি যদুমণি ৰাজখোৱা, পদুমনী ব্লক কংগ্ৰেছৰ সভাপতি জীতেন শইকীয়া, গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক তথা মুখপাত্ৰ দিগন্ত বাইলুং, গোলাঘাট জিলা কিষাণ কংগ্ৰেছৰ সভাপতি প্ৰদীপ চেতিয়া, গোলাঘাট নগৰ ব্লক কংগ্ৰেছৰ সভাপতি নয়নমণি বৰাই গাঁৱে-গাঁৱে, বাগিছাই বাগিছাই তথা নগৰৰ চুকে-কোণে বিতোপন শইকীয়াৰ হৈ মাৰাথন প্ৰচাৰ চলোৱাত সহযোগিতা আগবঢ়োৱা দেখা গৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক তথা গোলাঘাট সমষ্টিৰ প্ৰাৰ্থী বিতোপন শইকীয়াই শাসকীয় বিজেপি নেতৃত্বাধীন চৰকাৰখনে আগবঢ়োৱা গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি সমূহ ফলপ্ৰসূ ৰূপায়ণত ব্যৰ্থ হোৱাৰ দিশ সমূহৰ লগতে গত সময়ত কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰে গ্ৰহণ কৰাজন দৰদী আচনি সমূহৰ বিষয়ে বক্তব্য ৰখা পৰিলক্ষিত হৈছে। গোলাঘাট সমষ্টিৰ পদুমনী উন্নয়ন খণ্ডৰ ১০খন আৰু গমাৰীগুৰি উন্নয়ন খণ্ডৰ ১৩খন পঞ্চায়ত এলেকাৰ জনসাধাৰণৰ মাজত বিশেষ পৰিকল্পনা গ্ৰহণ কৰি প্ৰচাৰ অভিযান তুঙ্গত কৰি তুলিছে। গোলাঘাট বিধানসভা সমষ্টিত ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু বিজেপিৰ মাজতেই মূল যুদ্ধখন হোৱাৰ সম্ভাৱনা আছে যদিও গৰিষ্ঠ সংখ্যক চুতীয়া জনগোষ্ঠীৰ ভোটাৰ থকা সমষ্টিটোত শেহতীয়াকৈ ভাৰতীয় জাতীয় কংগ্ৰেছ দলে প্ৰচাৰ আৰু সভা-সমিতিৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰা দেখা গৈছে। গোলাঘাট বিধানসভা সমষ্টিৰ পৰা প্ৰয়াত নগেন নওগে ১০ বছৰ, অগপৰ অতুল বৰাই ৫ বছৰ আৰু অজন্তা নেওগে ২৫ বছৰ শাসনত থকাৰ পাছতো গোলাঘাট সমষ্টিৰ গুৰুত্বপূৰ্ণ সমস্যা সমূহ সমাধান নকৰাত ভোটদাতা ৰাইজৰ মাজত যথেষ্ট ক্ষুভ আছে। ভাৰতীয় জনতা পাৰ্ট নেতৃত্বাধীন অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গত সময়ত মেৰামতি কৃষি মহকুমা ঘোষণা কৰিও ইয়াৰ কাৰ্যকৰীকৰণ নকৰিলে, গমাৰীগুৰি উন্নয়ন খণ্ড এলেকাৰ হাজাৰ হাজাৰ পৰিয়ালক ভূমি পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতি আগবঢ়োৱাৰ পাছতো কোনোধৰণৰ কাৰ্যকৰী ব্যৱস্থা নকৰিলে, বিত্তমন্ত্ৰী অজন্তা নেওগে গত কাৰ্যকালত সীমাসমস্যা সমাধানৰ বাবে কৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাটো বাদেই বিধানসভাত কোনো ধৰণৰ গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়োৱা পৰিলক্ষিত নহ'ল। জালুকবাৰী সমষ্টিৰ জিয়ৰী অজন্তা নেওগে গোলাঘাট বিধানসভা সমষ্টিত দীৰ্ঘ সময় শাসনত থাকি জীৱনৰ গৰিষ্ঠ সংখ্যক সময় গুৱাহাটীতে অতিবাহিত কৰি আহিছে। সমষ্টিৰ গাঁৱে-ভুঁঞে, আলিয়ে-গলিয়ে বিজেপি নেত্ৰী অজন্তা নেওগৰ প্ৰতিষ্ঠান বিৰোধী ঢৌৰ সন্মুখীন হোৱা বিষয়টো নুই কৰিব নোৱাৰি। গোলাঘাট বিধানসভা সমষ্টিত কংগ্ৰেছ আৰু বিজেপিৰ মাজতেই মূল ভোটযুদ্ধখন হৈছে যদিও বৰ্তমান নিৰ্বাচনী সমীক্ষা প্ৰদান কৰাটো সহজ নহয় আৰু শাসকীয় বিজেপি তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে।

## গ্ৰামাঞ্চলৰ উপৰিও ঘৰে-ঘৰে চলাইছে প্ৰচাৰ

# সৰুপথাৰ সমষ্টিৰ চুকে-কোণে চৰ্চিত হৈছে অজাপ প্ৰাৰ্থী জীৱন চুতীয়াৰ নাম

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২ এপ্ৰিল ঃ** বিধান সভা নিৰ্বাচনৰ দিন চমু চপাৰ লগে লগেই সৰুপথাৰ সমষ্টিত অধিক চৰ্চিত হৈছে বিৰোধী ঐক্য তথা অসম জাতীয় পৰিষদ দলৰ প্ৰক্ষেপিত প্ৰাৰ্থী জীৱন চুতীয়াৰ নাম। প্ৰাৰ্থী গৰাকীয়ে দৈনিক সমষ্টিটোৰ গ্ৰামাঞ্চল সমূহৰ চুকে কোণে জোৰদাৰ গতিত নিৰ্বাচনী প্ৰচাৰ অভিযান চলাই গৈছে। তেখেতে পুঁজিবাদী ৰাজনীতিক ওফৰাই, সৰ্বহাৰাৰ অধিকাৰ সুনিশ্চিত কৰি এখন বিকশিত সৰুপথাৰ গঢ় দিয়াৰ লক্ষ বান্ধি লৈছে। বৃহস্পতিবাৰে সৰুপথাৰ সমষ্টিৰ বাৰঘৰীয়া জাতীয় বিদ্যালয় প্ৰাঙ্গণত ৮৫ আৰু ৯৫নং বুথৰ আহ্বানত আয়োজন কৰা নিৰ্বাচনী প্ৰচাৰ সভাত তেখেতে ভাগ লয়। বাৰঘৰীয়া গাঁৱৰ যথেষ্ট সংখ্যক ৰাইজৰ উপস্থিতিত জীৱন চুতীয়াই নিস্বাৰ্থভাৱে সেৱা আগবঢ়োৱাৰ কথা অৱগত কৰি তেখেতক এইবাৰৰ নিৰ্বাচনত সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনাই। প্ৰাৰ্থী গৰাকীয়ে বাৰঘৰীয়া দ-চুক নামঘৰত উপস্থিত হৈ নামঘৰৰ ভকতসকলৰ পৰা আশীৰ্বাদ লয়। বাৰঘৰীয়া গাঁৱৰ উপৰি বৃহস্পতিবাৰে জীৱন চুতীয়াই সৰুপথাৰ সমষ্টিৰ চুঙাজান এম. ভি. পঞ্চায়তৰ ন-খুটি গাৰো বস্তি আৰু টেঙানী পঞ্চায়তত নিৰ্বাচনী প্ৰচাৰ চলাই। জীৱন চুতীয়াই কয়- বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিয়ে বিশ্বৰ বুকুত অসমৰ এক সুকীয়া পৰিচয় দাঙি ধৰিছে। এই জাতি-জনগোষ্ঠী সমূহৰ বিকাশ সাধন হ'লেহে অসমৰ প্ৰকৃত উন্নয়ন হ'ব। সৰুপথাৰ সমষ্টিৰ চুঙাজান এম. ভি. পঞ্চায়তৰ ন-খুঁটি গাৰো বস্তিৰ বাসিন্দা সকলৰ নানা অভাৱ-অভিযোগ আছে। গতিকে নিৰ্বাচনত জয় লাভ কৰিলে এইসমূহ পূৰণ কৰিবৰ বাবে আমি বিধান সভাৰ মজিয়াত সবল ভূমিকা পালন কৰিম।

**NAME CORRECTION**

Swarn before Notary Public at Golaghat on 01-04-2026, that in my daughter ARSHIYA FARHAT's birth certificate vide Regd. No.- 322/2012, issued on 27-02-2012, issued by Registrar Birth & Death, Registration Centre, Golaghat, Assam, my name has been recorded as SAHIR ALI instead of CHEHIRATADDIN ALI and my wife's name has been recorded as NAZIMA BEGUM instead of NAJIMA BEGUM. But my actual name is CHEHIRATADDIN ALI, which is recorded in my all relevant papers and documents including in Aadhaar card vide no. 5793 26266037, and my wife's actual name is NAJIMA BEGUM, which is recorded in her all relevant papers and documents including in Aadhaar card vide no. 5784 4255 8293. Applying for correction at the appropriate authority.

CHEHIRATADDIN ALI
S.O.- Late Jonabat Ali
R.O.- Kuruka Gaon
P.O.- Morangi
P.S.- Golaghat
Dist- Golaghat, Assam

AB-40/2026

**NAME CHANGE**

I Liladhar Mili (Old name), S/O- Mintu Mili and Rupamoni Mili, R/O- Halakhbari, P.O- Gerugamukh, Pin- 787035, Dist- Dhemaji, Assam, have changed my name to Luhit Mili for all future purposes.

AB-41/2026

## কাক সহায় কৰিব ঝাৰখণ্ড মুক্তি মৰ্চাৰ জাৰ্নেল মিঞ্জে ?

# আকৰ্ষণী হৈ পৰিছে মাৰ্ঘেৰিটাৰ নিৰ্বাচনী বতাহ





**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২ এপ্ৰিল ঃ** আগন্তুক বিধান সভাৰ সাধাৰণ নিৰ্বাচনত যে বিৰোধী শক্তিশালী ৰূপত থিয় দিব সেয়া মাৰ্ঘেৰিটা সমষ্টিৰ বাবে সপোনৰো অগোচৰ আছিল। বিৰোধী দলৰ এগৰাকী বিশে-ষক হেম বাহাদুৰ চেত্ৰীৰ মতে মাৰ্ঘেৰিটাৰ 'এই যুঁজ হ'ব আদৰ্শ আৰু চৰিত্ৰৰ মাজত'। এই দুয়োগৰাকী বলিষ্ঠ প্ৰাৰ্থীৰ ঘৰৰ ভেটি কিন্তু একেখন গাঁৱতে, জাগুনৰ উদয়পুৰ। এফালে উজনিৰ ধন কুবেৰ ভাস্কৰ শৰ্মা, আনফালে ৰাইজৰ সহযোগেৰে কেৱল নিজৰ জ্ঞান, বুদ্ধি, শিষ্টাচাৰ আৰু শিক্ষাক সাৰথি কৰি লৈ নিৰ্বাচনী যুঁজত নামি পৰা ধনহীন ৰাহুল ছেত্ৰী। ইতিমধ্যে নিৰ্বাচনী ৰেলীত অংশগ্ৰহণৰ বাবে অহা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে সাংবাদিকে পূৰ্বৰ ১৫ বছৰীয়া কংগ্ৰেছৰ অপশাসন সন্দৰ্ভত সোধা এক প্ৰশ্নৰ উত্তৰত ভাস্কৰ শৰ্মাক উত্তৰ হিচাপে ব্যৱহাৰ কৰে। অখিলে ভাস্কৰ শৰ্মাৰ অতীত আৰু বৰ্তমানৰ ভূমিকা ব্যাখ্যা কৰি দিছিল সাংবাদিকে সোধা প্ৰশ্নৰ যথোপযুক্ত উত্তৰ। পৰিশেষত দেখা গ'ল যে উচ্চ শিক্ষাৰে শিক্ষিত বলিষ্ঠ ছাত্ৰনেতা ৰাহুল চেত্ৰীয়ে বিৰোধী ঐক্যমঞ্চৰ উমৈহতীয়া প্ৰাৰ্থী হিচাপে ৰাইজৰ দলৰ টিকটেৰে খালী হাতে নিৰ্বাচনী যুঁজত নামি প্ৰত্যাহ্বান ৰূপে থিয় দিছে ধনবীৰ ভাস্কৰ শৰ্মাৰ বিৰুদ্ধে। বিৰোধী শিবিৰৰ ৰাহুলক লৈ বিজেপি প্ৰাৰ্থী তথা দুটা কাৰ্যকালৰ বিধায়ক ভাস্কৰ শৰ্মাৰ শিবিৰ ইমানেই ভীতিসন্ত্ৰস্ত হৈছে যে ৰাহুলৰ যুক্তিত থৰকাছুটি হেৰুৱাই নিৰ্বাচনী প্ৰচাৰ কাৰ্যত ব্যাঘাত জন্মোৱাৰ অভিযোগো উত্থাপিত হৈছে। সমষ্টিটোৰ বিশেষকৈ শিক্ষা, স্বাস্থ্য, নিযুক্তি আৰু কৃষিখণ্ডৰ উন্নয়নক ইচ্ছু হিচাপে লৈ প্ৰচাৰত নামি পৰা অপ্ৰতিৰোধ্য ৰাহুলক সমষ্টিটোৰ বিভিন্ন ঠাইৰ বিভিন্ন ভাষা-ভাষী-ধৰ্মাৱলম্বী লোকে বিপুল সঁহাৰি জনোৱা পৰিলক্ষিত হৈছে। তেনেবোৰ ঠাইৰ সৰ্বসাধাৰণ ভোটাৰে গাঁ থিৰ ধন গোটাই ৰাহুলক প্ৰদান কৰি নিৰ্বাচনী বৈতৰণী পাৰ কৰোৱাৰ মানসেৰে সহযোগিতা আগবঢ়াইছে। ধন আৰু আঁচনিৰে মানুহৰ মন-মগজু কিনাৰ পৰিৱৰ্তে ৰাহুলে মানুহৰ হৃদয় জয় কৰিবলৈ সক্ষম হোৱা লক্ষণটোৱে এক শুভ ইঙ্গিত প্ৰদান কৰা বুলিয়েই চৰ্চা চলিছে। পোনতে ৰাহুলক ফেক্টৰ বুলি বিজেপি প্ৰাৰ্থী গৰাকীয়েও ভবা নাছিল আৰু সৰ্বসাধাৰণেও ভবা নাছিল। কাৰণ সেইখিনি সময়ত প্ৰদ্যুৎ তনয় প্ৰতীক বৰদলৈ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰূপে আত্মপ্ৰকাশ (! ) কৰিছিল। তেনে পৰিস্থিতিত ৰাহুলৰ ৰাইজৰ দলৰ টিকট কটা যাব বুলিয়েই সিবিলাকে বদ্ধমূল ধাৰণা কৰিছিল। কিন্তু কালৰ বিড়ম্বনাত পিতৃ প্ৰদ্যুৎ বৰদলৈয়ে নিশাটোৰ ভিতৰতে বিজেপি দললৈ 'লং জাম্প' মাৰি দিয়াত আদৰ্শগত কাৰণত প্ৰতীকে হাইকমাণ্ডলৈ পত্ৰ লিখি নিজৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰিব লগা হ'ল। তাৰ পাছতে 'ৰাহুল চেত্ৰী ফেক্টৰ নহয়' বুলি দম্ভালি বচন মতা বিজেপি শিবিৰে ৰাহুলৰ আকস্মিক উত্থানত দিকবিদিক হেৰুৱাই পেলোৱাৰ উমান সকলোৱে পাইছে। ৰাহুলৰ প্ৰচাৰত বাধা প্ৰদান কৰা, নিজৰ আসনখন এৰি নিদিয়াৰ তাড়নাত দুৰ্গত ভোটাৰৰ মাজলৈ গৈ বিগত কালত নকৰা কিছুমান কাৰ্যসূচী গ্ৰহণ কৰা, নিতৌ ফেইচবুক লাইভ যোগে বিৰোধীৰ বদনাম গাই বিজেপি প্ৰাৰ্থীগৰাকীৰ উন্নয়নৰ উদাহৰণ দাঙি ধৰিবলৈ চেষ্টা চলোৱা আদি কাৰ্যই তাকেই সূচাইছে। আনহাতে বিজেপিয়েই পৃষ্ঠপোষকতা কৰা বুলি চৰ্চা চলা 'ঝাৰখণ্ড মুক্তি মৰ্চা'ৰ প্ৰাৰ্থী জাৰ্নেল মিঞ্জ নামৰ শক্তিশালী আদিবাসী ছাত্ৰ নেতাজনৰ শেহতীয়া স্থিতিয়েও ভীতিগ্ৰস্ত কৰি তুলিছে শাসকীয় পক্ষক। কাৰণ কালি দলৰ ৰাষ্ট্ৰীয় সভাপতি তথা ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত সুৰেনে মাৰ্ঘেৰিটালৈ আহি বৃহৎজন সমাৱেশত মিঞ্জ আৰু চুবুৰীয়া সমষ্টিকেইটাৰ প্ৰাৰ্থীসকলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই চমক সৃষ্টি কৰিলে। এই ঘটনা প্ৰত্যক্ষ কৰি সচেতন নহলে ওলোটাকৈ ভাবিবলৈ বাধ্য হৈছে যে জাৰ্নেল মিঞ্জে বিজেপি প্ৰাৰ্থী ভাস্কৰক সহায় কৰাতকৈ ক্ষতিহে কৰিব। মুঠতে জাৰ্ণেলে বিশেষকৈ ৪০ হাজাৰৰো অধিক আদিবাসী ভোটাৰৰ এটা অংশয়ে কাঢ়ি নিব তাত দ্বিমত নাই। বিপৰীতে ৰাহুলে প্ৰায় ৪৮ হাজাৰ অসমীয়া, প্ৰায় ৩৭ হাজাৰ গোৰ্খা, ১০ হাজাৰ সংখ্যালঘু আৰু প্ৰায় ৯ হাজাৰ অন্যান্য ভোটাৰৰ পৰা প্ৰভুত সংখ্যক ভোট কাঢ়ি অনাৰ উপৰি প্ৰায় ২৩ হাজাৰ বেঙ্গলী আৰু প্ৰায় দহ হাজাৰ হিন্দীভাষী ভোটাৰৰ পৰাও কিছু ভোট আজুৰি অনাৰ সম্ভানাও ব্যক্ত কৰিছে সংশ্লিষ্ট অঞ্চলৰ লোকে। মাৰ্ঘেৰিটাৰ নিৰ্বাচনী যুঁজখন তিনিজনৰ মাজত চলিব যদিও তয়ামৰা ৰণ হ'ব ৰাহুল আৰু ভাস্কৰৰ মাজতহে। এই ৰণত কম ভোটৰ ব্যৱধানত জয়ী হৈ কোনে শেষ হাঁহি মাৰিব সেয়া সময়েহে ক'ব।

■ ছাত্ৰ-ছাত্ৰীৰ মাজত আনন্দ উৎসৱ ■

# শংকৰদেৱ শিশু-বিদ্যা নিকেতন, বকোৰ প্ৰথম বিদ্যাৰম্ভ দিনোৎসৱ

**অসম বাৰ্তা, বকো, ৩ এপ্ৰিল ঃ** বিগত ৩০ বছৰীয়া অভিজ্ঞতাপুষ্ট; গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী মহোৎসৱৰ আলোকেৰে উদ্ভাসিত সম্বলিত কামৰূপ জিলা তথ্য অসমৰ উল্লেখনীয় শিক্ষানুষ্ঠান শংকৰদেৱ শিশু-বিদ্যা নিকেতন বকোৰ আজিৰ পৰা বিদ্যাৰম্ভ হয়। নিকেতনখনৰ প্ৰথম বিদ্যাৰম্ভ দিনোৎসৱ উপলক্ষে আয়োজন কৰে এক মাংগলিক পৰম্পৰা। ইফালে শংকৰদেৱ শিশু-বিদ্যা নিকেতন বকোৰ পৰিচালনা সমিতিৰ সভাপতি তথা জ্যেষ্ঠ সমাজ কৰ্মী যতীন পাঠক আৰু নিকেতনৰ প্ৰধান আচাৰ্য্য ধীৰাজ বায়নে জনোৱা অনুসৰি নিকেতনৰ প্ৰতিষ্ঠা কাল ৩০ বছৰ হ'ল। চলিত ২০২৬/২৭ শিক্ষা বৰ্ষৰ শিক্ষাৰম্ভ আজিৰ পৰা শুভাৰম্ভ কৰা হৈছে। সেই উপলক্ষে আজি নিকেতন প্ৰাংগণত আয়োজন কৰা হৈছে ছাত্ৰ ছাত্ৰীৰ উপৰিও অভিভাৱক আৰু অভিভাৱিকাৰ মাজত এক মনোজ্ঞ কাৰ্য্যসূচী। মাংগলিক পৰম্পৰাৰ ৰীতি-নীতিৰে আয়োজন কৰা অনুষ্ঠানত নিকেতন পৰিচালনা সমিতিৰ বিষয় ববীয়া আৰু আচাৰ্য্য-আচাৰ্য্যাৰ লগতে বহু সংখ্যক অভিভাৱকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত জয় শিক্ষা-জয় সংস্কৃতি-জয় ভাৰত মাতাৰ বাণীৰে সংঘবদ্ধ শিক্ষা সংসদৰ বিধি ব্যৱস্থাৰ ওপৰত আলোকপাত কৰে সভাপতি যতীন পাঠকে। ইফালে নিকেতন খনৰ শিক্ষা কাৰ্য্যসূচীৰ শুভাৰম্ভণি আৰু অনাগত দিনত উন্নত গুণগত মানৰ শিক্ষাৰ আঁচনি ৰূপায়ণৰ কথা ঘোষণা কৰে।

# ভাৰতীয় নিৰ্বাচন আয়োগৰ দ্বাৰা ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ বাবে পৰ্যবেক্ষক নিয়োগ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে ভাৰতীয় নিৰ্বাচন আয়োগে ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ অন্তৰ্গত ৮৭-চাবুৱা- লাহোৱাল, ৮৮-ডিব্ৰুগড়, ৮৯-খোৱাং, ৯০-দুলীয়াজান, ৯১-টিংখং আৰু ৯২-নাহৰকটীয়া বিধানসভা সমষ্টিৰ বাবে সাধাৰণ পৰ্যবেক্ষক, আৰক্ষী পৰ্যবেক্ষক আৰু ব্যয় পৰ্যবেক্ষক নিয়োগ কৰিছে। সাধাৰণ ৰাইজ, ৰাজনৈতিক দলৰ প্ৰতিনিধি আৰু প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলে তেওঁলোকৰ কিবা আবেদন বা অভিযোগ থাকিলে তলত উল্লেখ কৰা বিৱৰণ অনুসৰি ডিব্ৰুগড় আৱৰ্ত ভৱনত পৰ্যবেক্ষক সকলক সাক্ষাৎ কৰিব পাৰিব। পৰ্যবেক্ষকসকলৰ দায়িত্ব আৰু যোগাযোগৰ সবিশেষ (বিস্তাৰিত)ঃ টি. এন. ভেংকটেশ (আই এএচ ), ৮৭-চাবুৱা-লাহোৱাল, ৮৮-ডিব্ৰুগড় আৰু ৮৯-খোৱাং সমষ্টিৰ বাবে সাধাৰণ পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁৰ সৈতে যোগাযোগৰ নম্বৰ হ'ল ৭০০২৬৭২৭৮২ আৰু তেওঁ প্ৰতিদিন পুৱা ১০ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ ৰাইজৰ বাবে উপলব্ধ হ'ব। চিপাং আৰ্থাৰ ৰ্বচুইয়ো (আইএএচ)ক ৯০-দুলীয়াজান, ৯১-টিংখং আৰু ৯২-নাহৰকটীয়া সমষ্টিৰ বাবে সাধাৰণ পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁৰ সৈতে যোগাযোগৰ নম্বৰ হ'ল ৭০০২৪০৩৮০৩ আৰু তেওঁ প্ৰতিদিনাই পুৱা ৮ বজাৰ পৰা ৯ বজালৈ ৰাইজৰ বাবে উপলব্ধ হ'ব। ৰাজেন্দৰ কুমাৰ মীনা (IPS) সমগ্ৰ ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ আটাইকেইটা সমষ্টিৰ বাবে আৰক্ষী পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁৰ সৈতে যোগাযোগৰ নম্বৰ হ'ল ৯৩৯৫৯৮৮৯৬৮ আৰু তেওঁ প্ৰতিদিনাই পুৱা ১০ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ ৰাইজৰ বাবে উপলব্ধ হ'ব। পৃথ্বীৰাজ (IRS) মহোদয়ক ৯০-দুলীয়াজান, ৯১-টিংখং আৰু ৯২-নাহৰকটীয়া সমষ্টিৰ বাবে ব্যয় পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁৰ সৈতে যোগাযোগৰ নম্বৰ হ'ল ৬০০০৫০১৭৯৬ আৰু তেওঁ প্ৰতিদিনাই পুৱা ১০ বজাৰ পৰা ১১ বজালৈ ৰাইজৰ বাবে উপলব্ধ হ'ব। আদৰ্শ তিৱাৰীক (IRS) ৮৭-চাবুৱা-লাহোৱাল, ৮৮-ডিব্ৰুগড় আৰু ৮৯-খোৱাং সমষ্টিৰ বাবে ব্যয় পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁৰ সৈতে যোগাযোগৰ নম্বৰ হ'ল ৬০০০৪৭৫৬৭৭ আৰু তেওঁ প্ৰতিদিনাই পুৱা ১০ বজাৰ পৰা ১১ বজালৈ ৰাইজৰ বাবে উপলব্ধ হ'ব। উক্ত আটাইকেইজন বিষয়াই নিৰ্বাচনৰ সময়ছোৱাত ডিব্ৰুগড় আৱৰ্ত ভৱনত বাহৰ পাতিব আৰু নিৰ্ধাৰিত সময়ত জনসাধাৰণৰ ওজৰ-আপত্তি গ্ৰহণ কৰিব।

# ভাৰতীয় চাহ বৰ্ডৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

**অসম বাৰ্তা, নকছাৰি, ৩ এপ্ৰিল ঃ** ভাৰতীয় চাহ বৰ্ডৰ ৭৩সংখ্যক প্ৰতিষ্ঠা দিৱসত যোৱা কালি ১এপ্ৰিলৰ দিনা ভাৰতীয় চাহ বৰ্ডৰ যোৰহাট আঞ্চলিক কাৰ্যালয়তও ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱসঅনুষ্ঠিত কৰে। ভাৰতীয় চাহ বৰ্ডৰ যোৰহাট আঞ্চলিক কাৰ্য্যালয়ৰ সহ সঞ্চালক নিৰজ কান্তি দাসৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্য্যসূচীত বিশিষ্ট অতিথি ৰূপে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক মনোৰঞ্জন গগৈ উপস্থিত থাকি শুভেচ্ছা মূলক বক্তব্য আগবঢ়ায়। নিমন্ত্ৰিত অতিথি হিচাবে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ যোৰহাট জিলা সমিতিৰ সভাপতি জীৱন শইকীয়া আৰু সম্পাদক কৃষ্ণ প্ৰসাদ শৰ্মা উপস্থিত থাকি ভাৰতীয় চাহ বৰ্ডৰ প্ৰতিষ্ঠা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে লগতে ভাৰতীয় চাহ বৰ্ডৰ সহযোগিতাত যাতে অসমৰ প্ৰতিজন ক্ষুদ্ৰ চাহ খেতিয়কে উন্নত মানদণ্ডৰ চাহ উৎপাদন কৰি উচিত মূল্য লাভ কৰে আৰু বিশ্বত অসম চাহৰ মানদণ্ড অটুট ৰাখিব পাৰে তাৰ বাবে কাম কৰি যোৱাৰ সংকল্প গ্ৰহণ কৰে। সভাত যোৰহাট আঞ্চলিক কাৰ্যলৰ বিষয়া এন ভূবেনেশ্বৰ, ৰাজ কিশোৰ নাগ, সঞ্জয় পাণ্ডেৰ লগতে কেইবাজনো সহযোগী কৰ্মচাৰী উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।

# খৈৰাবাৰী ব্লকৰ ভূএঞাখাটত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় মুকলি সুজিত সৰকাৰৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৩ এপ্ৰিল ঃ** সমাগত বিধান সভালৈ আৰু মাত্ৰ কেইদিনমান বাকী থকাৰ সময়তে বিভিন্ন ৰাজনৈতিক দলৰ মাজত চলিছে তীব্ৰ নিৰ্বাচনী প্ৰচাৰ। ওদালগুৰি জিলাৰ টংলা বিধান সভা সমষ্টিও এই ক্ষেত্ৰত ৰোৱা নাই পিছপৰি। টংলা বিধান সভা সমষ্টিত এনডিএৰ নেতৃত্বাধীন বিজেপি দলৰো চলিছে ব্যাপক নিৰ্বাচনী প্ৰচাৰ। ইতিমধ্যেই টংলা বিধান সভা সমষ্টিৰ প্ৰান্তে-প্ৰান্তে বিজেপি দলৰ নিৰ্বাচনী প্ৰচাৰ আৰম্ভ হোৱাৰ সমান্তৰাল ভাবে ঠায়ে ঠায়ে নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় মুকলি কৰি তীব্ৰতৰ কৰিছে নিৰ্বাচনী প্ৰচাৰ। আজি সমষ্টিটোৰ খৈৰাবাৰী ব্লকৰ ভূএঞাখাটত ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক সুজিত সৰকাৰে বিজেপি নেতৃত্বৰ এন ডি এৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় মুকলি কৰে। উক্ত অনুষ্ঠানত ভাষণ প্ৰদান কৰি সুজিত সৰকাৰে কয় যে উন্নয়নৰ বাৰ্তা লৈ আমি অসম খনক আগুৱাই নিম। আমি সকলো বিকাশ আৰু উন্নয়নৰ লগত থাকিম। ইতিমধ্যেই অসমত যোৱা পাঁচ বছৰত সুদক্ষ জনপ্ৰিয় মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমখনক কিমান দক্ষতাৰে আগুৱাই নিছে আমি নিজে



দেখিছোঁ। এইয়া বিজেপি চৰকাৰৰ বাবেই সম্ভৱ হৈছে। তেওঁ আৰু কয় যে, কেন্দ্ৰত বিজেপি নেতৃত্বৰ এন ডি এৰ চৰকাৰ, বিটিচিত এন ডি এৰ চৰকাৰ আৰু এইবাৰ অসমৰ দিছপুৰত এন ডি এৰ চৰকাৰ হলেই আমাৰ সৰ্বাংগীণ বিকাশ আৰু উন্নয়নৰ গতি মুকলি হ'ব। বিৰোধী দলৰ দৰে বিজেপিয়ে বিচ্ছেদৰ ৰাজনীতি নকৰে বুলি কৈ আৰু কয় যে, এইবাৰ বিৰোধী শূন্য অসমত এনডিএৰ চৰকাৰ হ'ব। উক্ত অনুঠানত বিজেপি অগপ আৰু বিপিএফৰ বহু কেইগৰাকী স্থানীয় নেতাৰ উপৰি শতাধিক ৰাইজ উপস্থিত থাকে।

# নলবাৰীত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ড্ৰাই ডে' ঘোষণা জিলা আয়ুক্তৰ

**অসম বাৰ্তা, নলবাৰী, ৩ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ সুচাৰুৰূপে, শান্তিপূৰ্ণ আৰু সু-শৃংখলিতভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে নলবাৰী জিলাত ড্ৰাই ডে' ঘোষণা কৰা হৈছে। জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ১৩৫ (গ) আৰু অসম আবকাৰী বিধি, ২০১৬ ৰ ধাৰা ৩২৬(ক) অনুসৰি জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ এক নিৰ্দেশনামতে এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উক্ত নিৰ্দেশনা অনুসৰি, ৯ এপ্ৰিল তাৰিখে অনুষ্ঠিত হ'ব লগা অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৭ এপ্ৰিল তাৰিখে সন্ধিয়া ৫: ০০ বজাৰ পৰা ৯ এপ্ৰিল তাৰিখে সন্ধিয়া ৫ঃ০০ বজালৈ নলবাৰী জিলাত ড্ৰাই ডে' বলবৎ থাকিব। ইয়াৰ উপৰিও, ভোট গণনাৰ বাবে নিৰ্ধাৰিত ৪ মে', ২০২৬ তাৰিখে ভোটগণনা সম্পূৰ্ণ নোহোৱালৈকে জিলাখনত ড্ৰাই ডে' বলবৎ থাকিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। এই সময়ছোৱাত জিলাখনত সুৰা বিক্ৰী, পান, মজুত ৰখা, বিতৰণ আৰু পৰিবহণ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। লগতে, সকলো ধৰণৰ সুৰাৰ পণ্যাগাৰ, বাৰ, ক্লাব আৰু দেশীয় সুৰাৰ দোকান সমগ্ৰ নলবাৰী জিলাত বন্ধ থাকিব। এই ব্যৱস্থাই নিৰ্বাচনৰ সময়ত আইন-শৃংখলা বজাই ৰখাত সহায় কৰিব বুলি জিলা প্ৰশাসনে আশা প্ৰকাশ কৰিছে। জিলা প্ৰশাসনে সকলো নাগৰিক, ব্যৱসায়ী আৰু সংশ্লিষ্ট পক্ষক এই নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। নিৰ্বাচনৰ সময়ত কোনো ধৰণৰ অপ্ৰিয় ঘটনা ৰোধ কৰাৰ লগতে শান্তিপূৰ্ণ পৰিৱেশ বজাই ৰাখিবলৈ এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জনোৱা হৈছে। উল্লেখ্য যে, এই নিৰ্দেশনা উলংঘা কৰা যিকোনো ব্যক্তি বা প্ৰতিষ্ঠানৰ বিৰুদ্ধে অসম আবকাৰী আইন আৰু নিৰ্বাচনী বিধিৰ ধাৰা ১৩৫(গ) অনুসৰি কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তেনে ক্ষেত্ৰত জৰিমনা, লাইচেন্স বাতিল অথবা অন্যান্য আইনী শাস্তি প্ৰদান কৰাৰ ব্যৱস্থাও গ্ৰহণ কৰা হ'ব বুলি জিলা প্ৰশাসনে স্পষ্ট কৰি দিছে। সেয়ে সকলোকে এই সময়ছোৱাত চৰকাৰী নিৰ্দেশনা মানি চলি নিৰ্বাচন প্ৰক্ৰিয়াক সফল কৰি তোলাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱা হৈছে।

# জটিল ৰোগত আক্ৰান্তক সাহায্য প্ৰদান

## কৰুণাধাৰা ন্যাসৰ পদক্ষেপ

**অসম বাৰ্তা, মঙলদৈ, ৩ এপ্ৰিল ঃ** জটিল ৰোগত আক্ৰান্ত দৰঙৰ দুগৰাকী ৰোগীক কৰুণাধাৰা ন্যাসৰ তৰফৰ পৰা আজি মুঠ ৩০ হাজাৰ টকা প্ৰদান কৰা হয়। জিলাখনৰ দুমুনীচকী হেতামতোলাৰ ফকৰুদ্দিন আহমেদক ১৫ হাজাৰ টকা প্ৰদান কৰে। এই উপলক্ষে দুমুনীচকীত কৰুণাধাৰা দৰং জিলা সহায়ক সমিতিৰ প্ৰধান সচিব গণেশ দত্তই আঁত ধৰা চমু অনুষ্ঠানত চপাই শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লক্ষ্মীকান্ত শৰ্মা, কবি ইবিনাথ ৰাভা, অৱসৰপ্ৰাপ্ত ফাৰ্মাচীষ্ট মদন চহৰীয়া, দলংঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ নৱ কুমাৰ শৰ্মা, সমাজসেৱক উপেন চন্দ্ৰ ডেকা, নন্দ চহৰীয়া, ডম্বৰুধৰ ডেকা, দুগ্ধ ডেকা, প্ৰবীণ ক্ৰীড়াবিদ ৰুণু নাথ, জগত চন্দ্ৰ নাথ ভাৰত, অৱসৰপ্ৰাপ্ত শিক্ষক কেশৱ চন্দ্ৰ চহৰীয়াই ফকৰুদ্দিন আহমেদক ধনৰাশি প্ৰদান কৰে। আনহাতে হাজৰিকাপাৰা দেবানন্দ কানুৰাম ডেকাক মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° লীনা শইকীয়া, জ্যেষ্ঠ নাগৰিক ৰামেশ্বৰ শৰ্মা, দৰং জিলা মহিলা সমিতিৰ উপদেষ্টা পাৰুল দেৱী, সম্পাদক মিৰণ দেৱীয়ে ১৫ হাজাৰ টকাৰ চেক প্ৰদান কৰে।

# বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ বিহু নাচ প্ৰশিক্ষণ কৰ্মশালা শুভাৰম্ভ

**অসম বাৰ্তা, বকো, ৩ এপ্ৰিল ঃ** কামৰূপ জিলাৰ বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ এই বেলি গৌৰৱোজ্জ্বল ৫৮ সংখ্যক বৰ্ষৰ বিহু উৎসৱ। অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুটি পৰম্পৰাগত ভাৱে পালন কৰি আহিছে। ইফালে যোৱা কেই বেলিৰ দৰে এই বেলিও বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনীয়ে ১ এপ্ৰিলৰ পৰা শুভাৰম্ভ কৰা হৈছে বিহু নাচ - ঢোল বাদন - পেপা বাদন-বাঁহী বাদন প্ৰশিক্ষণ কৰ্মশালাৰ। উল্লেখ্য যে এই বেলি প্ৰায় এক হাজাৰতকৈ অধিক ছাত্ৰ ছাত্ৰীয়ে তথা ইচ্ছুক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে বিহু নাচ প্ৰশিক্ষণ কৰ্মশালাত। ঠিক তেনেদৰে ঢোল বাদন; বাঁহী বাদন আৰু পেপা গগণা বাদন প্ৰশিক্ষণ কৰ্মশালাও আয়োজন কৰা হৈছে। ইফালে বিহু উৎসৱ উদযাপন সমিতিৰ সভাপতি ধনঞ্জয় মেধি আৰু সাধাৰণ সম্পাদক গোবিন্দ দলৈ লগতে প্ৰচাৰ সম্পাদক বিষ্ণু ৰাম দাসে জনোৱা অনুসৰি আঠ গৰাকী উন্নত মানৰ অভিজ্ঞ প্ৰশিক্ষক সহ কুৰি জনীয়া সহযোগী প্ৰশিক্ষকে ১৩ দিন ধৰি প্ৰশিক্ষণ কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। ইফালে প্ৰ-পত্ৰ সমূহ ক শাখা, খ শাখা আৰু গ শাখাত ভাগ কৰি শিক্ষাৰ্থী সকলোক ভাগ ভাগ কৰি শুভাৰম্ভ কৰিছে কৰ্মশালাৰ। প্ৰকাশ যে আনুষ্ঠানিকভাৱে কৰ্মশালা শুভ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী তথা ডাঃ হেমেন নাথে। বিহু নাচ প্ৰশিক্ষণ কৰ্মলাশা শুভাৰম্ভ অনুষ্ঠানত জ্যেষ্ঠ সমাজ কৰ্মী ৰমেশ চন্দ্ৰ ডেকা, জয়দেৱ অধিকাৰী, বিহু উৎসৱ উদ্‌যাপন সমিতিৰ উপদেষ্টা মণ্ডলীৰ উপৰিও বৃহত্তৰ অঞ্চলটোৰ বহু সংখ্যক শিল্পী, কলা-কুশলী আৰু স্থানীয় ৰাইজে উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।

# দুলাল চন্দ্ৰ বৰুৱাৰ হৈ চিচিবৰগাঁৱত নিৰ্বাচনী প্ৰচাৰ চলালে অখিল গগৈয়ে

**অসম বাৰ্তা, ধেমাজি, ৩ এপ্ৰিল ঃ** পুকীয়াত অনুষ্ঠিত বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী দুলাল বৰুৱাৰ এক প্ৰচাৰ সভাত অংশ লয় ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। পুকীয়া ৰংগমঞ্চত অনুষ্ঠিত বিশাল জনসভাত অংশ লৈ ৰাইজৰ দলৰ সভাপতিজনে বিৰোধীক তীক্ষ্ণ সমালোচনাৰে থকা সৰকা কৰে। বুধবাৰে চিচিবৰগাঁও সমষ্টিৰ পুকীয়াত অনুষ্ঠিত বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী দুলাল বৰুৱাৰ এক প্ৰচাৰ সভাত অংশ লয় ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। পুকীয়া ৰংগমঞ্চত অনুষ্ঠিত বিশাল জনসভাত অংশ লৈ ৰাইজৰ দলৰ সভাপতিজনে বিৰোধীক তীক্ষ্ণ সমালোচনাৰে থকা সৰকা কৰে। সাংসদ প্ৰদান বৰুৱাই চিচিবৰগাঁও সমষ্টিত এটা গছৰ মূৰাক টিকট দিছে। নিজৰ পত্নীক টিকট দিয়াব নোৱাৰি জীৱন গগৈক টিকট দিয়াইছে। বিৰোধীৰ প্ৰাৰ্থীক হৰুৱাবলৈ নিৰ্দলীয় প্ৰাৰ্থীক প্ৰক্ষেপ কৰিছে সাংসদ প্ৰদান বৰুৱাই। প্ৰদান বৰুৱাৰ এই কূটকৌশল প্ৰত্যাখ্যান কৰি বিৰোধীৰ ঐক্য মঞ্চৰ প্ৰাৰ্থী দুলাল চন্দ্ৰ বৰুৱাক সমৰ্থন দিবলৈ আহ্বান জনাই অখিল গগৈয়ে। সভাখনত ৰাইজৰ দল, কংগ্ৰেছ, চি পি এমৰ লগতে বিৰোধী ঐক্য মঞ্চৰ বহু নেতা কৰ্মী উপস্থিত থাকে। সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত নিৰ্বাচনী সভাখনত বহু লোকে ৰাইজৰ দলত যোগদান কৰি বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী দুলাল চন্দ্ৰ বৰুৱালৈ পূৰ্ণ সমৰ্থন আগবঢ়ায়।

নলবাৰীত যুৱ-ছাত্ৰ পৰিষদৰ বিশেষ সাংগঠনিক সভা

# নলবাৰীত যুৱ ছাত্ৰ পৰিষদত দুই শতাধিকৰ যোগদান



**অসম বাৰ্তা, নলবাৰী, ৩ এপ্ৰিল ঃ** ৰাজ্যৰ অন্যতম শক্তিশালী জাতীয়তাবাদী সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বিশেষ সাংগঠনিক তৎপৰতাই আজি বিশেষ চৰ্চা লাভ কৰিছে নলবাৰীত। আজি নলবাৰী নাট্যমন্দিৰত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ সাংগঠনিক সভাত সংগঠনটোৰ কেন্দ্ৰীয় নেতৃত্বৰ উপস্থিতিত এক বৃহৎ যোগদান কাৰ্যসূচী সম্পন্ন হয়। পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাই আৰু সাধাৰণ সম্পাদক বিজন বায়নৰ উপস্থিতিত অনুষ্ঠিত এই সভাখনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় দুই শতাধিক ছাত্ৰ, যুৱক-যুৱতীয়ে আনুষ্ঠানিকভাৱে সংগঠনটোত যোগদান কৰে। পৰিষদৰ নীতি-আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ জিলাখনৰ চুকে-কোণে থকা প্ৰায় ২০০ নবীন কৰ্মীয়ে এই সভাতেই সংগঠনটোৰ সদস্য পদ গ্ৰহণ কৰে। সভাত উপস্থিত থাকি কেন্দ্ৰীয় সভাপতি পলাশ চাংমায়ে বৰ্তমানৰ সময়ত জাতীয়তাবাদৰ প্ৰাসংগিকতা আৰু অসমৰ জাতীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ দায়িত্বৰ ওপৰত আলোকপাত কৰে। আনহাতে, সাধাৰণ সম্পাদক বিজন বায়নে নৱাগত কৰ্মীসকলক আদৰণি জনাই সংগঠনটোক শাখা পৰ্যায়ত অধিক গতিশীল কৰি তোলাৰ আহ্বান জনায়। পৰিষদৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাই দাবী কৰা অনুসৰি, এই বিশাল যোগদান কাৰ্যসূচীয়ে নলবাৰী জিলাত এজেৱাইচিপিক শক্তিশালী কৰি তুলিলে। সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ সভাপতি আচিক আহমেদৰ সভাপতিত্ব হোৱা এই সভাত কেন্দ্ৰীয় নেতৃত্বৰ লগতে জিলা সমিতিৰ বিষয়ববীয়া আৰু বহুসংখ্যক ন-পুৰণি কৰ্মী উপস্থিত থাকি সংগঠনৰ সাংগঠনিক দিশ শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে।

□ বিজেপি কৰ্মীৰ বাধা উফৰাই কংগ্ৰেছৰ বিশাল নিৰ্বাচনী প্ৰচাৰ সভা □

# চপাই চাহ বাগিছাত নিৰ্বাচনকেন্দ্ৰিক হিংসা

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৩ এপ্ৰিল ঃ** সমাগত অসম বিধানসভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যজুৰি ৰাজনৈতিক উত্তেজনা দিনক দিনে বৃদ্ধি পাই থকাৰ মাজতে শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ চপাই চাহ বাগিছাত আজি এক নাটকীয় পৰিস্থিতিৰ সৃষ্টি হয়। কংগ্ৰেছ দলে আয়োজন কৰা এখন নিৰ্বাচনী প্ৰচাৰ সভাক কেন্দ্ৰ কৰি বিজেপি সমৰ্থক আৰু কংগ্ৰেছ কৰ্মীৰ মাজত উত্তেজনাপূৰ্ণ পৰিস্থিতি সৃষ্টি হোৱা দেখা যায়। উল্লেখ্য যে কংগ্ৰেছ দলে আজি চপাই চাহ বাগিছাত এখনি গুৰুত্বপূৰ্ণ নিৰ্বাচনী সভা আয়োজন কৰিছিল। কিন্তু এই সভা বিফল কৰাৰ উদ্দেশ্যেৰে একাংশ বিজেপি সমৰ্থকে আগতেই উপস্থিত হৈ হাতে হাতে প্লে'কাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে কংগ্ৰেছৰ প্ৰাৰ্থী বাতাছ ওৰাঙক সভাস্থলীত উপস্থিত হ'বলৈ বাধা দিয়াৰ চেষ্টা কৰে। এই বাধা-বিপত্তিৰ মাজতো কংগ্ৰেছ কৰ্মীসকলে পিছ নুহকি আৰু পৰিস্থিতি নিয়ন্ত্ৰণ কৰি সভাখন আগবঢ়াই নিয়ে। পিছত সকলো বাধা উফৰাই সভাস্থলীত উপস্থিত হয় ৬৫ নং ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰক্ষেপিত প্ৰাৰ্থী বাতাছ ওৰাং। তেওঁৰ আগমনৰ লগে লগে সভাস্থলীত উপস্থিত সমৰ্থকসকলৰ মাজত উৎসাহৰ সৃষ্টি হয়। সভাত ভাষণ প্ৰদান কৰি বাতাছ ওৰাঙে বিজেপি তথা বিজেপিৰ প্ৰাৰ্থী অশোক সিংহলৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে "মোৰ জনপ্ৰিয়তা আৰু উত্থান দেখি বিজেপি দলে ভয় খাইছে। সেই কাৰণেই তেওঁলোকে এনেধৰণৰ অগণতান্ত্ৰিক কাৰ্যকলাপত লিপ্ত হৈছে।" তেওঁ লগতে ৰাইজক শান্তিপূৰ্ণভাৱে গণতান্ত্ৰিক অধিকাৰ প্ৰয়োগ কৰাৰ আহ্বান জনায়। এই ঘটনাই অঞ্চলটোত ৰাজনৈতিক উত্তেজনা অধিক বৃদ্ধি পোৱাৰ ইংগিত বহন কৰিছে। নিৰ্বাচন ওচৰ চাপি অহাৰ লগে লগে এনে ঘটনা পুনৰাবৃত্তি নহয় যেনে তাৰ বাবে প্ৰশাসনৰ কঠোৰ পদক্ষেপৰ দাবী উত্থাপন হৈছে স্থানীয় ৰাইজৰ মাজত। উক্ত ঘটনাৰ খবৰ পাই লগে-লগে ঘটনাস্থলীত উপস্থিত হয় ঢেকীয়াজুলি আৰু ৰাক্ষসমাৰী আৰক্ষীৰ লগতে অৰ্ধসামৰিক বাহিনীৰ দল। ইপিনে বিজেপিৰ এই কাণ্ডকাৰখানাক তীব্ৰ নিন্দা কৰিছে কংগ্ৰেছ নেতা তথা প্ৰাক্তন বিধায়ক ভীমানন্দ তাঁতী, কংগ্ৰেছ নেতা মেলখাছ টপ্প, বিজয় তছাৰ লগতে কংগ্ৰেছ দলৰ কৰ্মী আৰু সমৰ্থকে।

# চামগুৰিত কেইবাটাও কাৰ্যালয় মুকলি অনিল শইকীয়াৰ

# চামগুৰিত কংগ্ৰেছত খহনীয়া; শতাধিকৰ বিজেপিত যোগদান

**অসম বাৰ্তা, ৰূপহীহাট, ৩ এপ্ৰিল ঃ** অসমত ৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনত ১২৬খন বিধানসভা সমষ্টিৰ ভিতৰত এক আকৰ্ষণীয় হৈছে চামগুৰি। এই বাৰ চামগুৰিত শাসক বিৰোধীয়ে দিনে নিশাই নিৰ্বাচনী প্ৰচাৰ তুংগত কৰি তোলা পৰিলক্ষিত হৈছে। নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে চামগুৰিত সিমানেই বিজেপিৰ প্ৰাৰ্থী অনিল শইকীয়াই ভেটি মজবুত হৈ আহিছে। চামগুৰিত কংগ্ৰেছত আৰম্ভ হৈছে দল ত্যাগৰ জোৱাৰ। গড়াজান মণ্ডলৰ উদ্যোগত ভকতগাঁও গাঁও পঞ্চায়তৰ আমতল বজাৰস্থিত বিজেপিৰ অস্থায়ী নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় উদ্বোধন কৰা হয়। উক্ত উদ্বোধনী অনুষ্ঠানত বিজেপি প্ৰাৰ্থী অনিল শইকীয়া ফিতা কাটি শুভাৰম্ভ কৰে। আজি ভকত গাঁৱত শতাধিক কৰ্মীয়ে কংগ্ৰেছ দল ত্যাগ কৰি বিজেপিৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰে। উক্ত যোগদান কাৰ্যসূচীত বিজেপিৰ প্ৰাৰ্থী অনিল শইকীয়াৰ উপস্থিতিত যোগদান কৰোৱাই। আজি নতুনকৈ যোগদান কৰা কৰ্মী সকলক অনিল শইকীয়াই দলীয় গামোচা আৰু টুপীৰে আদৰি লয়।

নিৰ্বাচনত ময়ূৰ বৰগোহাঁই জয়ী হ'লে দিখৌ নদীত উটুৱাই দিব দেৱব্ৰত শইকীয়াক ঃ বিতুপন ৰাইদঙীয়া

# নাজিৰাত ময়ূৰ বৰগোহাঁইৰ সমৰ্থনত ঝাৰখণ্ডৰ জ্যেষ্ঠ নেতা বাবুললাল মাৰাণ্ডীৰ নিৰ্বাচনী সভা

**অসম বাৰ্তা, নাজিৰা, ৩ এপ্ৰিল ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত শিৱসাগৰ জিলাৰ নাজিৰা বিধানসভা সমষ্টিত আজি বিজেপি দলে এক বৃহৎ নিৰ্বাচনী জনসভাৰ আয়োজন কৰে। বিজেপি মনোনীত প্ৰাৰ্থী ময়ূৰ বৰগোহাঁইৰ সমৰ্থনত আয়োজিত এই বিশাল সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বাবুললাল মাৰাণ্ডীয়ে। নাজিৰাৰ ৩০খন চাহবাগিছাৰ পৰা অহা হাজাৰ হাজাৰ সমৰ্থকৰ উপস্থিতিত বাবুললাল মাৰাণ্ডীয়ে বিৰোধী কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। বিশেষকৈ চাহ জনজাতি অধ্যুষিত অঞ্চলসমূহৰ উন্নয়নৰ বাবে বিজেপি চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথা তেওঁ ভাষণত উল্লেখ কৰে। সভাত অংশগ্ৰহণ কৰি বিজেপিৰ শিৱসাগৰ জিলা সভাপতি বিতুপন ৰাইদঙীয়াই নাজিৰাৰ কংগ্ৰেছী বিধায়ক দেৱব্ৰত শইকীয়াক তীব্ৰ সমালোচনা কৰি কয় যে নাজিৰাত ময়ূৰ বৰগোহাঁই জয়ী হোৱাৰ লগে লগে দিখৌ নদীত উটুৱাই দিব দেৱব্ৰত শইকীয়াক। সভাত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাও উপস্থিত থাকে।

নিৰ্দলীয় হ'লেও এতিয়াও বিপিএফ, জানে-প্ৰাণে এতিয়াও বিপিএফ ঃ ডিম্বেশ্বৰ বড়ো

# বিজনী বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী ডিম্বেশ্বৰ বড়োৰ সংবাদমেল

**অসমবাৰ্তা, বিজনী, ৩ এপ্ৰিল ঃ** চিৰাং জিলাৰ বিজনী প্ৰেছ গীল্ডৰ কাৰ্যালয়ত ২০ নং বিজনী বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী ডিম্বেশ্বৰ বড়োয়ে এখন সংবাদমেল সম্বোধন কৰে। নিৰ্দলীয় হলেও এতিয়াও বিপিএফ, জানে-প্ৰাণে এতিয়াও বিপিএফ বুলি কয় ডিম্বেশ্বৰ বড়োয়ে। নিৰ্দলীয় হলেও মই বিপিএফৰে প্ৰাৰ্থী। অকল ছবিটো নাঙল নাথাকিব, জাহাজ থাকিব। জাহাজত মাৰিলেও নাঙলত মাৰাৰ নিচিনা হ'ব বুলি সংবাদমেলৰ জৰিয়তে ৰাইজক ভোট দিবলৈ আহ্বান ডিম্বেশ্বৰ বড়োৰ। নিৰ্দলীয় প্ৰাৰ্থী খলিলুৰ ৰহমানক সমালোচনা নিৰ্দলীয় প্ৰাৰ্থী ডিম্বেশ্বৰ বড়োৰ। খলিলুৰ ৰহমান বিজেপিৰে প্ৰাৰ্থী বুলি অভিযোগ। সংখ্যালঘু ভোট বিভাজন কৰি বিজেপিক সহায় কৰাৰ কৌশল। কিন্তু সংখ্যালঘু মানুহে এক হৈ ভোট দিলেও তেওঁ জিকি নাযায় খলিলুৰ ৰহমান। ইফালে ইউপিপিএল প্ৰাৰ্থী কমলসিং নাৰ্জাৰীক টাৰ্গেট কৰি ১৫ বছৰীয়া কাৰ্যকালত কমলসিং নাৰ্জাৰীয়ে কথা দি কথা ৰাখিব নোৱাৰিলে বুলি অভিযোগ কৰিলে ডিম্বেশ্বৰ বড়োই। ৰাইজে তেওঁৰ লগত নাথাকিব। ইউপিপিএল এনডিএত নাই বুলি মিছা কথা কৈ আছে। গতিকে বিজনীবাসী ৰাইজে মোক নাঙল ভাবি পেলাই মোক ভোট দিয়ক। নিৰ্বাচনত জয়ী হলে পুনৰ বিপিএফতে থাকিম বুলি মন্তব্য ডিম্বেশ্বৰ বড়োৰ। অৰূপ দে বাহিৰৰ মানুহ, আমাৰ ৰাজা আমাৰ লোকেল মানুহ হ'ব লাগিব বুলি মন্তব্য কৰি বিজনীৰ ৰাইজক জাহাজৰ ছবিত ভোট দিবলৈ আহ্বান জনায় নিৰ্দলীয় প্ৰাৰ্থী ডিম্বেশ্বৰ বড়োৰ।

সম্পাদকীয়

# গণতন্ত্ৰৰ মহোৎসৱ, ভোটাধিকাৰৰ শক্তি

অসমৰ ১২৬টা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনে ৰাজ্যৰ ৰাজনৈতিক পথাৰত এক গুৰুত্বপূৰ্ণ অধ্যায়ৰ সূচনা কৰিছে। এই নিৰ্বাচন কেৱল জনপ্ৰতিনিধি নিৰ্বাচনৰ বাবে নহয়, বৰং গণতান্ত্ৰিক মূল্যবোধ, ভোটাধিকাৰৰ সাৰ্থক প্ৰয়োগ আৰু ৰাজনৈতিক দলসমূহৰ দায়বদ্ধতাৰ এক অগ্নিপৰীক্ষা। গতিকে, প্ৰতিজন সচেতন নাগৰিকৰ বাবে এই সময়খিনি অতি সংবেদনশীল আৰু তাৎপৰ্যপূৰ্ণ।

প্ৰথমতে ভোটাধিকাৰৰ কথা আহে। সংবিধানে প্ৰদান কৰা এই মৌলিক অধিকাৰ প্ৰয়োগ কৰাটো প্ৰতিজন নাগৰিকৰ কৰ্তব্য। কিন্তু অধিকাৰৰ লগতে আহে দায়িত্ব। কোনো প্ৰকাৰৰ প্ৰলোভন, ভয়-ভীতিকৰণ বা জাতিগত-সম্প্ৰদায়িক মেৰপেচত নপৰি স্বাধীন আৰু নিৰ্ভেজাল মনেৰে ভোটদান কৰাটোৱেই হৈছে প্ৰকৃত ভোটাধিকাৰৰ সাৰ্থকতা। দুখৰ বিষয় যে, প্ৰায়েই দেখা যায় কিছু স্বাৰ্থান্বেষী মহলে ভোটক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। অথচ ভোট হৈছে এক সৃষ্টিশীল শক্তি, যাৰ দ্বাৰা ৰাজ্য আৰু জনসাধাৰণৰ ভৱিষ্যত নিৰ্ধাৰণ হয়। সেইবাবেই 'নো ভোট, নো ভইচ' — এই সত্যটো মনত ৰাখি প্ৰতিজন যোগ্য ভোটাৰে নিজৰ ভোটাধিকাৰ প্ৰয়োগ কৰিবই লাগিব।

এতিয়া আহিল ৰাজনৈতিক দলসমূহৰ ভূমিকাৰ প্ৰশ্ন। গণতন্ত্ৰত ৰাজনৈতিক দলসমূহ হৈছে জনতা আৰু চৰকাৰৰ মাজৰ সেতু। কিন্তু আজিৰ পৰিস্থিতিত বহু দলে নিৰ্বাচনী প্ৰচাৰত নেতিবাচক প্ৰচাৰ, অপপ্ৰচাৰ, আৰু বিভাজনমূলক বক্তব্যক অগ্ৰাধিকাৰ দিয়া দেখা যায়। কোনো দলে উন্নয়নৰ মূৰ্ত পৰিকল্পনা দাঙি ধৰাতকৈ প্ৰতিদ্বন্দ্বী দলক দোষাৰোপ কৰাত ব্যস্ত হৈ পৰে। এই প্ৰৱণতাই জনমত বিকৃত কৰাৰ লগতে সামাজিক সম্প্ৰীতি ভংগ কৰে। আজি নিৰ্বাচনৰ প্ৰেক্ষাপটত ৰাজনৈতিক দলসমূহে সুস্পষ্ট, বাস্তৱধৰ্মী আৰু সৰ্বাংগীণ উন্নয়নৰ এজেণ্ডা জনসমক্ষত তুলি ধৰাটো জৰুৰী। তদুপৰি নিৰ্বাচনী আচৰণ বিধি মানি চলা, ভোটাৰক সন্মান কৰা আৰু ফলাফল নিৰ্বিশেষে গণতান্ত্ৰিক পদ্ধতি মৰ্যাদা দিয়াটো দলসমূহৰ নৈতিক দায়িত্ব।

অসম এখন বহু জাতি-জনজাতি, ভাষা-সংস্কৃতিৰ সমাহাৰ। এনে ৰাজ্যত নিৰ্বাচনে কেতিয়াবা উত্তেজনাৰ সৃষ্টি কৰা দেখা যায়। কিন্তু এইবাৰৰ নিৰ্বাচন শান্তিপূৰ্ণ আৰু উৎসৱমুখৰ পৰিৱেশত অনুষ্ঠিত হোৱাটো কাম্য। নিৰ্বাচন আয়োগৰ লগতে ৰাজনৈতিক দলসমূহৰ সক্ৰিয় সহযোগিতা অবিহনে এই লক্ষ্য পূৰ্ণ নহয়। একেদৰে সংবাদ মাধ্যমসমূহেও নিৰপেক্ষ আৰু দায়িত্বশীল বাতৰি প্ৰচাৰ কৰি জনমত সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে।

শেষত, আজি অসমৰ গণতন্ত্ৰৰ বাবে এক মহোৎসৱ। সেইদিনা প্ৰতিজন ভোটাৰে নিজৰ মত প্ৰকাশৰ সুযোগ পাব। সেই সুযোগ সদুপযোগ কৰাটোৱেই হৈছে গণতন্ত্ৰক শক্তিশালী কৰাৰ মূল মন্ত্ৰ। গতিকে সকলো প্ৰলোভন, ভয়-আশংকা পাহৰি ঘৰৰ পৰা ওলাই আহক, ভোট কেন্দ্ৰলৈ যাওক, আপোনাৰ ভৱিষ্যত নিজ হাতেৰে নিৰ্ধাৰণ কৰক।



আমাৰ যুৱপ্ৰজন্মৰ মানসিকতাত আন এক গুৰুত্বপূৰ্ণ তথা চিন্তনীয় দিশ হ'ল স্থানভেদে শ্ৰমৰ মৰ্যাদা সলনি হোৱা এক আচহুৱা চৰিত্ৰ। দেখা যায় যে, যিজন যুৱকে নিজৰ গাঁৱত বা চহৰত এখন সৰু চাহৰ দোকান দিবলৈ বা ডেলিভাৰী বয়ৰ কাম কৰিবলৈ সংকোচ কৰে, সেই একেজন যুৱকেই দিল্লী, মুম্বাই, বেংগালুৰু বা চেন্নাইৰ দৰে মহানগৰীত গৈ তাতকৈও নিম্ন পৰ্যায়ৰ কাম কৰিবলৈ অকণো কুণ্ঠাবোধ নকৰে। তাত তেওঁলোকে হোটেলত বাচন ধোৱা, চিকিউৰিটি গাৰ্ডৰ কাম কৰা বা শ্বপিং মলত চেলচ বয় বা চাফাই কৰ্মী হিচাপে কাম কৰাটোক লৈ কোনো হীনমান্যতাত ভোগা দেখা নাযায়। ইয়াৰ মনস্তাত্ত্বিক কাৰণটো হ'ল অচিনাকি ঠাইত কোনেও কাকো চিনি নাপায়, গতিকে তাত কামৰ মৰ্যাদা বা সামাজিক প্ৰতিষ্ঠাৰ ভয় নাথাকে।

# কৰ্মসংস্কৃতি, শ্ৰমৰ মৰ্যাদা আৰু অসমৰ যুৱপ্ৰজন্ম

প্ৰকৃতিয়ে উদাৰহস্তে দান কৰা উৰ্বৰ ভূমি, অফুৰন্ত জলৰাশি আৰু জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ হোৱা স্বত্বেও আজিৰ তাৰিখত অসমৰ অৰ্থনীতি এক গভীৰ সংকটৰ গৰাহত পৰিছে আৰু ইয়াৰ মূল কাৰণটো কেৱল চৰকাৰী নীতি বা আন্তঃগাঁথনিৰ অভাৱতে সীমাবদ্ধ নাথাকি আমাৰ সমাজ জীৱনত শিপাই থকা কৰ্ম সংস্কৃতিৰ অভাৱ আৰু শ্ৰমৰ মৰ্যাদাৰ প্ৰতি থকা এক নেতিবাচক দৃষ্টিভংগীৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছে। এখন জাতিৰ উন্নতিৰ মাপকাঠী কেৱল সেই জাতিৰ মানুহৰ হাতত থকা ধনৰ পৰিমাণে নিৰ্ধাৰণ নকৰে বৰঞ্চ সেই ধন উপাৰ্জনৰ বাবে মানুহখিনিৰ মানসিকতা কিমান দূৰলৈ প্ৰস্তুত আৰু তেওঁলোকে নিজৰ কৰ্মক কিমান সন্মানৰ চকুৰে চায় সেয়াহে আচল কথা। বৰ্তমান সময়ত আমাৰ অসমীয়া সমাজত কৰ্ম বুলি ক'লে যিটো ধাৰণা গঢ় লৈ উঠিছে সেয়া অত্যন্ত ঠেক আৰু একপাক্ষিক, য'ত কেৱল চৰকাৰী দৰমহা পোৱা বা শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি কৰা কামকহে প্ৰকৃত কাম বা সন্মানীয় জীৱিকা বুলি গণ্য কৰা হয়। এই সংকীৰ্ণ মানসিকতাই আমাৰ নৱপ্ৰজন্মক এনে এক ভ্ৰান্ত ধাৰণাৰ মাজলৈ ঠেলি দিছে যে যিসকলে পথাৰত হাল বায়, ৰাস্তা নিৰ্মাণ কৰে, বা সৰু-সুৰা ব্যৱসায় কৰি জীৱিকা নিৰ্বাহ কৰে তেওঁলোক যেন সমাজৰ নিম্নবৰ্গৰ নাগৰিক। এনে এক বিষাক্ত চিন্তাধাৰাই কেৱল ব্যক্তি বিশেষৰ জীৱন ধ্বংস কৰাই নহয় বৰঞ্চ সমগ্ৰ জাতিটোৰ অৰ্থনৈতিক মেৰুদণ্ড ভাঙি পেলাইছে, যাৰ ফলশ্ৰুতিত আমি আমাৰ দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীৰ বাবেও বহিঃৰাজ্যৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হৈছে।

শ্ৰমৰ মৰ্যাদাৰ প্ৰতি থকা এই অনীহা আৰু কৰ্ম বিমুখিতাৰ বীজ আচলতে আমাৰ পৰম্পৰাগত সামাজিক শিক্ষা আৰু পাৰিবাৰিক মূল্যবোধৰ মাজতে সুপ্ত হৈ থাকে যিটো সময়ৰ লগে লগে এজোপা বিশাল মহীৰুহ হৈ আমাৰ চিন্তাশক্তিক গ্ৰাস কৰি পেলাইছে। লৰালি কালৰ পৰাই আমাৰ সমাজৰ অধিকাংশ অভিভাৱকে নিজৰ সন্তানক এইবুলি শিকাই ডাঙৰ কৰে যে ভালকৈ পঢ়া-শুনা নকৰিলে ভৱিষ্যতে হাল বাব লাগিব বা গৰু চৰাব লাগিব। এই আপাত দৃষ্টিত নিৰীহ যেন লগা কথাষাৰে এটি শিশুৰ কোমল মনত এক মাৰাত্মক ধাৰণাৰ সৃষ্টি কৰে যে কায়িক শ্ৰম বা কৃষি কৰ্ম কেৱল অযোগ্য বা কম মেধাৰ মানুহৰ বাবেহে, আৰু এজন সফল ব্যক্তি হ'বলৈ হ'লে কায়িক শ্ৰমৰ পৰা দূৰত থাকিব লাগিব। ইয়াৰ ফলত যেতিয়া সেই শিশুটিয়ে ডাঙৰ হৈ উচ্চ শিক্ষা লাভ কৰে তেতিয়া তাৰ মনত স্বাভাৱিকতে কায়িক শ্ৰমৰ প্ৰতি এক ঘৃণা বা হীনমান্যতাই বাহ লয়। তেওঁলোকে ভাবিবলৈ লয় যে ডিগ্ৰী লাভ কৰাৰ পাছত যদি তেওঁলোকে খেতি কৰে বা ব্যৱসায় কৰে তেন্তে সমাজে তেওঁলোকক উপহাস কৰিব বা তেওঁলোকৰ শিক্ষাৰ কোনো মূল্য নাথাকিব। এই মানসিকতাৰ বাবেই আজি আমাৰ ৰাজ্যত হাজাৰ হাজাৰ উচ্চ শিক্ষিত নিবনুৱাই ঘৰত বহি হতাশাৰ মাজত দিন কটাইছে কিন্তু তথাপিও তেওঁলোকে নিজৰ দক্ষতা বা শিক্ষা ব্যৱহাৰ কৰি স্বাৱলম্বী হ'বলৈ আগবাঢ়ি অহা নাই। তেওঁলোকে চৰকাৰী চাকৰিৰ বাবে বছৰৰ পাছত বছৰ ধৰি অপেক্ষা কৰিবলৈ সাজু থাকে কিন্তু নিজৰ দেউতাকৰ খেতি পথাৰখনত আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি উৎপাদন বৃদ্ধি কৰিবলৈ সাজু নহয়। এই পৰিস্থিতিটো কেৱল দুৰ্ভাগ্যজনকেই নহয় বৰঞ্চ ই আমাৰ সম্ভাৱনাময় ভৱিষ্যতক অন্ধকাৰৰ দিশলৈ লৈ গৈছে।



হিমাংশু ৰঞ্জন ভূঞা

এই কৰ্ম বিমুখিতাৰ সুযোগ লৈয়েই ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰখনত এক বিশাল শূন্যতাৰ সৃষ্টি হৈছে আৰু এই শূন্যতা পূৰণ কৰিবলৈ স্বাভাৱিকতে ৰাজ্যৰ বাহিৰৰ পৰা অহা শ্ৰমিক বা ব্যৱসায়ীসকলে ভিৰ কৰিছে। আমি সততে বজাৰ বা সমাজত বহিৰাগত বুলি যাৰ বিৰুদ্ধে ক্ষোভ উজাৰো, বাস্তৱিকতে চাবলৈ গ'লে তেওঁলোকে সেইখিনি কামেই কৰি আছে যিখিনি কাম আমাৰ নিজৰ ল'ৰা-ছোৱালীয়ে কৰিবলৈ লাজ পায় বা মৰ্যাদাহানি হোৱা বুলি ভাবে। ৰাজমিস্ত্ৰী, বাঢ়ৈ, নাপিত, পানীৰ মিস্ত্ৰী, ইলেকট্ৰিচিয়ান, শাক-পাচলি বিক্ৰেতা, মাছ বেপাৰী আদি বিভিন্ন ক্ষেত্ৰত আজি স্থানীয় মানুহৰ উপস্থিতি অতি নগণ্য। অথচ এই প্ৰতিটো কামেই সমাজৰ বাবে অপৰিহাৰ্য আৰু এই কামবোৰৰ জৰিয়তে প্ৰতিদিনে হাজাৰ হাজাৰ টকাৰ লেনদেন হয়। যেতিয়া এজন অসমীয়া যুৱকে এই কামবোৰক 'সৰু কাম' বুলি অৱহেলা কৰে তেতিয়া তেওঁ আচলতে নিজৰ ভৰিৰ তলৰ মাটিখিনি আনক এৰি দিছে। অৰ্থনীতিৰ নিয়ম বৰ নিৰ্মম, ই কেতিয়াও আৱেগ বা জাতিৰ দোহাই দি চলি নাথাকে; যিয়ে শ্ৰম কৰিব, যিয়ে বজাৰৰ চাহিদা পূৰণ কৰিব, অৰ্থনীতিৰ চাবিকাঠি তেওঁৰ হাতেতেই থাকিব। আজি আমাৰ ৰাজ্যৰ বজাৰসমূহৰ নিয়ন্ত্ৰণ আনৰ হাতলৈ যোৱাৰ মূল কাৰণ আমাৰেই কৰ্ম সংস্কৃতিৰ অভাৱ। আমি যদি নিজৰ কাম নিজে কৰিবলৈ নিশিকো আৰু কেৱল মালিক হৈ থাকিবলৈ বিচাৰো তেন্তে এদিন আমি নিজৰ নিজৰ মাটিতেই শৰণাৰ্থীৰ দৰে হ'ব লাগিব। বাহিৰৰ পৰা অহা এজন মানুহে যদি চাইকেলত বস্তু বিক্ৰী কৰি ১০ বছৰৰ ভিতৰত চহৰত ঘৰ মাটি কিনিব পাৰে আৰু আমাৰ এগৰাকী শিক্ষিত অসমীয়া ল'ৰাই যদি বাইকত ঘূৰি ফুৰে, তিনিআলি, চাৰিআলিৰ দোকানৰ সন্মুখত আড্ডা মাৰি, দিনটো মোবাইল টিপিকি বহি থাকে বা মাক দেউতাকৰ ওপৰত ৰজা হৈ তেওঁলোকৰ পেঞ্চনৰ টকা খৰচ কৰি থাকে, তেন্তে ইয়াৰ বাবে আমি কাক দোষ দিয়া উচিত? এই প্ৰশ্নটোৰ উত্তৰ আমি নিজৰ বিবেকক সোধাৰ সময় সমাগত।

আমাৰ যুৱপ্ৰজন্মৰ মানসিকতাত আন এক গুৰুত্বপূৰ্ণ তথা চিন্তনীয় দিশ হ'ল স্থানভেদে শ্ৰমৰ মৰ্যাদা সলনি হোৱা এক আচহুৱা চৰিত্ৰ। দেখা যায় যে, যিজন যুৱকে নিজৰ গাঁৱত বা চহৰত এখন সৰু চাহৰ দোকান দিবলৈ বা ডেলিভাৰী বয়ৰ কাম কৰিবলৈ সংকোচ কৰে, সেই একেজন যুৱকেই দিল্লী, মুম্বাই, বেংগালুৰু বা চেন্নাইৰ দৰে মহানগৰীত গৈ তাতকৈও নিম্ন পৰ্যায়ৰ কাম কৰিবলৈ অকণো কুণ্ঠাবোধ নকৰে। তাত তেওঁলোকে হোটেলত বাচন ধোৱা, চিকিউৰিটি গাৰ্ডৰ কাম কৰা বা শ্বপিং মলত চেলচ্ বয় বা চাফাই কৰ্মী হিচাপে কাম কৰাটোক লৈ কোনো হীনমান্যতাত ভোগা দেখা নাযায়। ইয়াৰ মনস্তাত্ত্বিক কাৰণটো হ'ল অচিনাকি ঠাইত কোনেও কাকো চিনি নাপায়, গতিকে তাত কামৰ মৰ্যাদা বা সামাজিক প্ৰতিষ্ঠাৰ ভয় নাথাকে। কিন্তু নিজৰ ঠাইত কাম কৰিলে 'লোকে কি ক'ব', 'বন্ধু-বৰ্গই কি ভাবিব' বা 'আত্মীয়-স্বজনে কি ক'ব'—এই ভয়বোৰে তেওঁলোকক কোঙা কৰি পেলায়। এই দুমুখীয়া চৰিত্ৰই প্ৰমাণ কৰে যে আমাৰ সমাজত শ্ৰমৰ প্ৰতি থকা শ্ৰদ্ধা প্ৰকৃত নহয়, বৰঞ্চ ই এক সামাজিক আৱৰণৰ ওপৰত নিৰ্ভৰশীল। প্ৰকৃত আত্মসন্মানবোধ থকা এজন মানুহে কেতিয়াও কোনো কামক সৰু বা ডাঙৰ বুলি বিচাৰ নকৰে। যেতিয়ালৈকে আমি এই 'লোকে কি ক'ব' 'গাঁৱৰ মানুহে কি ভাবিব' মানসিকতাৰ পৰা ওলাই আহিব নোৱাৰিম, তেতিয়ালৈকে অসমৰ অৰ্থনৈতিক স্বাৱলম্বন কেৱল এক সুদূৰ পৰাহত সপোন হৈয়েই ৰ'ব। নিজৰ ঘৰৰ ওচৰত স্বাভিমানৰ সৈতে কাম কৰি উপাৰ্জন কৰা টকাখিনিৰ মূল্য বিদেশত গোলামী কৰি অৰ্জন কৰা টকাতকৈ কোনো গুণে কম নহয়, বৰঞ্চ ইয়াৰ লগত নিজৰ মাটি আৰু পৰিয়ালৰ সান্নিধ্য জড়িত হৈ থাকে।

শিক্ষাব্যৱস্থা আৰু দক্ষতাৰ মাজত থকা বিশাল ব্যৱধানটোও আমাৰ এই দুৰৱস্থাৰ বাবে সমানেই দায়ী, যিয়ে আমাক কেৱল চাৰ্টিফিকেট সৰ্বস্ব শিক্ষিত কৰিছে কিন্তু জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় বাস্তৱমুখী জ্ঞান দিব পৰা নাই। আমাৰ স্কুল-কলেজৰ পাঠ্যক্ৰমত শ্ৰমৰ মৰ্যাদা আৰু হাতে-কামে কাম কৰাৰ মানসিকতা গঢ়ি তোলাৰ কোনো ব্যৱস্থা নাই। এজন ছাত্ৰই ডিগ্ৰী লাভ কৰাৰ পাছত তেওঁৰ হাতত থকা কাগজখনৰ বাহিৰে ব্যৱহাৰিক জগতত প্ৰয়োগ কৰিব পৰা বিশেষ একো দক্ষতা নাথাকে। ইয়াৰ ফলত তেওঁলোকে চৰকাৰী চাকৰিৰ বাহিৰে আন কোনো বিকল্প দেখা নাপায়। আমাৰ সমাজত এনে এটা ধাৰণা বদ্ধমূল হৈ পৰিছে যে কৃষি বা কাৰিকৰী কামবোৰ কেৱল অশিক্ষিত মানুহৰ বাবে, কিন্তু বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত এই ধাৰণা একেবাৰেই অচল। আধুনিক কৃষি, পশুপালন, মৎস্যপালন বা খাদ্য প্ৰসংস্কৰণ উদ্যোগত শিক্ষিত যুৱক-যুৱতীৰ অংশগ্ৰহণ অত্যন্ত জৰুৰী কাৰণ তেওঁলোকেহে নতুন প্ৰযুক্তি আৰু বজাৰৰ কৌশল প্ৰয়োগ কৰি উৎপাদন বৃদ্ধি কৰিব পাৰিব। কিন্তু আমাৰ শিক্ষিত চামে এইবোৰক জীৱিকা হিচাপে গ্ৰহণ কৰিবলৈ মানসিকভাৱে প্ৰস্তুত নহয়। তেওঁলোকে ভাবে যে ইমান দিন পঢ়া-শুনা কৰি এতিয়া যদি সেইবোৰ কামেই কৰিব লাগে তেন্তে পঢ়াৰ কি লাভ হ'ল? এই ভুল ধাৰণাই প্ৰমাণ কৰে যে আমাৰ শিক্ষা ব্যৱস্থাই আমাক কেৱল কেৰাণী হ'বলৈ শিকাইছে, উদ্যমী হ'বলৈ শিকোৱা নাই। শিক্ষাৰ উদ্দেশ্য কেৱল চাকৰি পোৱা নহয়, শিক্ষাৰ আচল উদ্দেশ্য হ'ল মানুহৰ চিন্তাশক্তি বিকাশ কৰা আৰু যিকোনো পৰিস্থিতিতে নিজৰ দক্ষতাকে ব্যৱহাৰ কৰি জীয়াই থকাৰ পথ উলিয়াব পৰা ক্ষমতা অৰ্জন কৰা। আমাৰ যুৱপ্ৰজন্মই বুজি পাব লাগিব যে ডিগ্ৰীটো কেৱল এটা প্ৰৱেশপত্ৰহে, ই জীৱনৰ সফলতাৰ মান নিৰূপণ কৰিব নোৱাৰে।

সামাজিক মাধ্যম আৰু আধুনিক ভোগবাদী সভ্যতাই আমাৰ যুৱপ্ৰজন্মৰ মাজত সৃষ্টি কৰা ধৈৰ্যহীনতা আৰু অলপ সময়তে ধনী হোৱাৰ প্ৰৱণতাই কৰ্ম সংস্কৃতিৰ ওপৰত এক মাৰাত্মক আঘাত হানিছে। বৰ্তমান সময়ত কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু সাধনাৰ জৰিয়তে সফলতা অৰ্জন কৰাৰ পুৰণি আদৰ্শবোৰ ক্ৰমান্বয়ে ম্লান হৈ পৰিছে। ইয়াৰ পৰিৱৰ্তে কেনেকৈ সহজ উপায়েৰে, দালালালি কৰি বা কোনো অসৎ উপায়েৰে কম সময়তে বেছি টকা উপাৰ্জন কৰিব পাৰি, তাৰ প্ৰতিহে বেছিভাগ যুৱক আকৰ্ষিত হৈছে। এই 'শ্বৰ্টকাট' সংস্কৃতিয়ে আমাৰ সমাজত দুৰ্নীতি, প্ৰৱঞ্চনা আৰু অপৰাধপ্ৰৱণতা বৃদ্ধি কৰিছে। এজন ল'ৰাই ৰদত গৰুৰ গাড়ী চলাই বা টেম্প' চলাই ১০০ টকা উপাৰ্জন কৰাতকৈ কোনোবা ৰাজনৈতিক নেতাৰ পিছে পিছে ঘূৰি বা ঠিকাদাৰীৰ দালালি কৰি ৫০০ টকা উপাৰ্জন কৰাটোক বেছি বুদ্ধিমানৰ কাম বুলি ভাবে। এই মানসিকতাই উৎপাদনমুখী অৰ্থনীতিক ধ্বংস কৰি পেলাইছে কাৰণ দালালি বা ফৰকালি কৰি অৰ্জন কৰা ধনে সমাজলৈ কোনো সম্পদ বা মূল্য সংযোজন নকৰে, ই কেৱল ধনৰ হাত সলনিহে কৰে। এখন সুস্থ সমাজ গঠন হ'বলৈ হ'লে উৎপাদনশীল কামৰ প্ৰতি আগ্ৰহ থাকিবই লাগিব। কোনো জাতিয়েই কেৱল বেচা-কিনা বা দালালি কৰি দিঘলীয়া সময়ৰ বাবে তিষ্ঠি থাকিব নোৱাৰে। আমাৰ যুৱচামে বুজা উচিত যে যি সফলতাৰ আঁৰত ঘাম আৰু শ্ৰম নাথাকে, সেই সফলতা তাসৰ ঘৰৰ দৰে ক্ষণস্থায়ী। প্ৰকৃত আনন্দ আৰু তৃপ্তি কেৱল নিজৰ সৃষ্টি আৰু পৰিশ্ৰমৰ মাজেৰেহে পোৱা যায়। যিদিনা আমাৰ যুৱকসকলে বুজি পাব যে চমু পথেৰে পোৱা সফলতা আচলতে এক মৰীচিকা, সেইদিনাহে আমি প্ৰকৃত কৰ্ম সংস্কৃতিৰ দিশে আগবাঢ়িব পাৰিম।

আমাৰ সমাজত এজন স্বাৱলম্বী, সৎ আৰু উচ্চ উপাৰ্জনকাৰী কৃষক বা ব্যৱসায়ীতকৈ এজন সামান্য দৰমহা পোৱা চৰকাৰী কৰ্মচাৰীক বেছি মৰ্যাদা দিয়া হয়। ছোৱালী বিয়া দিয়াৰ ক্ষেত্ৰত অভিভাৱকসকলে প্ৰথমে ল'ৰাৰ চৰকাৰী চাকৰি আছে নে নাই সেয়া বিচাৰ কৰে। ল'ৰাই যদি লাখ টকা উপাৰ্জন কৰা নিজা ব্যৱসায় চলাই আছে তথাপিও তেওঁক 'অনিশ্চিত ভৱিষ্যত' বুলি গণ্য কৰা হয়, অথচ কম দৰমহাৰ চৰকাৰী চাকৰি এটাক 'নিৰাপদ জীৱন' বুলি পচন্দ কৰা হয়। এই সামাজিক চাপৰ বাবেই বহুতো প্ৰতিভাসম্পন্ন ল'ৰাই নিজৰ ব্যৱসায় বা সৃষ্টিশীল কাম এৰি চৰকাৰী চাকৰিৰ বাবে বছৰ বছৰ ধৰি সময় নষ্ট কৰে। এই মানসিকতাই আমাৰ সমাজত উদ্যোগীকৰণৰ বাতাৱৰণ গঢ়ি উঠাত বাধা প্ৰদান কৰিছে। যেতিয়ালৈকে সমাজৰ বয়োজ্যেষ্ঠ আৰু অভিভাৱক শ্ৰেণীয়ে তেওঁলোকৰ দৃষ্টিভংগী সলনি নকৰে, তেতিয়ালৈকে যুৱপ্ৰজন্মক দোষ দি লাভ নাই। আমি সমাজত এনে এক পৰিৱেশ গঢ়ি তুলিব লাগিব য'ত এজন সফল কৃষক বা এজন দক্ষ মিস্ত্ৰীকো এজন বিষয়াৰ সমানেই সন্মান জনোৱা হয়। সামাজিক স্বীকৃতিয়ে মানুহক কাম কৰিবলৈ অনুপ্ৰেৰণা যোগায়। আমি যদি আমাৰ মাজৰে এজন সাহসী উদ্যোগীক সন্মান জনাব নোৱাৰো, তেন্তে আমি নতুন প্ৰজন্মক কেনেকৈ স্বাৱলম্বী হ'বলৈ উৎসাহিত কৰিম?

পৰিশেষত, অসমীয়া যুৱপ্ৰজন্মৰ বাবে এতিয়া সময় আৰু সুযোগ দুয়োটাই সন্ধিক্ষণত উপস্থিত হৈছে। বিশ্বায়নৰ এই যুগত প্ৰতিযোগিতা তীব্ৰ হৈছে আৰু কেৱল চৰকাৰ বা আনৰ ভৰসাত জীয়াই থকাটো অসম্ভৱ হৈ পৰিছে। কৰ্ম সংস্কৃতি আৰু শ্ৰমৰ মৰ্যাদা কেৱল অৰ্থনৈতিক উন্নতিৰ আহিলা নহয়, ই আমাৰ জাতিৰ অস্তিত্ব ৰক্ষাৰ কবচ। আমি আমাৰ পুৰণি, জৰাজীৰ্ণ আৰু অচল মানসিকতাবোৰক বিসৰ্জন দি বাস্তৱমুখী আৰু আধুনিক চিন্তাধাৰা গ্ৰহণ কৰিব লাগিব। আমাৰ যুৱক-যুৱতীসকলৰ মাজত মেধা, শক্তি আৰু প্ৰতিভাৰ কোনো অভাৱ নাই, অভাৱ কেৱল সঠিক দৃষ্টিভংগী আৰু মানসিক দৃঢ়তাৰ। যেতিয়া অসমৰ এজন যুৱকে বুকুত সাহস বান্ধি ক'ব পাৰিব যে— "মই চাকৰি বিচাৰি হাবাথুৰি নাখাওঁ, মই নিজৰ বাবে আৰু আন দহজনৰ বাবে কৰ্মসংস্থাপন সৃষ্টি কৰিম," তেতিয়াহে আমাৰ জাতিৰ পুনৰুত্থান সম্ভৱ হ'ব। এই পৰিৱৰ্তন কোনোবাই আনি দিব বুলি বাট চাই থকাৰ সময় নাই, প্ৰতিজন ব্যক্তিয়ে নিজৰ পৰাই এই পৰিৱৰ্তন আৰম্ভ কৰিব লাগিব। পথাৰৰ বোকা, কাৰখানাৰ ধোঁৱা আৰু শৰীৰৰ ঘামক যেতিয়া আমি ঘৃণাৰ সলনি পূজা কৰিবলৈ শিকিম, তেতিয়া দেখিম যে সফলতা আমাৰ দুৱাৰত টোকৰ মাৰিছে। অসমৰ স্বৰ্ণিল ভৱিষ্যত আমাৰ নিজৰ হাততেই নিৰ্ভৰ কৰিছে, আৰু সেই ভৱিষ্যত গঢ়িবলৈ হ'লে 'কৰ্মই ধৰ্ম'—এই মন্ত্ৰক সাৰোগত কৰি আমি আগবাঢ়ি যাব লাগিব। এয়া এক সংগ্ৰাম, নিজৰ বিৰুদ্ধে নিজৰ, এলাহৰ বিৰুদ্ধে কৰ্মৰ আৰু হতাশাৰ বিৰুদ্ধে আশাৰ। এই সংগ্ৰামত জয়ী হোৱাৰ বাহিৰে আমাৰ সন্মুখত আন কোনো বিকল্প নাই।

নিৰ্বাচন

# গণতান্ত্ৰিক মহোৎসৱ

ড° আৰ কে বেজবৰুৱা

গণতান্ত্ৰিক দেশ এখনৰ সুস্থ পৰিচালনাৰ বাবে সৎ আৰু কৰ্মোদ্যোগী প্ৰতিনিধিত্ব আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। এই প্ৰতিনিধিত্ব বাছনিৰ প্ৰথম স্বৰ্ত হৈছে নিৰ্বাচন। প্ৰতিনিধি নিৰ্বাচন কৰাৰ দায়িত্ব জনসাধাৰণৰ। কিন্তু প্ৰতিনিধি নিৰ্বাচন কৰাৰ দায়িত্ব জনসাধৰণক প্ৰকৃতাৰ্থত দিয়া হয় জানো? গভীৰ ভাবে চিন্তা কৰিলে বিষয়টো কিবা খেলি মেলি হৈ পৰে। আমি প্ৰাৰ্থী নিৰ্বাচন কৰোঁ জানো? কোনজন প্ৰাৰ্থী প্ৰতিনিধি হিচাবে জনসাধাৰণে নিৰ্বাচন কৰে? কথাটো অত্যন্ত জটিল।

এজন প্ৰাৰ্থী নিৰ্বাচন কৰে যি কোনো দলৰ নিৰ্বাচক মণ্ডলীয়ে। সেই নিৰ্বাচক মণ্ডলী কেতিয়াবা এজন ব্যক্তিত সীমাবদ্ধ হ'বও পাৰে। প্ৰাৰ্থী বাছনিত জনসাধাৰণৰ কোনো ভূমিকা নাই। যাৰ টকা-পইচা আছে, বাহুবল, আছে, দলৰ মূৰব্বীজনৰ সৈতে সু-সম্পৰ্ক আছে নাইবা কিছু সামাজিক প্ৰতিপত্তি আছে তেনে লোকক দলে বা দলপতিয়ে প্ৰাৰ্থী হিচাবে মনোনীত কৰে বা সাধাৰণ ভাষাত 'টিকট' দিয়ে। টিকট পাবলৈ মানুহ এজনে মুৰব্বীজনক বিভিন্ন ধৰণে পতিয়ন নিয়াব লগা (খুচ কৰিবলগীয়া) হয়। শুনামতে, লাখ লাখ টকা দিব লগীয়াও হয়। কিছুমান দলে টিকটৰ দামো নিৰ্ধাৰণ কৰা বুলি শুনা যায়। দলে নিৰ্বাচন কৰা ব্যক্তিয়েহে প্ৰতিদ্বন্দ্বিতা কৰে। তেনে ক্ষেত্ৰত জনসাধাৰণে প্ৰাৰ্থী নিৰ্বাচন কৰা কথাটো কোনো পধ্যেই সমৰ্থন কৰিব নোৱাৰি। দলে নিৰ্বাচন কৰা প্ৰাৰ্থীৰ সৈতে জনসাধাৰণৰ দূৰ দূৰলৈ সম্পৰ্ক নাথাকে।

দলে টিকট দিয়া ব্যক্তিজনে টকা-পইচা দি, গাড়ী মটৰ ভাড়া কৰি, বাইকত পেট্ৰ'ল ভৰাই দি এসোপামান মানুহ লগত লৈ তথাকথিত ভাষাত 'শক্তি প্ৰদৰ্শন' কৰি মনোনয়ন দাখিল কৰে। তাৰ পিছতহে জনসাধাৰণৰ লগত প্ৰাৰ্থী সম্পৰ্কলৈ আহে। তাতো দুৰত্ব থাকি যায়। সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ কাষলৈ প্ৰাৰ্থী কেতিয়াও নাযায়। কিছুমান এজেণ্ট বা কৰ্মীয়ে প্ৰাৰ্থীজনৰ হৈ ভোট বিচাৰি যায়, নাইবা জনসাধাৰণক বিশ্বাস নিয়াবলৈ চেষ্টা কৰে যে তেৰোঁলোকে মনোনীত কৰা প্ৰাৰ্থীজন উৎকৃষ্ট আৰু তেওঁক ভোট দিব লাগে। লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ কথা বাদেই, বিধান সভাৰ প্ৰাৰ্থীকো নিৰ্বাচনৰ সময়ত দেখা নোপোৱা লোক বহুত আছে। কিন্তু আমি জনসাধাৰণ হিচাবেই প্ৰতিটো নিৰ্বাচনতে ভোট দি আহিছোঁ আমাৰ বাছনি (choice)ৰ প্ৰাৰ্থী নহয়, লোকে বাচি দিয়া প্ৰাৰ্থীক। তেওঁলোক জয়ী হৈ বেছিভাগ সময়তে আমাৰ আশা আৰু হিতৰ বিপৰীতে কাম কৰি থাকে।

এইবাৰ চোৱা যাওক নিৰ্বাচন প্ৰক্ৰিয়ালৈ- ভাৰতৰ দৰে গণতান্ত্ৰিক দেশত প্ৰতিনিধি নিৰ্বাচনৰ বাবে এখন নিৰপেক্ষ নিৰ্বাচন আয়োগ আছে। এই আয়োগে ভোটাৰ তালিকা প্ৰস্তুতিৰ পৰা ফলাফল ঘোষণা পৰ্যন্ত বিভিন্ন পৰ্যায়ত বিভিন্ন কাম পৰিচালনা কৰে। বহু বিতৰ্কিত হ'লেও নিৰ্বাচন আয়োগ বৰ্তমান ই. ভি. এম. মেচিনৰ দ্বাৰা নিকা ভোট গ্ৰহণ ব্যৱস্থা প্ৰৱৰ্তন কৰি দুৰ্নীতি মুক্ত নিৰ্বাচন অনুষ্ঠিত কৰি আহিছে। কিন্তু দায়বদ্ধ প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগ নিৰুত্তৰ।

বৰ্তমান ভাৰতত নিৰ্বাচন হৈ পৰিছে এক মহোৎসৱৰ দৰেই। কোনে কিমান প্ৰচাৰ চলাব পাৰে, কোনে কিমান টকা খৰচ কৰিব পাৰে, কিমান হেলিকপ্টাৰ উৰুৱাব পাৰে, তাৰ হে প্ৰতিযোগিতা চলে। তাৰ সমান্তৰাল ভাবে কিমান ফুল সিঁচি প্ৰাৰ্থীক আদৰিব পাৰি, কিমান গামোচা পিন্ধাব পাৰি, সমৰ্থকৰ মাজত তাৰো অঘোষিত প্ৰতিযোগিতা চলে। নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে হৈছে ভোটাৰক আকৰ্ষণ কৰিবলৈ প্ৰাৰ্থীসকলে লোৱা কৌশল। আমাৰ ইয়াত এসময়ত প্ৰাৰ্থীয়ে ঘৰে-ঘৰে গৈ ভোট বিচাৰিছিল আৰু নিজৰ বিষয়ে প্ৰচাৰ চলাইছিল। যোৱা কেই বছৰমানৰ পৰা গীত আৰু নৃত্যৰে প্ৰচাৰৰ ৰাস্তাত উলিওৱা সমদলৰ প্ৰাদুৰ্ভাৱ বেছি হৈছে। প'ষ্টাৰ, বেনাৰ, ফেচবুক, ৰীল আদিৰ ব্যৱহাৰ অত্যন্ত বেছি হৈছে। এইবাৰ নতুন পৰম্পৰা এটাৰ আবিৰ্ভাৱ হৈছে। সেয়া হৈছে চুমা পৰম্পৰা। পিছে এই প্ৰক্ৰিয়াবোৰত নিৰ্বাচন আয়োগৰ নিৰ্দেশনা বা আচৰণ বিধি কি সেয়া কোনোবাই জানে যদিয়ো আমাৰ দৰে মানুহবোৰে নাজানে।

এই যে প্ৰচাৰ অভিযানবোৰ, দেশৰ চুকে কোণে লগোৱা বৃহৎ আকাৰৰ হৰ্ডিং, বেনাৰ, পোষ্টাৰ, জনসভা, ৰ'ড শ্বো আদিৰ খৰচ প্ৰাৰ্থী নে চৰকাৰে কৰে সেই বিষয়েও আমি অজ্ঞ। যদি প্ৰাৰ্থীয়ে কৰে, তাত জনসাধাৰণৰ ক'ব লগীয়া নাই। কিন্তু ভাবিব লগীয়া আছে। হাতৰ সাঁচতীয়া সকলো ধন খৰচ কৰি জিকি যোৱা প্ৰাৰ্থী সকলে সেই টকাখিনি উদ্ধাৰৰ চেষ্টা নকৰিব নে? নিশ্চয় কৰিব। সেই টকা ক'ৰ পৰা উঠাব? সেইটো এটা বৃহৎ প্ৰশ্ন!

নিৰ্বাচন পাৰ হোৱাৰ পিছত হিচাব কৰা হ'ব নে- এজন প্ৰাৰ্থীয়ে নিৰ্বাচনৰ নামত কিমান টকা খৰচ কৰিলে? হিচাব কৰা হ'ব নে - প্ৰাৰ্থীৰ পিছে পিছে দৌৰি কিমান মানুহে নিজৰ সময় আৰু শ্ৰম নষ্ট কৰিলে? হিচাব কৰা হ'ব নে- গাড়ী মটৰৰ ধোৱা আৰু মাইক শব্দ, উল্লাসত ফুটোৱা বোমাই কিমান প্ৰদূষণ সৃষ্টি কৰিলে?

নকৰে! এনেকুৱা চিন্তা কোনোৱেই নকৰে। কিন্তু দিল্লীত হোৱা প্ৰদূষণৰ বাবে আজি সকলোৱে চিঞৰে। যুৱ উচ্ছৃঙ্খলতাৰ বাবে সকলোৱে ভাষণ দিয়ে, দীঘল দীঘল প্ৰবন্ধ লিখে। কিন্তু নিৰ্বাচনৰ নামত, প্ৰচাৰৰ নামত এচাম যুৱকক যে বিপথেৰে লৈ যোৱা হৈছে তাৰ বাবে জবাবদিহী কোন? এই প্ৰাৰ্থী বা প্ৰতিনিধি সকল নহয় নে?

নিৰ্বাচন যাব, প্ৰতিনিধি জিকিব, চৰকাৰ গঠন হ'ব। তাৰ পিছত আহিব 'হিতাধিকাৰী' সৃষ্টিৰ দৌৰ। হিতৰ অধিকাৰী হৈ সকলো সুখী হ'ব। হিচাব কৰা হ'ব নে-চৰকাৰে আজি জনসাধাৰণৰ দুখ, অভাৱ আদি বুজি পাই তাক দূৰীকৰণ কৰাৰো চেষ্টা কৰিব।

চৰকাৰে কৰা বহুত ভাল কামৰ সমালোচনা বহুতেই কৰি আহিছে। চৰকাৰে কৰা বহুতো ভাল কামকো কোনোবাই চৰকাৰৰ ৰাজনৈতিক অভিসন্ধি বুলি কয়। কোনোবাই নিৰ্বাচনত জিকাৰ টোপ বুলি কয়। কিন্তু যিবোৰ আঁচনিত দূৰ দূৰলৈকে আত্মনিৰ্ভৰতাৰ কোনো প্ৰতিশ্ৰুতি নাই তাৰ সমালোচনা বিগত সময়ত কোনোবাই কৰিছে নে? চৰকাৰে সৃষ্টি কৰা 'হিতাধিকাৰী'ৰ প্ৰভাৱ ৰোধ কৰিবলৈ কোনোব দল বা প্ৰতিনিধিয়ে চেষ্টা কৰা বা ভাষণত কোৱা দৃষ্টিগোচৰ হৈছে নে?

বৰ্তমান চাহ উদ্যোগলৈ সংকট নামি আহিছে। শ্ৰমিকৰ অভাৱে বাগিচা বোৰলৈ ডাঙৰ প্ৰত্যাহবান মাতি আনিছে। পাত চিঙা, নলা খন্দাকে ধৰি সকলো কামৰ বাবে বস্তি অঞ্চলৰ পৰা অস্থায়ী শ্ৰমিক নিয়োগ কৰিব লগীয়া হৈছে। সেয়াও পৰ্যাপ্ত পৰিমাণৰ নহয়। কনষ্ট্ৰাকচনৰ বাবেও মানুহ বিচাৰি নোপোৱা অৱস্থা। মানুহৰ ঘৰত কাম কৰিবলৈ, খেতিপথাৰত কাম কৰিবলৈ মানুহ নোপোৱা হৈছে। পথাৰবোৰ আজি কালি উকাঁ হৈ থাকে। ঘৰত কৰা উদ্যান শস্যৰ বাবে হাজিৰা দিলেও মানুহ পাবলৈ নাই।

চৰকাৰে নিৰ্ধাৰণ কৰা আঁচনি বিপৰীতে কোৱাৰ ধৃষ্টতা মোৰ নাই। কিন্তু এই আঁচনিবোৰে সামগ্ৰীক ভাবে অসমৰ সমৃদ্ধিত কিমান ধনাত্মক প্ৰভাৱ পেলাব সেইবোৰৰো পৰ্য্যালোচনা হোৱা উচিত। বাইক-স্কুটীয়ে ছাত্ৰ-ছাত্ৰীৰ উপকাৰ কৰিব নে ক্ষতি কৰিব- সেয়াও অভিভাৱক আৰু নিৰ্বাচিত প্ৰতিনিধিয়ে ভাবি চাব লাগিব। এই প্ৰতিনিধিৰে গঠিত যি কোনো চৰকাৰে জাতিটোক অকৰ্মণ্য হোৱাত সহযোগ আগবঢ়াইছে বা ধংসাত্মক প্ৰভাৱ জাপি দিছে নেকি - সেই বিষয়ে আমি কিন্তু এতিয়াই ভাবিব লাগিব।

সদায়ে এনেকৈ গৈ থাকিব নে? যদি কৃষিভূমি বন্ধ্যা হৈ ৰৈ যায়, যদি কোনো মানুহেই কাম কৰিব নেলাগে তেন্তে দেশৰ অৰ্থনীতি টনকিয়াল হ'ব কেনেকৈ? পৰৱৰ্তী প্ৰজন্মক অকৰ্মণ্য হোৱাৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে নতুন আচনি গ্ৰহণ কৰিবই লাগিব। কাৰণ উচ্চ শিক্ষাৰে শিক্ষিত হৈ থাকিলেও চাকৰি পোৱাৰ নিশ্চিতিও থাকিব লাগিব। সেই চাকৰিৰ দৰমহা দিবলৈ ৰাজ ভড়ালত টকা থাকিব নালাগিব জানো? এই কথা চিন্তা কৰিবলৈ কোনো অৰ্থনীতিবিদ নাইবা সমাজ বিজ্ঞানী হোৱাৰ প্ৰয়োজন নহয়।

কেৱল আমি চৰকাৰে দিবলৈ অপেক্ষা কৰি থাকিলে নহ'ব। দিবই লাগিব বুলি দাবী কৰিলেও নহ'ব। ভৱিষ্যত প্ৰজন্মক অকৰ্মণ্য হোৱাৰ পৰা ৰক্ষা কৰিবলৈ সকলোৱে উপায় উদ্ভাৱন কৰিব লাগিব। ইতিমধ্যে বহু পলম হৈছে। শেষত পুনৰ এটা প্ৰশ্ন থাকি যায় - নিৰ্বাচন খেলিবলৈ, চৰকাৰ গঠন কৰিবলৈ এনেকুৱা এটা নিৰ্বাচন কেন্দ্ৰিক গণ মহোৎসৱৰ প্ৰয়োজন সঁচাকৈয়ে আছে নে?

# পাকাবেতবাৰী গাঁৱত বৰপেটাৰ 'এনডিএ'ৰ প্ৰাৰ্থীৰ হৈ ৰেলীৰে প্ৰচাৰ বিজেপিৰ

**অসম বাৰ্তা, বৰপেটাসদৰ, ৩ এপ্ৰিল ঃ** সমাগত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে বৰপেটা জিলা তথা সদৰ সমষ্টিৰ অধীনস্থ ৬৯ নং সুন্দৰিদীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত পাকাবেতবাৰী গাঁওস্থিত দুৰ্গা মন্দিৰ বাকৰিত ভাৰতীয় জনতা পাৰ্টীৰ উদ্যোগত এখন অনুষ্টপীয়া সভা অনুষ্ঠিত কৰাৰ লগতে এখন নিৰ্বাচনী প্ৰচাৰ ৰেলী উলিওৱা হয়। ভাৰতীয় জনতা পাৰ্টি বৰপেটা ব্লক মণ্ডলৰ অন্তৰ্গত পাকা বেতবাৰী গাঁৱত ২৪ নং বৰপেটা (অনুসূচীত জাতিৰ বাবে সংৰক্ষিত) বিধানসভা সমষ্টিৰ অসম গণ পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টি মিত্ৰজোঁটৰ এনডিএ'ৰ অগপ প্ৰাৰ্থী দীপক কুমাৰ দাসৰ প্ৰচাৰৰ নিমিত্তে অনুষ্ঠিত অনুষ্টপীয়া সভাত বৰপেটা বিধান সভা সমষ্টিৰ বিজেপিৰ নিৰ্বাচনী সমন্বয়ক নিপামণি কলিতাই ভাষণ প্ৰসংগত এনডিএ'ৰ অৰ্থ কি, এইবেলি এনডিএ'ৰ প্ৰাৰ্থীক কিয় ভোটদান কৰিব লাগিব সেই বিষয়ত বিস্তাৰিতভাৱে তথ্য সমৃদ্ধ গঠনমুলক ভাষণ প্ৰদান কৰাৰ লগতে এইবেলি হাতীৰ চিহ্নত ভোট দান কৰিবলৈ সকলো ৰাইজক আহ্বান জনায়। সভাত বিজেপিৰ জিলা মহিলা মৰ্চাৰ প্ৰাক্তন সভানেত্ৰী জয়া বৰুৱা দাস, বিজেপিৰ জিলা উপ-সভাপতি সঞ্জয় মজুমদাৰ, জিলা সম্পাদক ৰাতুল শৰ্মা, বৰপেটা ব্লক মণ্ডল সাধাৰণ সম্পাদক গীতাঞ্জলী শৰ্মা, সভাপতি অলকেশ দাস, ৰাজ্যিক মহিলা মৰ্চা কাৰ্যনিৰ্বাহক সদস্য স্বৰ্ণলতা বৰ্মন, স্থানীয় বুথ সভাপতি জিল মোহন ৰায়, প্ৰিয় নাথ ৰায়, সভানেত্ৰী অণু বালা ৰায়, বিনাপানী শক্তি কেন্দ্ৰ প্ৰমুখ গোপাল চন্দ্ৰ চৌধুৰী, ব্লকমণ্ডল মহিলা সাধাৰণ সম্পাদিকা ববিতা সৰকাৰ, নিকুমনি, বিষ্ণু বালা ৰায়, সঙ্গীতা ৰায়, জিলা মহিলা মৰ্চাৰ উপ সভানেত্ৰী গীতাঞ্জলী দাস, মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী নিজৰা দাস, মামণি ৰায়, পূৰ্ণিমা সৰকাৰ, সাংবাদিক প্ৰদীপ কুমাৰ সৰকাৰ আদি কৰি প্ৰায় তিনি শতাধিক ৰাইজ উপস্থিত থাকে। ইপিনে সভাৰ অন্তত বিজেপিৰ কাৰ্যকৰ্তাৰ লগতে এনডিএ'ৰ সমৰ্থকক লৈ এখন পদ ৰেলী উলিওৱা হয়। আৰু পাকাবেতবাৰী গাঁৱৰ বিভিন্ন পথেৰে তেওঁলোকে হাতে হাতে বেনাৰ, দলীয় ফেষ্টুন লৈ পৰিভ্ৰমণ কৰি হাতীৰ ছবিত ভোট দিয়ক, দীপক কুমাৰ দাস জিন্দাবাদ, হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ, নৰেন্দ্ৰ মোদী জিন্দাবাদ আদি শ্লোগান দি ৰাজপথ কপাঁই তোলা পৰিলক্ষিত হয়।

# নগাঁৱৰ বিশ্ববিদ্যালয়-মহাবিদ্যালয়ত নবীন ভোটাৰৰ মাজত ব্যাপক সজাগতাৰ প্ৰয়াস

**অসম বাৰ্তা, পুৰণিগুদাম, ৩ এপ্ৰিল ঃ** নিৰ্বাচনী প্ৰক্ৰিয়াত তৰুণ ভোটাৰসকলক সক্ৰিয় অংশগ্ৰহণৰ বাবে উৎসাহিত কৰাৰ লক্ষ্যৰে নগাঁও জিলা প্ৰশাসনৰ আহ্বান ক্ৰমে জিলাখনৰ বিভিন্ন আগশাৰীৰ শিক্ষানুষ্ঠানসমূহত সজাগতা অভিযান চলোৱা হৈছে। সেই অনুসৰি আজি নগাঁও বিশ্ববিদ্যালয়ত এটি বিশেষ ভোটাৰ সচেতনতা কাৰ্যসূচী অনুষ্ঠিত হয়। নগাঁও জিলা প্ৰশাসনৰ ব্যৱস্থাপিত 'ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষ' (ছুইপ) ৰ নিৰ্দেশত নতুনকৈ ভোটাধিকাৰ লাভ কৰা শিক্ষাৰ্থীসকলক কেন্দ্ৰ কৰি নগাঁও বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ মান আশ্বাসন কোষৰ উদ্যোগত, এন এছ এছ আৰু এন চি চি কোষৰ সহযোগত এই ভোটাৰ সচেতনতা কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ধ্ৰুৱজ্যোতি বৰুৱাই নিজৰ বক্তব্যত



ভোটদানৰ গুৰুত্ব ব্যাখ্যা কৰি কয় যে, ভোটদান হৈছে প্ৰতিজন নাগৰিকৰ মৌলিক অধিকাৰ আৰু একে সময়তে ই এক গুৰুত্বপূৰ্ণ দায়িত্ব। তেওঁ নতুন ভোটাৰসকলক সক্ৰিয়ভাৱে নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ আৰু সচেতনভাৱে নিজৰ ভোটাধিকাৰ প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। নগাঁও বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ মান আশ্বাসন কোষৰ সঞ্চালক ড° ভুৱন চন্দ্ৰ চুতীয়াই আঁত ধৰা অনুষ্ঠানটোত উপ-পঞ্জীয়ক নৱপ্ৰসাদ নাথে নিজৰ ভাষণত নিৰ্বাচনী অধিকাৰ আৰু প্ৰক্ৰিয়াসমূহৰ বিষয়ে সচেতনতা বৃদ্ধিৰ প্ৰয়োজনীয়তা উল্লেখ কৰে আৰু শিক্ষাৰ্থীসকলক জ্ঞানভিত্তিক আৰু দায়িত্বশীল নাগৰিক হোৱাৰ আহ্বান জনায়। অনুষ্ঠানত অতিথি বক্তা হিচাপে উপস্থিত থকা নগাঁও নেহৰু যুৱ কেন্দ্ৰৰ গাণনিক বিষয়া ধনঞ্জয় তালুকদাৰে যুৱ সমাজৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে আলোকপাত কৰি বিশেষকৈ নতুন ভোটাৰসকলক সচেতনতা আৰু দায়িত্ববোধেৰে নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ প্ৰেৰণা যোগায়। উক্ত কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অনাশিক্ষক কৰ্মচাৰী, এন. এছ. এছ আৰু এন চি চি স্বেচ্ছাসেৱক সকলৰ লগতে দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিতি থাকে। একে সময়তে চামগুৰি মহাবিদ্যালয়তো অনুৰূপ কাৰ্যসূচী অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ ইলেক্টৰেল লিটাৰেচি ক্লাবৰ উদ্যোগত আৰু ৰাজনীতি বিজ্ঞান বিভাগ তথা আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত আয়োজিত অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকি সহকাৰী অধ্যাপক আক্ৰাম হুছেইনে প্ৰতিজন নাগৰিকৰ ভোটৰ মূল্য আৰু ইয়াৰ প্ৰভাৱৰ ওপৰত বক্তৃতা প্ৰদান কৰে। সহকাৰী অধ্যাপক অপূৰ্বজ্যোতি বৰাই গণতন্ত্ৰৰ গুৰুত্ব তথা এজন সচেতন ভোটাৰ হিচাপে ভোটদানৰ অপৰিহাৰ্য প্ৰয়োজনীয়তাৰ বিষয়ে বুজাই কয়। একেদৰে আৰবী বিভাগৰ সহকাৰী অধ্যাপক বদৰুজ জামানে নতুন ভোটাৰসকলৰ সাংবিধানিক অধিকাৰ আৰু ভোটাধিকাৰৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য দাঙি ধৰে। অনুষ্ঠানত সহকাৰী অধ্যাপক জাকিৰ হুছেইনৰ উপৰি বহুসংখ্যক শিক্ষক তথা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# নতুন শিক্ষাবৰ্ষ আৰম্ভ; ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত বিনামূলীয়া পাঠ্যপুথি, ঐক্যসাজ বিতৰণৰ শুভাৰম্ভণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩ এপ্ৰিল ঃ** আজিৰে পৰা ৰাজ্যৰ বিদ্যালয়সমূহত ২০২৬ - ২৭ শিক্ষাবৰ্ষ আৰম্ভ হৈছে। আজিৰ আৰম্ভণিৰ দিনটোত বিদ্যালয়সমূহত 'বিদ্যাৰম্ভ' কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। তিনিচুকীয়া জিলাৰ অন্তৰ্গত ডুমডুমা সমজিলাৰ বিদ্যালয়সমূহতো নতুন শিক্ষাবৰ্ষৰ আৰম্ভণিৰ দিনটোত বিদ্যাৰম্ভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত অনুষ্ঠিত বিদ্যাৰম্ভ অনুষ্ঠানত বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি অভিজিৎ খাটনিয়াৰে পৌৰোহিত্য কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়খনৰ অধ্যক্ষা সংগীতা বৰকাকতিয়ে নতুন শিক্ষাবৰ্ষৰ বাবে শিক্ষাৰ্থীসকলক শুভেচ্ছা আৰু আশীৰ্বাদ দিয়ে আৰু তেওঁলোকক নিয়মীয়াকৈ শ্ৰেণীত উপস্থিত থাকি পাঠসমূহ আয়ত্ত কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সদস্য ভুৱন সোণোৱাল, শিক্ষয়িত্ৰী প্ৰণয় বৰপাত্ৰগোঁহাই, মৌচুমী শৰ্মা আৰু লিটামণি এক্কাইও শিক্ষাৰ্থীসকলক উদ্দেশ্যি উপদেশমূলক বক্তব্য আগবঢ়ায়। পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি অভিজিৎ খাটনিয়াৰে তেওঁৰ বক্তব্যত নতুন শিক্ষাবৰ্ষৰ বাবে শিক্ষাৰ্থীসকলক শুভেচ্ছা জনাই তেওঁলোকৰ আগন্তুক শিক্ষাবৰ্ষৰ বাবে কেইবাটাও পৰামৰ্শ প্ৰদান কৰে। তেওঁ নতুন শিক্ষানীতি - ২০২০ প্ৰৱৰ্তনৰ ফলত শিক্ষাখণ্ডত অহা পৰিৱৰ্তনৰ কথা উল্লেখ কৰি শিক্ষাৰ্থীসকলক ইয়াৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিবলৈ আহ্বান জনায়। তেওঁ লগতে বিদ্যালয়খনে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়েও উল্লেখ কৰে আৰু বিদ্যালয় কৰ্তৃপক্ষ, পৰিচালনা আৰু উন্নয়ন সমিতি তথা অভিভাৱকৰ সন্মিলিত প্ৰচেষ্টাৰে উক্ত সমস্যাসমূহ সমাধানৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখাৰ কথা উল্লেখ কৰে। তেওঁ এই ক্ষেত্ৰত অভিভাৱক সমাজৰ পৰা সহযোগিতা কামনা কৰে। পৰিচালনা আৰু উন্নয়ন সমিতিৰ অভিভাৱক সদস্যা ৰশ্মি সোণোৱালৰ উপৰিও বহু কেইগৰাকী অভিভাৱক - অভিভাৱিকা, শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকল উপস্থিত থকা এই অনুষ্ঠানতে নতুন শিক্ষাবৰ্ষৰ বাবে চৰকাৰে আগবঢ়োৱা বিনামূলীয়া পাঠ্যপুথি আৰু ঐক্যসাজ (Uniform) বিতৰণৰ শুভাৰম্ভণি কৰা হয়।

# ৮৫ বছৰৰ উৰ্ধৰ, দিব্যাংগ ভোটদাতাৰ বাবে ঘৰতে ভোট-গ্ৰহণৰ ব্যৱস্থা দৰং জিলা প্ৰশাসনৰ

**অসম বাৰ্তা, মঙলদৈ, ৩ এপ্ৰিল ঃ** ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি ভোটদান কৰিব নোৱাৰাৰ বাবে পোষ্টেল বেলট যোগে ভোটদান কৰিবৰ কাৰণে আবেদন কৰা দৰং জিলাৰ নাগৰিকসকলৰ বাবে ঘৰতে ভোটদান কৰাৰ প্ৰক্ৰিয়া ইতিমধ্যেই আৰম্ভ কৰিছে দৰং জিলা প্ৰশাসনে। দৰং জিলাৰ অন্তৰ্গত ছিপাঝাৰ, মঙলদৈ আৰু দলগাঁও বিধানসভা সমষ্টিৰ পৰা পোষ্টেল বেলট যোগে ভোটদানৰ বাবে আবেদন কৰা ভোটাৰসকলে যাতে সুকলমে ভোটদান কৰিব পাৰে তাৰবাবে ৩০ মাৰ্চৰ পৰা সংশি-ষ্ট ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীসকলে এই আবেদানকাৰী ভোটাৰসকলৰ ঘৰে ঘৰে গৈ উপস্থিত হৈছে। উল্লেখ্য যে, ৮৫ বছৰৰ উৰ্ধৰ বয়সৰ ভোটদাতা আৰু দিব্যাংগ ভোটদাতা সকলৰ বাবে দৰং জিলা প্ৰশাসনে এই ব্যৱস্থা গ্ৰহণ কৰিছে। এই অভিযানত এতিয়ালৈ মুঠ ২৩৭ গৰাকী ভোটদাতাই ঘৰতে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। ইয়াৰে ছিপাঝাৰ বিধানসভা সমষ্টিৰ ৫১ গৰাকী, মঙলদৈ বিধানসভা সমষ্টিৰ ৬৭গৰাকী আৰু দলগাঁও বিধানসভা সমষ্টিৰ ১১৯গৰাকী ভোটদাতাই ভোটদান কৰে। ৩০ মাৰ্চ তাৰিখৰ পৰা আৰম্ভ হোৱা এই কাৰ্যসূচী ৩ এপ্ৰিল তাৰিখলৈ চলিব। নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি দৰং জিলা প্ৰশাসনে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

# অৰুণাচলৰ দেওমালীত হাতী-মানুহৰ সংঘাত অব্যাহত

## হিংস্ৰ বনৰীয়া হাতীৰ সন্ধান আৰু স্থানান্তৰৰ বাবে কৰ্ণাটকৰ ১২জনীয়া বিশেষজ্ঞৰ দল মোতায়েন

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৩ এপ্ৰিল ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ দেওমালীত বিগত দুবছৰত বহুকেইগৰাকী লোকৰ প্ৰাণ কাঢ়ি চৰম ত্ৰাসৰ সৃষ্টি কৰি অহা এটা হিংস্ৰ বনৰীয়া হাতীক বিচাৰি উলিওৱা আৰু স্থানান্তৰ কৰিবলৈ কৰ্ণাটকৰ এটি ১২জনীয়া বিশেষজ্ঞৰ দল মোতায়েন কৰা হৈছে। মঙ্গলবাৰে দেওমালীত উপস্থিত হোৱা কৰ্ণাটকৰ বিশেষজ্ঞৰ দলটোৱে ইতিমধ্যে হাতীটোক বিচাৰি উলিওৱা আৰু স্থানান্তৰিত কৰাৰ অভিযান আৰম্ভ কৰিছে। এই বিশেষজ্ঞৰ দলটোৰ নেতৃত্বত আছে জ্যেষ্ঠ পশু চিকিৎসা বিষয়া তথা হাতী বিশেষজ্ঞ ডাঃ ৰমেছা এইচ। দলটোত ট্ৰাংকুলাইজেশ্যন, বন্যপ্ৰাণী নিৰীক্ষক, কৰ্ণাটকৰ হাতী শিবিৰৰ সৈতে জড়িত প্ৰশিক্ষিত মাউতকো অন্তৰ্ভুক্ত কৰা হৈছে। দলটোৰ এগৰাকী বিষয়াই সংবাদ মাধ্যমক জনোৱা মতে, এই অভিযানত প্ৰশিক্ষিত কুমকি হাতী আৰু থাৰ্মেল ড্ৰ'নৰ ব্যৱহাৰকে ধৰি পৰম্পৰাগত আৰু প্ৰযুক্তিগত পদ্ধতিৰ সংমিশ্ৰণেৰে প্ৰাণীটোক অনুসৰণ আৰু নিৰাপদে ধৰিব পৰা যাব। অঞ্চলটোত দীৰ্ঘদিনে চলি থকা হাতী-মানুহৰ সংঘাতৰে মোকাবিলা কৰাৰ এক জৰুৰী প্ৰচেষ্টাৰ অংশ হিচাপে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিষয়াগৰাকীৰ মতে, এই হিংস্ৰ হাতীটোৱে কেইবাটাও মাৰাত্মক তথা হৃদয়বিদাৰক ঘটনা সংঘটিত কৰি অহাত অৱশেষত এইদৰে ৰাজ্যৰ বাহিৰৰ অভিজ্ঞ তথা বিশেষজ্ঞক জড়িত কৰি এক সংগঠিত ৰূপত অভিযানত নমাৰ প্ৰয়োজনীয়তা আহি পৰিছে। দেওমালীৰ ৰেঞ্জ ফৰেষ্ট অফিচাৰ দিৰাং লোৱাঙে বিশেষজ্ঞৰ দলটোক আদৰণি জনোৱাৰ লগতে স্থানীয় বাসিন্দাসকলক সজাগ হৈ থাকিবলৈ আহ্বান জনায়। তেওঁ এই অভিযানৰ সফলতাৰ ক্ষেত্ৰত জনসাধাৰণৰ সহযোগিতা অতি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰা লগতে জনসাধাৰণক হাতীটোক দেখা পোৱা মাত্ৰকে বন বিভাগক অৱগত কৰিবলৈ আহ্বান জনায়। আনহাতে দেওমালী বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াগৰাকীয়ে অঞ্চলটোৰ জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰা লক্ষ্যৰে ৰাজ্যখনৰ বন আৰু পৰিৱেশ মন্ত্ৰী ৰাংকি লোৱাঙে গ্ৰহণ কৰা এনে প্ৰচেষ্টাৰ ভূয়সী প্ৰশংসা কৰে।

# "অংকুৰণ", "প্ৰয়াস", আৰু "সপ্তধাৰা" উন্মোচন

# খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিদ্যাৰম্ভ

**অসম বাৰ্তা, জাঁজী, ৩ এপ্ৰিল ঃ** আজি শিক্ষাবৰ্ষৰ প্ৰথম দিনটোতে বিদ্যাৰম্ভ অনুষ্ঠানৰ উপলক্ষে খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দেৱাল আলোচনী "অংকুৰণ" হাতেলিখা আলোচনী "প্ৰয়াস" আৰু "সপ্তধাৰা" নামৰ তিনিখন আলোচনী উন্মোচন কৰা হয়। ছাত্ৰী অংগীতা বৰুৱা ৰ সম্পাদিত দেৱাল আলোচনী উন্মোচন কৰে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী দীপালী বৰঠাকুৰে। স্নাতকোত্তৰ শিক্ষক পিংকু দত্তই আঁত ধৰা আৰু বিদ্যালয়ৰ অধ্যক্ষ আনন্দ কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত দেৱলীনা শইকীয়া সম্পাদিত হাতেলিখা আলোচনী "প্ৰয়াস" উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ কামাখ্যা ভট্টাচাৰ্যই। প্ৰকাশ বৰঠাকুৰৰ সম্পাদিত "সপ্তধাৰা" উন্মোচন কৰে খনামুখ শাখা সাহিত্য সভাৰ সভাপতি বিশিষ্ট সমাজ সেৱক ৰবীন চন্দ্ৰ হাজৰিকাই। অনুষ্ঠানত সাহিত্য বিভাগৰ উপদেষ্টা দেৱলক্ষ্মী শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য সাধনাৰ ক্ষেত্ৰত হাতে লিখা আলোচনী আৰু দেৱাল আলোচনীৰ গুৰুত্ব সম্পৰ্কে অৱগত কৰাৰ লগতে বিদ্যালয়ৰ অধ্যক্ষ আনন্দ কুমাৰ বৰাই নৱাগত ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি সাহিত্য সাধনাৰ জৰিয়তে নিজকে সমৃদ্ধ কৰিবলৈ আহবান জনায়।

পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বিদায়ী অনুষ্ঠান সমাপন

# বকোৰ আন্ধেৰিটাৰী বালিকা প্ৰাথমিক বিদ্যালয়ত শৈক্ষিক সজাগতা সভা

**অসম বাৰ্তা, বকো, ৩ এপ্ৰিল ঃ** বিগত শিক্ষাবৰ্ষৰ শেষ দিনাখন অৰ্থাৎ ৩১ মাৰ্চ ২০২৬ তাৰিখে কামৰূপ জিলাৰ বকোৰ আন্ধেৰিটাৰী বালিকা প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী বৃন্দক আনুষ্ঠানিক ভাৱে উচ্চ শিক্ষা লাভৰ বাবে বিদায় সম্ভাষণ জনোৱা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক পৱিত্ৰ কৈৱৰ্ত্তই জনোৱা অনুসৰি উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি "আশীৰ্বাদ - এক শৈক্ষিক যাত্ৰা" বুলি বিশেষ কাৰ্যসূচীৰ দ্বাৰা কিতাপ পঢ়াৰ মানসিকতা গঢ়ি তুলিবলৈ চেষ্টা কৰাৰো প্ৰয়াস কৰে। উচ্চ শিক্ষা লাভৰ বাবে আমাৰ বিদ্যালয়ৰ পৰা বিদায় জনালেও আন্তৰিকতা আগৰ দৰেই বৰ্তাই ৰখাৰ স্বাৰ্থত বিদায়ী অনুষ্ঠানটোত দুখৰ আৱেগিক পৰিৱেশৰ সৃষ্টি নহ'বলৈ পাৰ্য্যমানে চেষ্টা কৰে যাতে মৰমৰ ছাত্ৰ-ছাত্ৰী কেইগৰাকীয়ে হাঁহি মনেৰে উচ্চ শিক্ষা গ্ৰহণ কৰি বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকৰ মান-সন্মান উজ্জ্বলাই তুলিবলৈ সক্ষম হয়। এই উপলক্ষে বিদ্যালয়ত আয়োজন কৰে এক শৈক্ষিক সজাগতা সভা। অনুষ্ঠানত নিমন্ত্ৰণ ৰক্ষা কৰি বিদায়ী ছাত্ৰ-ছাত্ৰীবৃন্দৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি আশীৰ্বাদ দি বক্তব্য ৰাখে বিদ্যালয় খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জাবেদ আলী; ড° জাকিৰ হুছেইন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক আকবৰ আলী, বকো মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষক নৱ কুমাৰ নাথ, বিদ্যালয়খনৰে সহকাৰী শিক্ষক ৰহিম উদ্দিন আহমেদ, সহকাৰী শিক্ষয়িত্ৰী যুতিকা কুমাৰী, আৰ চি এম শিক্ষা কৰ্মী জুৰি ছালমা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ জাহাংগীৰ আলী তথা বিদ্যালয় খনৰ প্ৰধান শিক্ষক পৱিত্ৰ কৈৱৰ্ত্তই। ইফালে আকবৰ আলী মহোদয়ে এটা শিলৰে পৰাই সৃষ্টি হোৱা এটি মূৰ্তি আৰু মজিয়াত ব্যৱহাৰ কৰা টাইলছৰ উপমাৰে জড়িত গল্প এটিৰে ছাত্ৰ-ছাত্ৰীক কয় যে অধিক কষ্ট আজিয়ে কৰিব পাৰিলে, পিছৰ জীৱনত কোনো ভাল কামত সংস্থাপন পালে জীৱনটো চলোৱাত উজু হৈ পৰিব। অন্যথা হাতুৰীৰ ক'ব এতিয়াই সহ্য নকৰাৰ ফলত জীৱনটো চলোৱাত পিছলৈও উজু হৈ নাথাকিব। সেয়ে, এতিয়াই কষ্ট কৰি ভালকৈ শিক্ষা লাভ কৰাৰ বাবে অনুপ্ৰাণিত কৰে। অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে ৩৯ নং আন্ধেৰিটাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মঞ্জু বড়ো আৰু বন্ধু বিদ্যালয় আন্ধেৰিটাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী সংগীতা গগৈ মালাকৰ বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি আজিত আলী, সদস্য-সদস্যাবৃন্দ, ৰন্ধন কৰ্মীবৃন্দ, অভিভাৱক-অভিভাৱিকাবৃন্দ তথা অন্যান্য শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীবৃন্দ।

# মঙলদৈৰ যুৱক মানবেন্দ্ৰ বৰ্মণ গুৱাহাটীত সন্ধানহীন

**অসম বাৰ্তা, মঙলদৈ, ৩ এপ্ৰিল ঃ** মঙলদৈ চপাইৰ নিবাসী প্ৰতাপ বৰ্মণৰ পুত্ৰ মানবেন্দ্ৰ বৰ্মণ (২৬) যোৱা ২৪ মাৰ্চৰ সন্ধিয়াৰ পৰা সন্ধানহীন হৈ আছে। মানবেন্দ্ৰ বৰ্মণৰ পিতৃ-মাতৃয়ে আজি হুকহুকাই কান্দি কয় যে, আজি তিনিবছৰ ধৰি মানবেন্দ্ৰ বৰ্মণে গুৱাহাটীৰ পাঞ্জাবাৰীত থকা ৰিপোজ বেকাৰীত গাণনিক হিচাপে কাম কৰি আছিল। ২৪ মাৰ্চৰ সন্ধিয়ালৈ মাতৃৰ লগত মানবেন্দ্ৰৰ ফোন যোগে যোগাযোগ হৈছিল। কিন্তু সন্ধিয়া ৭.২০ বজাৰ পৰা মানবেন্দ্ৰৰ দুয়োটা মোবাইল বন্ধ পোৱা গৈছে। ইতিমধ্যে একমাত্ৰ পুত্ৰ সন্তান নিৰুদ্দেশ হোৱা সম্পৰ্কত ২৭ মাৰ্চত পিতৃ প্ৰতাপ বৰ্মণে দিশপুৰ থানাত এজাহাৰ দাখিল কৰিছে যদিও এতিয়ালৈ কোনো শুংসূত্ৰ নোপোৱাত শোকত ভাগি পৰিছে দুৰ্ভগীয়া পৰিয়ালটো। এই সম্পৰ্কত কোনো শুংসূত্ৰ পালে ওচৰৰ থানা অথবা ৮৪৭২০৭৮৪৮২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালটোৱে কাতৰ অনুৰোধ জনাইছে।

জিলা আয়ুক্তই গামোচা পিন্ধাই বিদায় দিলে ভোটগ্ৰহণকাৰী দলক

# নগাঁও জিলাত আৰম্ভ হ'ল ঘৰে-ঘৰে ভোটগ্ৰহণ প্ৰক্ৰিয়া

**অসম বাৰ্তা, পুৰণিগুদাম, ৩ এপ্ৰিল ঃ** নগাঁও নিৰ্বাচনী জিলাৰ শাৰীৰিকভাৱে অক্ষম আৰু ৮৫ বছৰৰ উৰ্ধৰ প্ৰায় চাৰিহাজাৰ গৰাকী ভোটাৰক তেওঁলোকৰ ইচ্ছা অনুসৰি নিজৰ ঘৰতে ভোটদান কৰাৰ সুবিধা প্ৰদান কৰা হৈছে। আজি সেই উদ্দেশ্যে গঠিত ৯৫টা দলে ঘৰে-ঘৰে গৈ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। পুৱাই নেহেৰুবালি খেলপথাৰৰ পৰা ৰাওনা হোৱা দলসমূহক জিলা আয়ুক্ত দেৱাশিস শৰ্মাই ফুলাম গামোচাৰে শুভেচ্ছা জনোৱাৰ লগতে গোটাই প্ৰক্ৰিয়াটোত নিজে উপস্থিত থাকি তদাৰক কৰে। ইয়াৰ লগে লগে বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াৰো কাৰ্যতঃ আৰম্ভ হ'ল। নিৰ্বাচন আয়োগৰ বিধি ব্যৱস্থা অনুসৰি জিলাখনৰ অন্তৰ্গত নগৰীয়া এলেকাৰ পৰা আৰম্ভ কৰি অতি দুৰ্গম তথা ভিতৰুৱা গ্ৰামাঞ্চললৈকে প্ৰতিগৰাকী বিশেষ ভোটদাতাক তেওঁলোকৰ সন্মান আৰু ভোটদানৰ গোপনীয়তা অটুট ৰাখি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ প্ৰদান কৰাৰ উদ্দেশ্যে দলসমূহ প্ৰেৰণ কৰা হৈছে। জিলাখনৰ সাতোটাকৈ বিধানসভা সমষ্টি - ৫৫ নং ধিং, ৫৬ নং ৰূপহীহাট, ৫৭ নং কলিয়াবৰ, ৫৮ নং চামগুৰি, ৫৯ নং বৰহমপুৰ, ৬০ নং নগাঁও-বটদ্ৰৱা আৰু ৬১ নং ৰহা (অনুসূচীত জাতি) বিধানসভা সমষ্টিৰ বাবে মুঠ ৯৫ সংখ্যক বিশেষ ভোটগ্ৰহণকাৰী দল গঠন কৰা হৈছে। প্ৰতিটো দলত একোগৰাকী ক্ষুদ্ৰ পৰ্যবেক্ষকৰ লগতে আৰক্ষী বাহিনী আৰু চালকসহ বাহনৰ সম্পূৰ্ণ সুবিধা প্ৰদান কৰা হৈছে যাতে তেওঁলোকে নিৰ্ধাৰিত ভোটদাতাসকলৰ ঘৰত উপস্থিত হৈ গোপন বেলেট পেপাৰৰ জৰিয়তে সম্পূৰ্ণ স্বচ্ছতাৰে ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰে। আজি নগাঁও চহৰৰ ঐতিহাসিক নেহৰুবালি খেলপথাৰৰ পৰা জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত দেৱাশিস শৰ্মাই এই গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে, মূলত ৮৫ বছৰ বা ততোধিক বয়সৰ জ্যেষ্ঠ নাগৰিকসকলৰ লগতে ৪০ শতাংশ বা ততোধিক শাৰীৰিক বাধাগ্ৰস্ততা থকা দিব্যাঙ্গ ব্যক্তিসকল, যিসকলে শাৰীৰিক সীমাবদ্ধতাৰ বাবে ভোটকেন্দ্ৰলৈ যোৱাত অসুবিধা পায়, তেওঁলোকৰ সুবিধাৰ্থেই এই 'হ'ম ভোটিং' বা বাসগৃহৰ পৰা ভোটদানৰ ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ বাবে নিৰ্দিষ্ট প্ৰক্ৰিয়াৰে যিসকল ভোটাৰে পূৰ্বতেই জিলা প্ৰশাসনৰ ওচৰত আবেদন জনাইছিল সেইসকলকহে এই সুবিধাৰ আওতাত অন্তৰ্ভুক্ত কৰা হৈছে। জিলাখনৰ মুঠ ৩, ৯৯৭ গৰাকী ভোটাৰে এই সুবিধা গ্ৰহণ কৰিছে। ইয়াৰে ৩, ৪০৫ গৰাকী বয়োজ্যেষ্ঠ নাগৰিক আৰু ৫, ৯২ গৰাকী দিব্যাঙ্গ। ৰূপহীহাট সমষ্টিত সৰ্বাধিক ৮৫৫ গৰাকী জ্যেষ্ঠ নাগৰিক ভোটাৰে এই সুবিধা গ্ৰহণ কৰাৰ বিপৰীতে কলিয়াবৰত সৰ্বাধিক ১৭৮ গৰাকী শাৰীৰিকভাৱে বাধাগ্ৰস্ত ব্যক্তিয়ে ঘৰৰ পৰা ভোটদানৰ সুবিধা গ্ৰহণ কৰা বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে। তেওঁ জনোৱা মতে, অহা ৪ এপ্ৰিলৰ ভিতৰত এই সকলোৰে ভোটগ্ৰহণ সম্পন্ন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এক ভিডিঅ'বাৰ্তা যোগে জিলা আয়ুক্ত দেৱাশিস শৰ্মাই এই ভোটগ্ৰহণ কাৰ্যসূচীত সম্পূৰ্ণ সহযোগ আগবঢ়াবলৈ সকলোৱে প্ৰতি বিনম্ৰ আহ্বান জনাইছে। তদুপৰি তেওঁ নগাঁও জিলাত সম্পূৰ্ণ শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবেও ৰাইজৰ সহযোগ কামনা কৰি হিংসাত্মক অশুভ শক্তিসমূহক প্ৰশ্ৰয় নিদিবলৈ অনুৰোধ জনাইছে।

□ নগাধূলি চাহ বাগিচাত ৰূপেশ গোৱালাৰ নিৰ্বাচনী প্ৰচাৰ □

# আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰাককণত তৎপৰ বিজেপি

**অসম বাৰ্তা, মৰিয়নি, ৩ এপ্ৰিল ঃ** আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যজুৰি আৰম্ভ হৈছে নিৰ্বাচনী তৎপৰতা। এই নিৰ্বাচনী যুঁজত মৰিয়নি১০১ নং মৰিয়নি বিধানসভা সমষ্টিৰ বিজেপি আৰু এজিপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ হৈ প্ৰচাৰ চলাবলৈ আজি মৰিয়নি নগাধূলি চাহ বাগিচাৰ ৰাজহুৱা প্ৰেক্ষাগৃহত এক নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। এই সভাত অংশগ্ৰহণ কৰে ৰাজ্য চৰকাৰৰ শ্ৰম মন্ত্ৰী ৰূপেশ গোৱালাই। আজিৰ এই প্ৰচাৰ সভাত মন্ত্ৰীগৰাকীয়ে প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ হৈ ভোট ভিক্ষা কৰি ৰাইজক উদ্দেশ্যি কয় যে, বিজেপি চৰকাৰে চাহ জনগোষ্ঠীৰ উন্নয়নৰ বাবে লোৱা বিভিন্ন আঁচনিসমূহৰ ফলত আজি চাহ বাগিচাৰ সমাজ জীৱনত এক ইতিবাচক পৰিৱৰ্তন আহিছে। তেওঁ লগতে কয় যে, মৰিয়নিৰ সৰ্বাংগীণ উন্নয়ন আৰু চাহ বাগিচাৰ শ্ৰমিকসকলৰ সুৰক্ষা আৰু অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত ৰূপজ্যোতি কুৰ্মীৰ দৰে সাহসী বিধায়কৰ পুনৰ প্ৰয়োজন আছে। সভাত উপস্থিত থকা বৃহৎ সংখ্যক চাহ শ্ৰমিক আৰু ৰাইজক উদ্দেশ্যি শ্ৰম মন্ত্ৰী ৰূপেশ গোৱালাই কয় যে, অহা বিধানসভা নিৰ্বাচনত ৰাজ্যত পুনৰ বিজেপি চৰকাৰ প্ৰতিষ্ঠা হ'ব আৰু মৰিয়নি সমষ্টিত ৰূপজ্যোতি কুৰ্মীয়ে পূৰ্বতকৈ বিপুল ভোটত জয়ী হ'ব। আনফালে তেওঁ বিৰোধী পক্ষক কটাক্ষ কৰি কয় যে, "বিৰোধীয়ে কাউৰীক বগা দেখা পাই কিন্তু আমিহে জানো কাউৰী কলা নে বগা।" গতিকে উন্নয়নৰ ধাৰা অব্যাহত ৰাখিবলৈ বিজেপিক শক্তিশালী কৰাতো প্ৰতিগৰাকী ভোটাৰৰ দায়িত্ব। উক্ত নিৰ্বাচনী প্ৰচাৰ সভাত স্থানীয় বিজেপি নেতৃত্বৰ লগতে চাহ বাগিচাৰ বহু সংখ্যক কৰ্মী আৰু বহু ৰাইজ উপস্থিত আছিল। সভাস্থলীত উপস্থিত হোৱা শ্ৰম মন্ত্ৰীগৰাকীক দলীয় কৰ্মীসকলে উষ্ম আদৰণি জনায়।

# কংগ্ৰেছ চৰকাৰ আহিলে বাক্ স্বাধীনতা ঘূৰি আহিব

প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ। আনহাতে বিৰোধী ঐক্যৰ অন্যতম সহযোগী চিপিআই (এম) দলৰ সম্পাদক সুপ্ৰকাশ তালুকদাৰেও বিশাল নিৰ্বাচনী সভাখনত উপস্থিত থাকে। পঞ্চাছ হাজাৰ সমৰ্থকৰে পূৰিপূৰ্ণ জনসভাত গৌৰৱ গগৈ, লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি ৰাছেল হুছেইন আৰু সুপ্ৰকাশ তালুকদাৰে নিজৰ নিজৰ ভাষণত বিজেপি চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে জনসভালৈ হেলিকপ্তাৰেৰে আহি দিগন্ত বৰ্মনৰ হকে প্ৰচাৰ চলায়। গৌৰৱ গগৈয়ে ভাষণত প্ৰসংগত জনসভাৰ ছবিয়ে দিগন্ত বৰ্মনক বিপুল ভোটত জয়লাভ কৰাব বুলি কয়। গৌৰৱ গগৈয়ে ভাষণত অসমত কংগ্ৰেছ চৰকাৰ অহাটো নিশ্চত বুলি দাবী কৰি দিগন্ত বৰ্মনো বৰক্ষেত্ৰীৰ পৰা বিধায়ক হৈ চৰকাৰৰ এগৰাকী শক্তিশালী মন্ত্ৰী হ'ব বুলিও মন্তব্য কৰে। গৌৰৱ গগৈয়ে ভাষণত নতুন বৰ অসমৰ প্ৰসংগ উত্থাপন কৰি কয় যে, কংগ্ৰেছৰ নেতৃত্বত চৰকাৰ গঠন হ'লে অনাগত দিনত বাক্ স্বাধীনতা থকা এখন নতুন চৰকাৰ লাভ কৰিব জনতাই। নতুন বৰ অসমত ৰাইজে মুখ্যমন্ত্ৰীক ভয় কৰিব নালাগে। নতুন বৰ অসমৰ মুখ্যমন্ত্ৰীৰ ১২ হাজাৰ বিঘা মাটি নাথাকিব। আদানী, আম্বাণীৰ পৰিবৰ্তে দুখীয়া ভূমিহীন পৰিয়ালক ভূমি পট্টা দিব নতুন বৰ অসমে। মহিলা সৱলীকৰণৰ উদ্যেশ্যৰে মহিলাসকলক ব্যৱসায়ৰে আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ বাবে ৫০ হাজাৰ টকাকৈ দিব বুলিও কয় গৌৰৱ গগৈয়ে। এই নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মাৰ সাম্প্ৰদায়িক আৰু বিশ্বাসঘাটকতাৰ ৰাজনীতি শেষ কৰিম। হিমন্ত বিশ্বই বিশ্বাঘাটকতা কৰে। অগপৰ প্ৰফুল্ল মহন্ত, বিজেপিৰ সৰ্বানন্দ সোণোৱালক বিশ্বাসঘাটকতা কৰিলে। নতুন বৰ অসমৰ জৰিয়তে চিণ্ডিকেট আৰু গুণ্ডাগিৰিৰ বিপৰীতে মূল্যবোধৰ ৰাজনীতি কৰিব, য'ত জনতাৰ বাক্ স্বাধীনতা ঘূৰি আহিব বুলিয় কয় গৌৰৱ গগৈয়ে। হিমন্ত বিশ্ব শৰ্মাৰ জয় সহজ কৰিবলৈ আছাউদ্দিন ওৱেচিক অসমলৈ অনা হৈছে বুলিও কয় গৌৰৱ গগৈয়ে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে ভাষণ প্ৰসংগত কয়- "আগন্তুক দিনত অসমৰ মাটিৰ পৰা সাম্প্ৰদায়িক শক্তিক বিদায় দিবলৈ, জুবিন গাৰ্গক ন্যায় দিবলৈ আমি ৰাইজৰ আশিস বিচাৰিছোঁ। আজিৰ সভাই প্ৰমাণ কৰিছে যে যোৱাবাৰতকৈ এইবাৰ দিগন্ত বৰ্মনে বেছি ভোটত জয়লাভ কৰিব। বিভিন্ন প্ৰলোভন, ভয়-ভাবুকিক কেৰেপ নকৰি দিগন্ত বৰ্মনৰ সমৰ্থনত এনেদৰে ৰাইজ ওলাই আহি পৰিবৰ্তন বিচাৰিছে। আমি গৌৰৱ গগৈৰ নেতৃত্বত বিৰোধী দলে এইবাৰ চৰকাৰ বিচাৰিছোঁ। আমি ৰাইজৰ মাজত আশা দেখিছোঁ বুলিও কয় লুৰিণজ্যোতি গগৈয়ে। জাতীয়তাবাদী নেতা লুৰিণজ্যোতি গগৈয়ে ভাষণ প্ৰসংগত পুনৰ কয় যে -সাম্প্ৰদায়িক শক্তি উৎখাতৰ বাবে আমি ঐক্যবধ্য হ'ব লাগিব। শেহতীয়াভাৱে সমগ্ৰ অসমত বিজেপিক ওফৰোৱা পৰ্ব আৰম্ভ হৈছে। ৯ এপ্ৰিলত অসমত চুনামীৰ সৃষ্টি হ'ব। ইতিমধ্যেই বিজেপিক উৎখাত কৰাৰ বাবে অসমৰ ৰাইজ ওলাই আহিছে। বিজেপিয়ে ৰাইজক আঁচনিৰে ভয় ভাবুকি দেখুৱাব পাৰিব কিন্তু অসমৰ মানুহৰ ন্যায় যাত্ৰা স্তব্দ কৰিব নোৱাৰিব। অন্যায়, অবিচাৰ আৰু সম্প্ৰতিৰ বৰ ভেটিত বিভেদ আনিব বিচৰা বিজেপিক উৎখাত কৰিব লাগিব বুলি কয় লুৰিণজ্যোতি গগৈয়ে। এই চৰকাৰ জনতাৰ টেঁটু চেপা চৰকাৰ বুলি কৈ লুৰিণজ্যোতিয়ে পুনৰ কয় যে বিজেপিয়ে অসম চুক্তিৰ ৬নং দফাক নস্যাৎ কৰি ৫০ হাজাৰ বিঘা মাটি আদানি আম্বানিক গতাই দিলে। ভাতৃত্ববোধৰে জীয়াই থাকিবলৈ হ'লে বিৰোধী ঐক্যক ভোট দিব লাগিব বুলিও কয় জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে। আনহাতে চিপিআই (এম)ৰ সম্পাদক সুপ্ৰকাশ তালুকদাৰে ভাষণ প্ৰদান কৰি কয় যে- "বৰ্তমানৰ চৰকাৰখন সাধাৰণ হিন্দু মানুহৰ চৰকাৰ নহয়, কেইগৰাকীমান মন্ত্ৰীৰ চৰকাৰ। বিজেপি চৰকাৰ ধনী মানুহৰ চৰকাৰ। সাধাৰণ হিন্দু মানুহেও এইবাৰ চৰকাৰ পৰিবৰ্তন হোৱাটো বিচাৰিছে। বৰক্ষেত্ৰীৰ আজি সমাবেশে তাকেই প্ৰমাণ কৰিছে বুলিও কয়। ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি নেতা ৰাছেল হুছেইনে ভাষণ প্ৰদান কৰি কয়- বিগত পাঁচ বছৰে হিমন্ত বিশ্ব শৰ্মাই সম্পদ আহৰণত লাগি থাকিল। বিজেপি দলটোক এইবাৰ ব্ৰহ্মপুত্ৰত দলিয়াই দিব লাগিব। দিগন্ত বৰ্মনে কমেও ৩০ হাজাৰ ভোটৰ ব্যৱধানত জয়লাভ কৰিব বুলিও ৰাছেল হুছেইনে। সভাখনত সুৰকাৰ-সংগীতকাৰ তথা কংগ্ৰেছ নেতা অজয় ফুকনে জুবিন গাৰ্গৰ প্ৰসংগ উল্লেখ কৰি জুবিন গাৰ্গৰ জনপ্ৰিয় গীত "নাহৰ"কৈ ধৰি কেইবাটাও গীত পৰিবেশন কৰে। অজয় ফুকনে ভাষণত দিগন্ত বৰ্মনক ৫০ হাজাৰতকৈ অধিক ভোটত জয়যুক্ত কৰাবলৈ ৰাইজলৈ আহ্বান জনায়। আজিৰ এই বিশাল নিৰ্বাচনী সভাখনত ত্ৰিছ সহস্ৰাধিক বিৰোধী ঐক্যমঞ্চৰ কৰ্মী-সমৰ্থকক উপস্থিত থাকে। সভাত বৰক্ষেত্ৰী সমষ্টিৰ বিৰোধী ঐক্যৰ প্ৰাৰ্থী দিগন্ত বৰ্মনে ভাষণ প্ৰদান কৰি ৰাইজৰ স্বতঃস্ফুত সঁহাৰিয়ে পুনৰ এবাৰ দিশপুৰলৈ যোৱা বাট মুকলি কৰি দিছে বুলি মন্তব্য কৰে।

# অনুপ্ৰৱেশকাৰীক ৰঙাদলিচা পাৰি দিছিল কংগ্ৰেছে

বিৰুবালা ৰাভাৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ প্ৰয়াত বৰেণ্য ব্যক্তিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰি তেওঁ গোৱালপাৰাৰ মঠ-মন্দিৰসমূহৰ প্ৰতিও মূৰ দোৱাই সেৱা জনায়। ভাষণ প্ৰসংগত কংগ্ৰেছক লক্ষ্য কৰি তেওঁ কয় যে দলটোৱে নিৰ্বাচন খেলিবলৈ আহে যদিও জনজাতিৰ কল্যাণৰ কথা কেতিয়াও চিন্তা নকৰে। তেওঁ কয়, "আদিবাসী মহিলাক ৰাষ্ট্ৰপতিৰ আসনত বহুওৱাৰ কাম কেৱল মোদীজীয়েই কৰি দেখুৱাইছে। জনজাতীয় কলা-সংস্কৃতি আৰু নৃত্য-গীতক বিশ্ব দৰবাৰলৈ লৈ যাবলৈ এন ডি এ চৰকাৰে নিৰন্তৰ কাম কৰিছে।" বিহু, বাগৰুম্বা, ঝুমুইৰ নৃত্যই মোডীজীৰ দিনতেই বিশ্বসভাত স্থান লাভ কৰিছে। অসমৰ এক জ্বলন্ত সমস্যা অনুপ্ৰৱেশকাৰীৰ সন্দৰ্ভত গৃহমন্ত্ৰীগৰাকীয়ে কয়, "তৃতীয়বাৰৰ বাবে বিজেপি চৰকাৰ গঠন হ'বলৈ দিয়ক, এজন এজনকৈ অবৈধ নাগৰিকক বিচাৰি উলিয়াই দেশৰ পৰা খেদি পঠোৱা হ'ব। যোৱা দুটা কাৰ্যকালত সময় কিছু কম হ'ল যদিও ইতিমধ্যে চিনাক্তকৰণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। অহা এটা বছৰত অসমক অনুপ্ৰৱেশকাৰী মুক্ত কৰা হ'ব।" ইয়াৰ লগতে তেওঁ দাবী কৰে যে ২০১৬ চনৰ পিছত অসমত পৰিৱৰ্তন আহিছে আৰু ২০১৯ চনৰ পিছত বোমা-বাৰুদৰ ৰাজনীতি শেষ হৈ শান্তি স্থাপন হৈছে। অসমীয়া সংস্কৃতিক আগুৱাই নিয়াৰ প্ৰতিশ্ৰুতি দি তেওঁ কয় যে ৰাজ্যত পুনৰ বিজেপি চৰকাৰ হ'লে 'ইউনিফৰ্ম চিভিল ক'ড' (UCC) বলবৎ কৰা হ'ব। ৰাভা, কাৰ্বি, মিচিং, ডিমাচাকে ধৰি ছয়টা জনজাতীয় ভাষাক স্কুলীয়া পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ লগতে অসমীয়া ভাষাক 'ধ্ৰুপদী ভাষা'ৰ স্বীকৃতি দিয়াৰ ঐতিহাসিক পদক্ষেপৰ কথাও তেওঁ উল্লেখ কৰে। সভাত অমিত শ্বাহে কেইবাটাও জনকল্যাণ মূলক আঁচনি ঘোষণা কৰে। মহিলাসকলক মাহিলী ৩ হাজাৰ টকাকৈ সাহায্য প্ৰদান কৰা, কৃষকসকলে লাভ কৰি থকা ৬ হাজাৰ টকাৰ পৰিৱৰ্তে এতিয়াৰে পৰা ১১ হাজাৰ টকাকৈ লাভ কৰা। ট্ৰেক্টৰ কিনিবলৈ ৩ লাখ টকা আৰু পাৱাৰ টিলাৰৰ বাবে ৫০ হাজাৰ টকাকৈ চাবচিডি দিয়াৰ কথা ঘোষণা কৰে। প্ৰায় দহ বছৰীয়া শাসন কালত কংগ্ৰেছে একো কৰিব নোৱাৰিলে বুলি উল্লেখ কৰি কয়, এটাও ভোট যাতে কংগ্ৰেছৰ হাতত নপৰে, তাৰ বাবে ৰাইজক সজাগ হ'বলৈ তেওঁ আহ্বান জনায়। গোৱালপাৰা জিলাত ভুলতেও এখন আসনত কংগ্ৰেছ জিকিলে অঞ্চলটোৰ সৰ্বনাশ হ'ব বুলিও তেওঁ জনতাক সকীয়াই দিয়ে। সেয়েহে দুধনৈ, গোৱালপাৰা পশ্চিম, গোৱালপাৰা পূৰ সমষ্টিত কংগ্ৰেছক উৎখাত কি এনডিএ প্ৰক্ষেপিত প্ৰাৰ্থী কেইগৰাকীক পদুম ফুলৰ ছবিত ভোট দি বিপুল ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে গৃহমন্ত্ৰী অমিত শ্বাহে দুধনৈৰ জনসভাত ভাষণ প্ৰদান কৰাৰ অন্তত নিৰ্বাচনী প্ৰচাৰৰ বাবে লৈ অহা হেলিকাপ্তাৰৰ কাৰিকৰী বিজুটি হোৱাত গাড়ীৰে পলাশবাৰীৰ সভালৈ যাব লগা হয়। আজিৰ জনসভাত দুয়োগৰাকী প্ৰাৰ্থীৰ উপৰিও বিজেপি, এজিপি, বিপিএফ, ৰাভাহাছং যৌথমঞ্চৰ বিষয়ববীয়া তথা দলীয় নেতা কৰ্মী আৰু চল্লিশ হেজাৰোধিক ৰাইজ উপস্থিত থাকে।

# সৰুপথাৰত জীৱন চুতীয়াৰ

খেলপথাৰত আয়োজিত বিৰোধী মিত্ৰজোঁট তথা অসম জাতীয় পৰিষদ দলৰ মনোনীত প্ৰাৰ্থী জীৱন চুতীয়াৰ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ ললে অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে। প্ৰথমাৰস্থাত পিএমশ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত গৌৰৱ গগৈ আৰু লুৰিণজ্যোতি গগৈয়ে দিনৰ ১২মান বজাত হেলিকপ্টাৰ যোগে অৱতৰণ কৰে আৰু দুয়োকে কংগ্ৰছ, অজাপ তথা বিৰোধী ঐক্যৰ দলীয় সতীৰ্থসকলে নলনি খেলপথাৰলৈকে আদৰি নিয়ে আৰু লগে লগেই নলনি খেলপথাৰত আয়োজন কৰা এই নিৰ্বাচনী প্ৰচাৰ সভা জনসমুদ্ৰলৈ পৰিণত হয়। অগণন পুৰুষ-মহিলা, যুৱক-যুৱতী বিৰোধী মিত্ৰজোঁটৰ আটাইকেইটা দলৰ দলীয় কৰ্মী আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে জীৱন চুতীয়াৰ সভাত ভৰি পৰে। গৌৰৱ গগৈ আৰু লুৰিণজ্যোতি গগৈয়ে খেলপথাৰত উপস্থিত হৈয়েই হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আমাক জুবিন দাৰ ন্যায় লাগিবই, জুবিন দা অমৰ হওক ইত্যাদি শ্ল'গান দিয়ে আৰু মঞ্চত উঠি আসন গ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে অজাপ প্ৰাৰ্থী জীৱন চুতীয়াই গৌৰৱ গগৈ আৰু লুৰিণজ্যোতি গগৈক সম্বৰ্ধনা জ্ঞাপন কৰে আৰু ৰাইজক উদ্দেশ্যি তেখেতৰ ভাষণ আগবঢ়াই। লগতে তেখেতৰ প্ৰচাৰৰ বাবে বহুমূলীয়া সময় খৰচ কৰি সৰুপথাৰত উপস্থিত হোৱা গৌৰৱ গগৈ আৰু লুৰিণজ্যোতি গগৈক বিশেষভাৱে কৃতজ্ঞতা জনাই। জীৱন চুতীয়াই কয়- অসমত এখন ধৰ্ম নিৰপেক্ষ চৰকাৰ প্ৰতিষ্ঠা কৰি সৰুপথাৰৰ অৱহেলিত হৈ থকা গ্ৰামাঞ্চলৰ কৃষিজীৱী সৰ্বসাধাৰণ ৰাইজৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে বাট-পথ, স্বাস্থ্য, শিক্ষা সকলো দিশত সৰ্বাঙ্গীণ উন্নয়নৰ স্বাৰ্থত কাম কৰি যাম আৰু সৰুপথাৰবাসী ৰাইজে সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিলোৱা বিজেপি চৰকাৰ উৎখাত কৰি আমাক আশীৰ্বাদ কৰিব। সভাত গৌৰৱ গগৈ আৰু লুৰিণজ্যোতি গগৈয়েও সৰুপথাৰবাসী ৰাইজক উদ্দেশ্যি উদাত্ত কণ্ঠৰে সাম্প্ৰদায়িক, বিভেদকামী ৰাজনীতিৰ বিৰুদ্ধে ৰাইজক সজাগ কৰি ভাষণ প্ৰদান কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কয়-অসমত একমাত্ৰ কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটেহে ধৰ্ম নিৰপেক্ষ চৰকাৰ গঠন কৰি সৰুপথাৰৰ লগতে সমগ্ৰ অসমৰ সৰ্বাংগীণ উন্নয়ন সাধন কৰিব পাৰিব। তেখেতে শাসকীয় বিজেপি দল আৰু ড° হিমন্ত বিশ্ব শৰ্মাকো কটু সমালোচনা কৰে। তেখেতে কয় এইবাৰ অসমৰ ৰাইজে দুৰ্নীতিগ্ৰস্ত, ভ্ৰষ্টাচাৰী আৰু গৰু চিণ্ডিকেট কৰা বিজেপি চৰকাৰক অসমৰ পৰা চিৰিকালৰ বাবে বিদায় দিব। লগতে অসমত কংগ্ৰেছ চৰকাৰ গঠন হলে ১০০দিনৰ ভিতৰত জুবিন গাৰ্গৰ ন্যায় প্ৰদান কৰিব বুলি মন্তব্য কৰে। ইফালে ৰাইজক সম্বোধন কৰি উদাত্ত কণ্ঠৰে লুৰিনজ্যোতি গগৈয়েও তেওঁৰ ভাষণত কয়- সৰুপথাৰ সমষ্টিত থকা বিধায়কজন মুখ্যমন্ত্ৰী গৰাকীৰ কামকাজ চাবলৈহে আছে। সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিলাই সমাজখন থানবান কৰা বিজেপি দল আৰু বিধায়ক সকলোকে এইবাৰ ওফৰাই পেলোৱাটোৱেই সময়ৰ আহ্বান। গতিকে জুবিন গাৰ্গৰ আদৰ্শৰে সমাজখন গঢ়ি তুলি সকলোৰে মাজত ভাতৃত্ববোধ অটুট ৰাখি সম্প্ৰীতিৰ মাজেৰে পুনৰ অসমখনক আগুৱাই লৈ যাব লাগিব। যাৰবাবে এইবাৰ সৰুপথাৰৰ ৰাইজে অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী জীৱন চুতীয়াক বিপুল ভোটৰ ব্যৱধানত জয়ী কৰোৱাৰ অঙ্গীকাৰ কৰিছে বুলি মত আগবঢ়াই। জীৱন চুতীয়াৰ নিৰ্বাচনী প্ৰচাৰ সভাখনত গৌৰৱ গগৈ, লুৰিণজ্যোতি গগৈ আৰু প্ৰাৰ্থী জীৱন চুতীয়াৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ দুৰ্যোগ সাহায্য আৰু পুনৰসংস্থাপন বিভাগৰ উপাধ্যক্ষ অমৃত বুঢ়াগোহাঁই, গোলাঘাট জিলা কংগ্ৰেছৰ উপ-সভাপতি ৰত্ন গগৈ, ব্লক কংগ্ৰেছৰ সভাপতি বিজন ফুকন, অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সম্পাদক পল্লৱ চেতিয়া, অসম জাতীয় পৰিষদৰ গোলাঘাট জিলাৰ সম্পাদক ৰাজু ফুকনকে ধৰি বিৰোধী মিত্ৰজোঁটৰ আটাইকেইটা দলৰে বহুসংখ্যক নেতা আৰু বিষয়ববীয়া উপস্থিত থাকে।

# বিজেপিৰ শাসন ব্যৱস্থাক লৈ অসন্তুষ্ট অসমৰ চাহ

কৰে ঝাৰখণ্ডৰ কৃষি, পশুপালন আৰু সমবায় বিভাগৰ মন্ত্ৰী শিল্পী নেহা তিৰ্কীয়ে। ডিব্ৰুগড়ৰ টী কাউণ্টিত অনুষ্ঠিত সংবাদমেলত মন্ত্ৰী শিল্পী নেহা তিৰ্কীয়ে লগতে কয় যে, বিজেপিয়ে নিৰ্বাচনৰ পূৰ্বে যিবোৰ প্ৰতিশ্ৰুতি দি শাসনলৈ আহিছিল, ক্ষমতা পোৱাৰ পাছত এটাও প্ৰতিশ্ৰুতি পূৰণ কৰা নাই। বিজেপিয়ে শাসনলৈ আহিয়েই চাহ বাগিচাৰ শ্ৰমিকসকলক ক্ষতি কৰিব পৰা বহু আইন সংশোধন কৰিছে। ২০২২ চনত চৰকাৰে 'আসাম ফিশ্যেন অৱ চিলিং অন লেণ্ড এক্ট-১৯৫৬' সংশোধন কৰিছিল। এই আইনখন সংশোধনৰ জৰিয়তে চাহ বাগিচাৰ ১০ শতাংশ মাটিত বাণিজ্যিক কাৰ্যকলাপ চলাব পাৰি বুলি অনুমতি দিয়া হৈছে। ইয়াৰ ফলত বৃহৎ পৰিসৰত চাহ বাগিচাত হোটেল আৰু ৰিজৰ্ট খোলা হৈছে। বাগিচাত বসবাস কৰা আৰু কাম কৰা শ্ৰমিক- কৰ্মচাৰীসকল যথেষ্ট চিন্তিত। তেওঁলোকে নিজৰ চাকৰি হেৰুৱাৰ আশংকাত ভুগিছে। বন্যহস্তী কৰিড'ৰ অঞ্চলত, বিশেষকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু কাৰ্বি আংলংৰ মাজৰ অঞ্চলতো এইধৰণৰ বাণিজ্যিক কাৰ্যকলাপৰ বিৰুদ্ধে স্থানীয় লোকে আপত্তি জনাই প্ৰতিবাদ কৰিছে। কিন্তু তেওঁলোকৰ কথা শুনিবলৈ কাৰো আহৰি পোৱা নাই, কাৰণ চৰকাৰে নিয়মেই সলনি কৰি দিছে—মাত্ৰ নিজৰ কৰ্প'ৰেট গোষ্ঠী আৰু ব্যৱসায়ীসকলক উপকৃত কৰাতহে গুৰুত্ব প্ৰদান কৰিছে। বিজেপিয়ে চাহ জনগোষ্ঠী, চাহ বাগিচাৰ শ্ৰমিকৰ লগতে অসমৰ সম্পূৰ্ণ মাটি বৃহৎ পুঁজিপতিক গতাই দিছে। একেটা প্ৰসংগত বিজেপি চৰকাৰৰ বিৰূদ্ধে অভিযোগ উত্থাপন কৰি তিৰ্কীয়ে আৰু কয় যে, তেল আহৰণৰ বাবে বিঘাই বিঘাই বাগিচাৰ মাটি অধিগ্ৰহণ কৰিছে। তিনিচুকীয়া জিলাৰ দীঘলতৰং নামৰ চাহ বাগিচাত প্ৰায় ১৪৫ বিঘা মাটি অধিগ্ৰহণ কৰা হৈছে। কিন্তু এই অধিগ্ৰহণৰ সময়ত কৰ্মচাৰী বা স্থানীয় লোকসকলৰ সৈতে কোনো আলোচনা কৰা হোৱা নাই, আৰু তেওঁলোকৰ পুনৰসংস্থাপন বা ক্ষতিপূৰণৰ কোনো ব্যৱস্থাও কৰা হোৱা নাই। এইটো কেৱল এটা উদাহৰণ। এইদৰে বহু চাহ বাগিচাত আইন-কানুন উপেক্ষা কৰি তেল আহৰণৰ বাবে বাগিচাৰ মাটি অইলক গতাই দিয়া হৈছে। ২০২৪ চনত ডাঙৰ পৰিসৰৰ তেল আহৰণৰ ফলত গেছ নিৰ্গমন আৰু প্ৰদূষণ বৃদ্ধি পাইছে, যাৰ ফলত চাহ বাগিচাৰ মূল প্ৰাকৃতিক পৰিৱেশ নষ্ট হৈছে। এইবোৰ অত্যন্ত উদ্বেগজনক বিষয়। অসমৰ চাহ বহিৰাজ্যত নিলাম ব্যৱস্থাক লৈয়ো প্ৰশ্ন উত্থাপন কৰি মন্ত্ৰী তিৰ্কীয়ে কয়, অসমত চাহ উৎপাদন হয়, কিন্তু নিলাম কলকাতাত কৰা হয়—ই কিয়? পশ্চিমবঙ্গত উৎপাদন ২৫ শতাংশতকৈও কম। তথাপি 'ডাবল ইঞ্জিন' চৰকাৰ থকাৰ পাছতো বিগত ১০ বছৰত চাহ নিলাম কেন্দ্ৰ অসমলৈ আনিবলৈ কোনো চেষ্টা কৰা হোৱা নাই। এইবোৰ চালে স্পষ্ট হয় যে বহুদিন ধৰি নিয়ম-কানুন উপেক্ষা কৰি চাহ বাগিচাসমূহ ব্যৱসায়ী সকলৰ হাতত গতাই দিয়া হৈছে। ইয়াৰ ফলত স্থানীয় মানুহৰ জীৱন-জীৱিকা বিপদত পৰিছে। যদি এই চৰকাৰ পুনৰ আহে, তেন্তে এই প্ৰক্ৰিয়া অব্যাহত থাকিব আৰু স্থানীয় লোকসকলৰ নিজৰ কোনো মাটিও নাথাকিব। এই ভয় আৰু চিন্তাৰ বাবেই মানুহে পৰিবৰ্তন বিচাৰে, আৰু সেই পৰিবৰ্তন তেওঁলোকে গৌৰৱ গগৈ আৰু কংগ্ৰেছ দলত দেখে। ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰী তিৰ্কীয়ে কয়, মানুহৰ মনত সন্দেহ আছে—কংগ্ৰেছ আহিলে তেওঁলোকৰ বাবে কি কৰিব? কিন্তু পূৰ্বতে তৰুণ গগৈৰ চৰকাৰৰ সময়তো এই বিষয়ত বহু কাম কৰা হৈছিল। প্ৰস্তাৱ গৃহীত কৰি বিষয়টো 'ৰেজিষ্টাৰ জেনেৰেল অফইণ্ডিয়া' লৈ প্ৰেৰণ কৰা হৈছিল। কোনো জনগোষ্ঠীক অনুসূচীত জনজাতিৰ মৰ্যাদা দিবলৈ ৰেজিষ্টাৰ জেনেৰেল অফ ইণ্ডিয়াই তালিকা প্ৰস্তুত কৰে। বিগত ১০ বছৰত বিজেপি চৰকাৰে এই ক্ষেত্ৰত কোনো গুৰুত্ব নিদিলে। আমাৰ চৰকাৰ আহিলে, যিসকল জনগোষ্ঠীয়ে ইতিমধ্যে আন ৰাজ্যত এই মৰ্যাদা পাইছে, তেওঁলোককো একে অধিকাৰ দিয়াৰ বাবে আমি দৃঢ় প্ৰচেষ্টা কৰিম। আমাৰ উদ্দেশ্য স্পষ্ট—যিসকলে যি অধিকাৰৰ যোগ্য, তেওঁলোকক সেই অধিকাৰ প্ৰদান কৰিবলৈ আমি নিষ্ঠাৰে কাম কৰিম।

# বিজেপি থাকিলেহে অসমীয়া

নিৰ্বাচনৰ প্ৰচাৰ অভিযান আগন্তুক ৭ এপ্ৰিলত সামৰণি পৰাৰ প্ৰাকক্ষণত ৰাজ্যৰ প্ৰতিটো ৰাজনৈতিক দলে নিজ নিজ প্ৰাৰ্থী সকলৰ সমৰ্থনত হাই-প্ৰফাইল নেতাৰ যোগেদি নিৰ্বাচনী প্ৰচাৰ জোৰদাৰ কৰি তুলিছে। সমান্তৰালভাৱে মাজুলী বিধানসভা সমষ্টিতো তাৰকা প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ অব্যাহত আছে। সেই অনুসৰি আজি মাজুলীৰ সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী ভুৱন গামৰ হৈ মাজুলীত দুখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মাৰ্ঘেৰিটাৰ পৰা পোনে পোনে হেলিকপ্টাৰ যোগে মাজুলীৰ গড়মূৰ কাছাৰী ময়দানৰ অস্থায়ী হেলিপেডত অৱতৰণ কৰি পোনেই মাজুলীৰ জেংৰাইমুখ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প ক্ষেত্ৰত ভুৱন গামৰ সমৰ্থনত প্ৰথমখন নিৰ্বাচনী প্ৰচাৰ সভা সম্বোধন কৰি সৰ্বানন্দ সোণোৱাল মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ মুকলি প্ৰেক্ষাগৃহত অনুষ্ঠিত ভুৱন গামৰ আনখন প্ৰচাৰ সভাত উপস্থিত হয়। মাজুলীৰ জ্যেষ্ঠ নাগৰিক সকলৰ লগতে নেতৃস্থানীয় ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত সভাখনৰ আৰম্ভণিতে আদৰণি ভাষণ আগবঢ়াই প্ৰাৰ্থী ভুৱন গামে মূলতঃ মাজুলীৰ আধৰুৱা কাম সমূহ ধাৰাবাহিকভাৱে আগুৱাই নিবলৈ পুনৰবাৰ ৰাইজৰ আস্থা কামনা কৰে। ইয়াৰ পিছতেই ৰাইজক সম্বোধন কৰি মাজুলীৰ প্ৰাক্তন বিধায়ক, প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় মাজুলীৰ সকলো শ্ৰেণীৰ ৰাইজৰ প্ৰতি সমদৃষ্টি ৰাখি কাম কৰাৰ নিমিত্তে আমি মাজুলীৰ বিজেপিৰ প্ৰাৰ্থী গৰাকীক বিধানসভাৰ মজিয়া লৈ প্ৰেৰণ কৰিব লাগিব। মাজুলীৰ ৰাইজৰ এই গুৰুদায়িত্ব গ্ৰহণ কৰাৰ সময় আহিল। প্ৰতিটো নিৰ্বাচনৰ দৰে এইবাৰো মাজুলীৰ ৰাইজে সকলো জানি বুজি সিদ্ধান্ত ল'ব। মাজুলীৰ সমাজখন সাংস্কৃতিকভাৱে, বৌদ্ধিক ভাৱে, আধ্যাত্মিক ভাৱে বহুত আগৰণুৱা। ইতিমধ্যে এই পৰিচয় কেৱল অসমতেই নহয় বিশ্বৰ বুকুত বুটলিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি তেওঁ কয় মাজুলীলৈ যেতিয়া দেশ বিদেশৰ পৰ্যটক আহে তেতিয়া ইয়াত বিভিন্ন জাতি জনগোষ্ঠীৰ কৃষ্টি সংস্কৃতিৰ উপাদান সমূহ যেতিয়া আপোনালোকে মঞ্চস্থ কৰে, ইয়াৰ সাংস্কৃতিক যিটো শক্তিশালী ৰূপ এই দৃশ্যপট প্ৰত্যক্ষ কৰাৰ বাবে দেশ-বিদেশৰ পৰ্যটকসকলে আহি প্ৰকৃত মাজুলীখনক আৱিষ্কাৰ কৰে আৰু ইয়াৰ পৰাই এটা শক্তিশালী বাৰ্তা কঢ়িয়াই তেখেতসকলে নিজ নিজ গৃহলৈ উভতি যায়। মাজুলীত এতিয়াও সাতামপুৰুষীয়া পৰম্পৰা মূল্যবোধ জীয়াই ৰখাৰ যি মহৎ পদক্ষেপ লৈছে এয়া নিশ্চিত ভাৱে প্ৰশংসনীয় বুলি তেওঁ উল্লেখ কৰে। ইফালে ২০১৬ চনত মাজুলীৰ ৰাইজে ভোট দি নিৰ্বাচিত নকৰা হ'লে তেওঁ মুখ্যমন্ত্ৰী প্ৰাৰ্থী হ'লেও কেতিয়াও তেওঁ মুখ্যমন্ত্ৰী হ'ব নোৱাৰিলেহেতেন বুলি উল্লেখ কৰি তেওঁ সৰ্বানন্দ সোণোৱালৰ ৰাজনৈতিক জীৱনত মাজুলীবাসীৰ অৱদানক কেতিয়াও নাপাহৰো বুলি তেওঁ উল্লেখ কৰে। তেওঁ মাজুলী মোৰ মা', মাজুলী মোৰ আই বুলি লগতে উল্লেখ কৰে। ইফালে এগৰাকী জনপ্ৰতিনিধিৰ সৰলতা, নম্ৰতাটো এটা ডাঙৰ ব্যক্তিত্বৰ সম্পদ। যিকোনো মানুহে যিকোনো সময়তে জনপ্ৰতিনিধিৰ ওচৰলৈ গৈ মনৰ কথা ব্যক্ত কৰাৰ পৰিৱেশটো যদি জনপ্ৰতিনিধি গৰাকীৰ ব্যক্তিত্বই প্ৰদান কৰে তেতিয়া জনতা নিশ্চিতভাৱে আনন্দিত হয়। এনে এক ব্যক্তিত্বৰ অধিকাৰী মাজুলীৰ ভুৱন গাম বুলি তেওঁ উল্লেখ কৰে। ইফালে অসমৰ প্ৰশাসনিক জগতক সুকীয়া পৰিচয়ৰে মাজুলীক জিলা হিচাপে বহুদিনৰ পৰা মনপ্ৰাণে দাবী কৰি আহিছিল আৰু মাজুলীক জিলা হিচাপে ঘোষণা কৰাটো মোৰ কাৰ্যকালত সাগৰ সদৃশ আনন্দ বুটলাৰ অন্যতম এটা পদক্ষেপ আছিল বুলি তেওঁ উল্লেখ কৰে। ইফালে কংগ্ৰেছৰ ৫৫ বছৰীয়া শাসন কালত মাজুলীত হোৱা উন্নয়ন আৰু বিজেপিৰ দহটা বছৰৰ শাসনৰ উন্নয়নৰ তুলনামূলক বিশ্লেষণ আগবঢ়াই সোণোৱালে কয় ভুৱন গাম জয়যুক্ত হ'লে তেওঁ অকলে কাম কৰিব নালাগে ময়ো লগতে থাকিম বুলি উল্লেখ কৰে। তেওঁ কয় আমি দুয়োজনে মিলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে মিলি মাজুলীত লাগতিয়াল আৰু অনুষ্ঠান -প্ৰতিষ্ঠান আনিব লাগিব আৰু মাজুলীক আটাইতকৈ আকৰ্ষণীয় পৰ্যটকৰ কেন্দ্ৰ বিন্দু হিচাপে মাজুলীক গঢ়ি তুলিব লাগিব বুলি তেওঁ উল্লেখ কৰে। সোণোৱালে মাজুলীৰ বিজেপি প্ৰাৰ্থী ভুৱন গামক পুনৰবাৰ নিৰ্বাচিত কৰিবলৈ ৰাইজক আহ্বান জনাই ভুৱন গামে আগন্তুক দিন ভাল কাম কৰিবই লাগিব বুলি উল্লেখ কৰি তেৰোঁ ৰাইজৰ লগতে এই ক্ষেত্ৰত তীক্ষ্ণ দৃষ্টি ৰাখিব বুলি উল্লেখ কৰে। ইফালে সভাৰ শেষত সাংবাদিকৰে মুখামুখি হৈ সোণোৱালে কয় যে বিজেপি চৰকাৰৰ শাসনত ৰাজ্যৰ ৰাইজ আশ্বস্ত হৈছে আৰু অসমত তৃতীয়বাৰৰ বাবে পুনৰ বিজেপি চৰকাৰ গঠন হোৱাটো ৰাইজে বিচাৰিছে। তেওঁ লগতে উল্লেখ কৰে যে বিজেপি থাকিলেহে অসমীয়া জাতীয় জীৱনৰ অস্তিত্ব সুৰক্ষিত হৈ থাকিব। ইফালে সাংবাদিকৰ আগত মত প্ৰকাশ কৰি সোণোৱালে কয় যে মাজুলীৰ বিজেপি প্ৰাৰ্থী ভুৱন গামৰ সৰলমনা আৰু স্বচ্ছ ব্যক্তিত্বই ইতিমধ্যে ৰাইজক গভীৰভাৱে আকৃষ্ট কৰিছে বুলি লগতে উল্লেখ কৰে। সভাখনত জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী, বিজেপি নেতা মনোজ কুমাৰ বৰা, বিজেপি ৰাজ্যিক সম্পাদক বিতুপন দলে, বিজেপি মধ্য মাজুলী মণ্ডলৰ সভাপতি উৎপল ভেৰুৱা, উজনী মাজুলী মণ্ডল বিজেপি সভাপতি ৰাজমোহন পেগু, নীল দলে, তৈলোক্য পামেগাম প্ৰমুখ্যে বিজেপি, অগপ, সন্মিলিত গণশক্তি অসমৰ মাজুলী জিলাৰ নেতা কৰ্মীসকল উপস্থিত থাকে।

# মুছলমানসকল হিমন্ত বিশ্ব

নিৰ্বাচনী প্ৰচাৰ অভিযান জোৰদাৰ কৰি তুলিছে। সমান্তৰালভাৱে আজি জনীয়াৰ ফখৰুদ্দিন আলী আহমেদ মেম'ৰিয়েল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল খেল পথাৰত এ আই ইউ ডি এফৰ এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে হায়দৰাবাদৰ সাংসদ তথা এ আই এম আই এমৰ সভাপতি বেৰিষ্টাৰ আছাদ উদ্দিন ওৱেইছী। ওৱেইছীয়ে ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ক্ষুৰধাৰ সমালোচনা কৰি কয় যে, আমি মুছলমানসকল হিমন্ত বিশ্ব শৰ্মালৈ ভয় কৰিবলৈ মাকৰ গৰ্ভত জন্ম লোৱা নাই। তুমি যিমান পাৰা জুলুম কৰি যোৱা এদিন জালিমৰ অৱসান হ'ব। মৌলনা বদৰুদ্দিন আজমলক পৰাজিত কৰাৰ বাবে সংসদত লৰাই কৰিবলৈ মোৰ শক্তি কমিছে। যেতিয়াই বিজেপি চৰকাৰে মুছলমানৰ বিৰুদ্ধে পদক্ষেপ লবলৈ গৈছিল তেতিয়াই মই আৰু বদৰুদ্দিন আজমলে সিংহৰ দৰে গৰজি উঠিছিলো, কিন্তু এতিয়া মই অকলে সেই কাম কৰিব লগীয়া হৈছে। বৰপেটা লোকসভাৰ পৰা আপোনালোকে যাক নিৰ্বাচিত কৰি পঠাইছে তেওঁ আপোনালোকৰ সমস্যাৰ কথা নকয়, তেওঁ সদনত কেৰম খেলৰ কথা কৈ থাকে। মৌলানা বদৰুদ্দিন আজমলৰ এ আই ইউ ডি এফ দল অসমৰ মুছলমানৰ কাৰণে অত্যন্ত আৱশ্যক। মই যেতিয়া শুনিবলৈ পাঁও এ আই ইউ এফ দল সংকটত আছে তেতিয়াই মোৰ দুখ হয়, কাৰণ এ আই ইউ এফ নিপীড়িত, লাঞ্চিত, বঞ্চিত লোকৰ হৈ মাত মাতি আহিছে। এইবাৰ অসমত এ আই ইউ ডি এফক বাদ দি কোনেও চৰকাৰ গঠন কৰিব নোৱাৰে। তাৰ বাবে আপোনালোকে তলা চাবিৰ বুটাম টিপি বিপুল ভোটৰ ব্যৱধানত ড° ৰফিকুল ইছলামক জয়ী কৰিব। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী শ্বেৰমান আলী সন্দৰ্ভত আছাদ উদ্দিন ওৱেইছীয়ে কয় যে, শ্বেৰমান আলী আহমেদে নিৰ্বাচনত মেউজিক চিয়াৰ খেলি আছে। প্ৰথমে ইউ ডি এফ, তাৰ পাছত কংগ্ৰেছ, কংগ্ৰেছৰ পাছত ৰাইজৰ দল, ৰাইজৰ পাছত তৃণমূল, তৃণমূল তথা নিৰ্বাচনৰ পাছত তেওঁ বিজেপিত যাব। কাৰণ শ্বেৰমান আলী আহমেদ ড° হিমন্ত বিশ্ব শৰ্মাৰ বাহুতে থাকে আৰু হিমন্ত বিশ্ব শৰ্মাৰ সৈতে শ্বেৰমান আলী আহমেদৰ এটা ভাল সম্পৰ্ক আছে। ইপিনে ছাত্ৰ সন্থা কৰি থকাৰ সময়ত যিজন লুৰিণজ্যোতি গগৈয়ে মুছলমানৰ নাম এন আৰ চিৰ পৰা কৰ্তন কৰিবলৈ উচ্চতম ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল সেইগৰাকী নেতাৰ লগত মিত্ৰতা কৰাৰ পাছত কংগ্ৰেছ দলে মুছলমানৰ ভোট ভিক্ষা খুজাৰ অধিকাৰ নাই। এনেদৰেই আছাদ উদ্দিন ওৱেইছীয়ে বিজেপি, কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ আদি কৰি সকলোকে চোকা সমলোচনাৰে থকা সৰকা কৰা পৰিলক্ষিত হয়। সভাত দক্ষিণ সালমাৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা আজমল পুত্ৰ আব্দুৰ ৰহিম আজমল, ইউ ডি এফৰ প্ৰাৰ্থী ৰফিকুল ইছলাম, বৰপেটা ইউ ডি এফৰ বৰপেটা জিলা কমিটিৰ সাধাৰণ খন্দকাৰ আশ্ৰাফুল মামুনকে ধৰি কেইবাগৰাকীও নেতা- কৰ্মীয়ে উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

# এইবাৰ অসমৰ মানুহে বিজেপিক ব্ৰহ্মপুত্ৰত

ভোটাৰক আকৰ্ষণ কৰাৰ যুঁজ চলি থকাৰ মাজতে দলগাঁৱত ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বিজেপি আৰু এআইইউডিএফক তীব্ৰ আক্ৰমণ কৰিছে। বিৰোধী ঐক্যৰ প্ৰাৰ্থী আজিজুৰ ৰহমানৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই অখিল গগৈয়ে কয় যে, উজনি অসমৰ সকলো মানুহে ইতিমধ্যে সিদ্ধান্ত লৈছে — এইবাৰ বিজেপিক ব্ৰহ্মপুত্ৰত দলিয়াই পেলাব লাগে। তেওঁ আশা প্ৰকাশ কৰে যে নামনি অসমৰ মানুহেও এইবাৰ বিজেপিৰ বিৰুদ্ধে স্পষ্ট অৱস্থান গ্ৰহণ কৰিব। সকলোৰে মিলিত প্ৰয়াসেৰে বিজেপিক পৰাজিত কৰি ৰাইজৰ দল, কংগ্ৰেছ আৰু জাতীয় পৰিষদৰ যৌথ চৰকাৰ গঠন কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। অখিল গগৈয়ে এআইইউডিএফ আৰু তাৰ নেতা বদৰুদ্দিন আজমলকো তীব্ৰ সমালোচনা কৰি কয়, "আমি হিন্দু সাম্প্ৰদায়িকতাৰ যিদৰে বিৰোধিতা কৰোঁ, ঠিক তেনেকৈয়ে মুছলমান সাম্প্ৰদায়িকতাৰো বিৰোধিতা কৰোঁ। হিন্দু সাম্প্ৰদায়িক দলৰ নেতা হিমন্ত বিশ্ব শৰ্মাক যেনেকৈ খেদি পঠিয়াব খোজোঁ, তেনেকৈয়ে মুছলমান সাম্প্ৰদায়িক দলৰ নেতা বদৰুদ্দিন আজমলকো খেদি পঠিয়াব খোজোঁ।" ভাষণ প্ৰসংগত তেওঁ এআইইউডিএফৰ সম্পৰ্কে এক তীক্ষ্ণ মন্তব্য কৰি কয়, "এআইইউডিএফৰ তলা থাকে চাচা (আজমল)ৰ ওচৰত আৰু চাবি থাকে হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত। হিমন্তই চাবি ঘূৰাই দিলে চাচাই মুখেৰে কথা কয়, আৰু হিমন্তই যেতিয়া বন্ধ কৰি দিয়ে, চাচা মনে মনে থাকে।" দলগাঁও সমষ্টিত এআইইউডিএফৰ প্ৰাৰ্থী মজিবুৰ ৰহমানক তেওঁ হিমন্ত বিশ্ব শৰ্মাৰ 'দালাল' বুলি কটাক্ষ কৰে। লগতে আজিজুৰ ৰহমানক হৰুৱাবলৈ মজিবুৰ ৰহমানে আইনুল হকক নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা বুলিও অভিযোগ তোলে। আছাদুদ্দিন ওৱেইছিৰ দলগাঁৱলৈ অহাৰ সন্দৰ্ভত অখিল গগৈয়ে কয়, "বিজেপি আৰু আৰএছএছৰ নিৰ্দেশত আজি ওৱেইছি নামৰ মানুহজনে প্ৰচাৰ চলাবলৈ আহিছে। কিন্তু অসমৰ মানুহে আছাদুদ্দিন ওৱেইছিক পাত্তা নিদিয়ে। তেওঁ আহিব, প্ৰচাৰ কৰিব আৰু যাব। তেওঁৰ পৰা কাৰো একো লাভ নহ'ব।" উল্লেখ্য যে, দলগাঁৱৰ এই নিৰ্বাচনী প্ৰচাৰ সভাত বিৰোধী দলসমূহৰ কেইবাগৰাকীও নেতা উপস্থিত আছিল। ৰাজ্যজুৰি নিৰ্বাচনী যুঁজ তীব্ৰ হৈ থকাৰ সময়ত অখিল গগৈৰ এই ভাষণে বিৰোধী ঐক্যৰ মাজত নতুন উদ্দীপনা সৃষ্টি কৰিছে বুলি ধাৰণা কৰা হৈছে।

# কংগ্ৰেছ, AIUDFএ অসমীয়া সংস্কৃতি ধ্বংস কৰিছেঃ যোগী

কৰিছে। লাচিত বৰফুকনৰ পৰাক্ৰম ভাৰতৰ শক্তিৰ প্ৰতীক। সেই অসমত এনডিএৰ দ্বৈত ইঞ্জিনৰ চৰকাৰে বিকাশৰ ঢল নমাইছে। ড০ ভূপেন হাজৰিকাৰ দৰে সন্তা ভাৰতৰ গৌৰৱ। গোপীনাথ বৰদলৈক ভাৰতৰত্ন দিছিল নৰেন্দ্ৰ মোদীৰ চৰকাৰ। সেই এনডিএ চৰকাৰে দহ বছৰতে অসমত উন্নয়ন বহু ওপৰলৈ লৈ গৈছে। ইয়াৰ বিপৰীতে কংগ্ৰছৰ চৰকাৰে অসমৰ ইতিহাসক অপমানিত কৰিছিল বুলি মন্তব্য কৰি উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে উন্নয়ন দূৰত থৈ দিছিল কংগ্ৰেছে। আজি অসমৰ যোগাযোগ ব্যৱস্থাত অভাৱনীয় পৰিৱৰ্তন আহিছে। এনডিএ চৰকাৰে অনুপ্ৰৱেশকাৰী বিতাড়নৰ ক্ষিপ্ৰ ব্যৱস্থা লৈছে। ইয়াৰ বিপৰীতে এআইইউডিএফে অনুপ্ৰৱেশকাৰীক ৰক্ষণাবেক্ষণ দি আহিছে। কংগ্ৰেছে ইয়াত সহযোগ কৰি আহিছে। অসমৰ জনগাঁথনি সলনি কৰাৰ এই ষড়যন্ত্ৰক বিজেপি চৰকাৰে ব্যৰ্থ কৰি যাব বুলিও যোগী আদিত্যনাথে কয়। কংগ্ৰেছ আৰু ইয়াৰ সহযোগী দলে ৰামৰ অস্তিত্বকে নস্যাৎ কৰিব বিচাৰিছিল। উত্তৰ প্ৰদেশত আজি দংগা নাই। পথত কোনেও নামাজ নপঢ়ে। শব্দ নাহে বিশেষ পক্ষৰ। আইন ভংগকাৰীৰ সম্পত্তি জব্দ কৰি দুখীয়া, দলিতক ভগাই দিয়া হয়। পুনৰ অসমৰ নিৰ্বাচনৰ সন্দৰ্ভত তেওঁ কয় যে কংগ্ৰেছে ইতিমধ্যে নিৰ্বাচনী যুঁজৰ খেলপথাৰ এৰি পলায়ন কৰিছে। সভাখনত প্ৰাৰ্থী দীপক কুমাৰ দাসক বিপুল ভোটত জয়যুক্ত কৰিবলৈ তেওঁ ৰাইজক আহ্বান জনায়। সভাত বৰপেটা জিলা ভাৰতীয় জনতা পাৰ্টী আৰু অসম গণ পৰিষদৰ নেতৃবৃন্দও উপস্থিত থাকে। অসমৰ ভূমিত লাভ জেহাদ, ভূমি জেহাদ নচলিব। কংগ্ৰেছ, এআইইউডিএফৰ ষড়যন্ত্ৰক ওফৰাব লাগিব। উত্তৰ প্ৰদেশত যোৱা দহ বছৰত এটাও ডংগা নাই। কাৰ্ফিউ নাই। চাহ শ্ৰমিকৰ বাবে পেকেজৰ ব্যৱস্থা কেৱল বিজেপিয়েহে কৰিব পাৰে। কংগ্ৰেছ অথবা এআইইউডিএফে নোৱাৰে বুলি তেওঁ কয়। অসমৰ জনগাঁথনি সলনি হবলৈ দিয়া নহব বুলিও সকীয়াই দিয়ে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীগৰাকীয়ে। সভাত বৰপেটা জিলা ভাৰতীয় জনতা পাৰ্টিৰ উচ্চস্তৰীয় বিষয়ববীয়া সকলৰ লগতে অসম গণ পৰিষদৰ নেতৃবৃন্দ উপস্থিত থাকে।

# উজনি অসমত মাত্ৰ ৫টা সমষ্টিতহে জিকিব বিজেপি

ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বিৰোধী ঐক্যৰ প্ৰাৰ্থীসকলৰ হয়ে সমষ্টিৰ পৰা সমষ্টিলৈ ঘূৰি নিৰ্বাচনী প্ৰচাৰ চলাই আছে। শুকুৰবাৰে ৪১ নং মানাহ বিধানসভা সমষ্টিৰ জালাহত বিৰোধী ঐক্য আৰু ৰাইজৰ দলৰ প্ৰাৰ্থী অঞ্জন তালুকদাৰৰ হয়ে নিৰ্বাচনী সভাত ভাষণ দিয়ে অখিল গগৈয়ে। সভাত তেওঁ বিপিএফ আৰু ইউপিপিএল দলে জনজাতীয় প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ তীব্ৰ সমালোচনা কৰে। লগতে এই সমষ্টিত এজন অসমীয়া যুৱকক প্ৰাৰ্থী কৰি ৰাইজৰ দলে অসমীয়া লোকসকলৰ স্বাৰ্থ আৰু সমস্যা বিধানসভাত উত্থাপন কৰিব বুলি আশ্বাস প্ৰদান কৰে। প্ৰচাৰ সভাত অখিল গগৈয়ে বিজেপি চৰকাৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে। তেওঁ কয়, "বিজেপিয়ে ওফাইদাং মাৰি ১২৬টা সমষ্টিতে জয়লাভ কৰিব বুলি দাবী কৰিছে। কিন্তু বাস্তৱত উজনি অসমত এইবাৰ বিজেপিয়ে মাত্ৰ ৫টা সমষ্টিতহে জিকিব। ৪৬টা আসনৰ ভিতৰত সৰ্বাধিক ১৩টা আসনলৈকে বৃদ্ধি পাব পাৰে। আমি কিন্তু ন্যূনতম ৩৩টা সমষ্টিত জয়লাভ কৰিম। নামনি অসমৰ সংখ্যালঘু এলেকাবোৰো আমাৰ অনুকূলে আছে। গতিকে ৰাইজ নিশ্চিন্ত হওক — ২০২৬ চনত অসমৰ মানুহে হিমন্ত বিশ্ব শৰ্মাক নহয়, গৌৰৱ গগৈক মুখ্যমন্ত্ৰী কৰিব।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ কটাক্ষ কৰি অখিল গগৈয়ে কয়, "হিমন্ত বিশ্ব শৰ্মাৰ মাথাটো ঘোলা হৈ গৈছে। তেওঁৰ মুখ শুকাই গৈছে, ক'লা পৰি গৈছে আৰু চুলি সৰি গৈছে। মোক গালি পাৰোতে দেখিছোঁ যে তেওঁৰ আগৰ চুলি এডালো নাই, লগোৱা চুলি কেইডালমানহে আছে আৰু সেইবোৰো মোক লৈ চিন্তিত হৈ ঠিয় হৈ গৈছে।" তেওঁ আৰু কয়, "এতিয়া হিমন্ত বিশ্ব শৰ্মাই সকলোতে মুছলমান দেখে, গো-মাংস দেখে, হিন্দু-মুছলমান দেখে। তেওঁ জানে যে ২০২৬ চনত অসমৰ ৰাইজে তেওঁক মুখ্যমন্ত্ৰীৰ গাদীৰ পৰা খেদিব খোজে।" লগতে হিমন্ত বিশ্ব শৰ্মাক অপৰাধী বুলি উল্লেখ কৰি ক্ষমতা হেৰুৱাৰ পাছত যিকোনো সময়তে জে'ললৈ যাব বুলিও কটাক্ষ কৰে অখিল গগৈয়ে। জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয়, "যদি হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হৈ থাকে তেন্তে জুবিন দাই কেতিয়াও ন্যায় নাপাব। জুবিন দাই ন্যায় পাবলৈ হ'লে বিৰোধী পক্ষক জিকাব লাগিব। বিৰোধী পক্ষ জিকিলে মই তিনি মাহৰ ভিতৰতে জুবিন দাৰ মৃত্যুৰ নতুন চাৰ্জশ্বীট দিম। সেই চাৰ্জশ্বীটত প্ৰকৃত হত্যাকাৰীসকলক যাৱজ্জীৱন কাৰাদণ্ড বা মৃত্যুদণ্ড দিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিম।" অখিল গগৈয়ে আৰু কয় যে, "অসমৰ মানুহৰ বাবে তিনি গগৈ তিনিটা বস্তুৰ প্ৰতীক — লুৰীণজ্যোতি গগৈ আঞ্চলিকতাবাদৰ, মই প্ৰগতিশীল আঞ্চলিকতাবাদ আৰু প্ৰগতিশীল জাতীয়তাবাদৰ, আৰু গৌৰৱ গগৈ ৰাষ্ট্ৰীয়তাবাদৰ। গণতান্ত্ৰিক ৰাষ্ট্ৰীয়তাবাদ, আঞ্চলিকতাবাদ আৰু প্ৰগতিশীল আঞ্চলিকতাবাদ — এই তিনিটা শক্তিৰ লগত বামপন্থীসকলো যোগ দি আমি যি ঐক্য গঠন কৰিছোঁ, সমগ্ৰ অসমৰ মানুহে তাক সমৰ্থন দিছে।" এই নিৰ্বাচনী প্ৰচাৰ সভাই উজনি অসমত বিৰোধী ঐক্যৰ মাজত নতুন উদ্দীপনা সৃষ্টি কৰিছে বুলি ধাৰণা কৰা হৈছে।

১৫ৰ পৰা ৩১ মাৰ্চলৈ জব্দ বহু নিচাযুক্ত দ্ৰব্য

# নিৰ্বাচনক কেন্দ্ৰ কৰি আজাৰা আৰক্ষীৰ তালাচী অভিযান

**অসম বাৰ্তা, মিৰ্জা, ২ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ ছয়টা দিন বাকি। শাসক বিৰোধীয়ে চলাইছে ব্যাপক নিৰ্বাচনী প্ৰচাৰ। আনহাতে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি তৎপৰতাত বৃদ্ধি পাইছে আৰক্ষী প্ৰশাসনৰ। ঠায়ে-ঠায়ে আৰক্ষীয়ে চলাইছে তীব্ৰ অভিযান। ইয়াৰে সমান্তৰালকৈ বুধবাৰে সন্ধিয়া আজাৰা আৰক্ষীয়ে কামৰূপৰ মহানগৰ আৰু কামৰূপ গ্ৰাম্য জিলাৰ সীমান্ত বঙৰাত ব্যাপক তালাচী অভিযান চলোৱা পৰিলক্ষিত হয়। নিৰ্বাচনৰ প্ৰাকক্ষণত অবৈধ ধনৰ লেনদেন ৰোধ কৰা তথা সকলো ধৰণৰ কূটাঘাতমূলক কাৰ্যকলাপ ৰোধ কৰাৰ বাবে আজাৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া খনিন্দ্ৰ নাথৰ নেতৃত্বত চলোৱা হয় এই অভিযান। ইফালে আৰক্ষীৰ পৰা পোৱা এক তথ্য অনুসৰি অসম বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি আৰক্ষীয়ে কঠোৰ অভিযান চলাই বৃহৎ পৰিমাণৰ বেআইনী সামগ্ৰী জব্দ কৰিবলৈ ইতিমধ্যে সক্ষম হৈছে। ১৫ মাৰ্চৰ পৰা ৩১ মাৰ্চলৈ চলা এক বৃহৎ অভিযানত মুঠ ২৮১০ লিটাৰ দেশী মদ আৰু ৭১৪৫ লিটাৰ অবৈধ 'চুলাই' মদ জব্দ কৰা হৈছে। এই নিচাজাতীয় সামগ্ৰীৰ মূল্য ক্ৰমে প্ৰায় ১, ৪০, ৫০০ টকা আৰু ২, ৮৫, ৮০০ টকা বুলি অনুমান কৰা হৈছে। জব্দ কৰা এই মদসমূহ ইতিমধ্যে ধ্বংস কৰা হৈছে। ইয়াৰ উপৰিও ৪৪৯.৪ লিটাৰ IMFL (Indian Made Foreign Liquor) জব্দ কৰা হৈছে যাৰ মূল্য প্ৰায় ১, ৭৯, ৭৬০ টকা। উক্ত বৃহৎ অভিযানত ১০৭.৯৫ গ্ৰাম হেৰইনো জব্দ কৰা হৈছে, যাৰ আনুমানিক মূল্য প্ৰায় ২১, ৫৯, ০০০ টকা। আনহাতে ২১ কেজি ৪ গ্ৰাম গাঞ্জাও জব্দ কৰিবলৈ সক্ষম হৈছে আৰক্ষীয়ে। যাৰ মূল্য প্ৰায় ১০, ৫০, ২০০ টকা। আন এক গুৰুত্বপূৰ্ণ অভিযানত আৰক্ষীয়ে নগদ ২৮, ২৭, ৫০০ টকা জব্দ কৰাৰ লগতে ১, ৪৩, ৫০০ টকাৰ নকল নোট (FICN) উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। নিৰ্বাচন প্ৰক্ৰিয়া শান্তিপূৰ্ণ আৰু স্বচ্ছ কৰি ৰাখিবলৈ এইধৰণৰ অভিযান আগন্তুক দিনতো অব্যাহত ৰাখিব বুলি আৰক্ষীয়ে জানিব দিছে।

■ এইবাৰ মিঞা হ'ব গেম চেঞ্জাৰ ঃ আছাদুদ্দিন ওৱেছি ■

# বিন্নাকান্দিৰ নীলবাগানত পঞ্চাছ সহস্ৰাধিকৰ উপস্থিতিত আজমলৰ নিৰ্বাচনী ৰণডংকা

**অসম বাৰ্তা, মোৰাঝাৰ, ২ এপ্ৰিল ঃ** এইবাৰ মিঞা হব গেম চেঞ্জাৰ। যেতিয়ালৈকে পৃথিৱী থাকিব তেতিয়ালৈকে মিঞা থাকিব। বিন্নাকান্দি সমষ্টিৰ নীলবাগানত এইদৰে কয় এআই মীম সভাপতি তথা হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ওৱেছিয়ে। আজি মৌলানা বদৰুদ্দিন আজমলৰ সমৰ্থনত নীলবাগান খেলপথাৰত অনুষ্ঠিত হয় আজমলৰ এক বিশাল নিৰ্বাচনী জনসভা। এই নিৰ্বাচনী সভাত তাৰকা প্ৰচাৰক হিচাপে উপস্থিত থাকে হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ওৱেছি। নিৰ্বাচনী সভাখনত উপস্থিত থাকি ওৱেছিয়ে কয়-মিঞাৰ কামিহাড় কোনেও ভাঙিব নোৱাৰে। অসমত মিঞাৰ সুৰক্ষাৰ বাবেই এআইইউডিএফৰ পক্ষে ভোটৰ ছুনামি আনক বুলি কয় ওৱেছিয়ে। এনআৰচিৰ সময়ত লুৰিণজ্যোতি গগৈয়ে ২০ লাখ মিঞাৰ নাম কাটিবলৈ অভিযোগ দিয়া বুলি কৈ সৰৱ হৈ পৰে অসম জাতীয় পৰিষদৰ বিৰুদ্ধে। মিঞাৰ বিৰুদ্ধে এনআৰচিত অভিযোগ দিয়া লুৰিণৰ মিত্ৰ কংগ্ৰেছ আৰু ৰাইজৰ দলক কোনোপধ্যেই ভোট নিদিবলৈ আহ্বান আছাদুদ্দিন ওৱেছিৰ। ওৱেচিৰ অভিযোগ- অসমত ঘৃণাৰ ৰাজনীতি চলিছে, হিংসাৰ ৰাজনীতি চলিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই নিকৃষ্ট ৰাজনীতি প্ৰতিহত কৰাত কংগ্ৰেছ ব্যৰ্থ হৈছে। যাৰ বাবে এতিয়া কংগ্ৰেছৰ স্থান ল'ব লাগিব এআইইউডিএফে। বদৰুদ্দিন আজমলৰ দৰে নেতাৰ প্ৰয়োজন এতিয়া অসমৰ ৰাজনীতিৰ লগতে দেশৰ ৰাজনীতিত। উচ্ছেদৰ নামত হিমন্তই মানৱাধিকাৰ খৰ্ব কৰিছে। গতিকে হিমন্তৰ এই 'জুলুম'ৰ ৰাজনীতি বন্ধ কৰিবলৈ এতিয়া কংগ্ৰেছ নহয় এআইইউডিএফ লাগিব বুলি ৰাইজক কয় ওৱেছিয়ে। আজিৰ নিৰ্বাচনী সভাত জনতাৰ স্বতঃস্ফূৰ্ত ওলাই অহা দেখি উৎফুল্ল আজমলে কয়- এই বাৰ বিন্নাকান্দিত ৰেকৰ্ড ভোটত এআইইউডিএফ জিকিব। বিন্নাকান্দিত পূৰ্বৰ অভিলেখ ভংগ কৰি ৰাইজে এআইইউডিএফক জয়ী কৰিব। আজিৰ সভাত প্ৰাক্তন বিধায়ক আব্দুৰ ৰহমান আজমল, দলটোৰ উপ সভাপতি মৌলানা আব্দুল কাদিৰ কাছিমী সহ দলটোৰ সমষ্টিৰ কমিটিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

■ বৃহৎ সংখ্যক ৰাইজৰ সমাগম ■

# ধিং সমষ্টিত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী মেহবুব মুক্তাৰৰ হৈ প্ৰচাৰ ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ



**অসম বাৰ্তা, মৈৰাবাৰী, ২ এপ্ৰিল ঃ** ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে আজি ধিং সমষ্টিৰ কংগ্ৰেছ মিত্ৰজোঁটৰ ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মুক্তাৰৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাই। আজি ধিং বাটামাৰী আৰু ধুনীয়াভেটীত অনুষ্ঠিত হোৱা বিশাল নিৰ্বাচনী সভাত ৰকিবুলে তুলাধুনা দিয়ে হিমন্ত বিশ্ব শৰ্মাক। ইফালে ধিং সমষ্টিৰ যুব নেতা হাইদৰ আলীয়ে নিৰ্দলীয় প্ৰাৰ্থী হিছাবে মনোনয়ন পত্ৰ দাখিল কৰিছিল যদিও হাইদৰ আলীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰি আজি মিত্ৰ জোঁটৰ প্ৰাৰ্থী মেহবুব মুক্তাৰৰ হৈ ৰকিবুল হুছেইনৰ উপস্থিতিত একেলগে প্ৰচাৰ চলাই মিত্ৰ জোঁটৰ প্ৰাৰ্থী মেহবুব মুক্তাৰৰ শক্তি বৃদ্ধি কৰিলে। প্ৰচাৰ সভাখনত ভাষণ প্ৰসঙ্গত সাংসদ ৰকিবুল হুছেইনে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইবাৰ মৌলানা বদৰুদ্দিন আজমলৰ জৰিয়তে নিৰ্বাচনী ফলাফল ভাল দেখা নাই সেই কাৰণে এই বাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বন্ধু আসাদউদ্দিন ওৱেছিক অসমলৈ আমন্ত্ৰণ কৰি আনিছে। কিন্তু এই ওৱেছিৰেও কাম নহ'ব। তেওঁ আৰু কয় অসমৰ সংখ্যালঘু ৰাইজৰ বিপদৰ সময়ত মৌলানা বদৰুদ্দিন আজমল ৰাইজৰ কাষত নাথাকে। সংখ্যালঘু ৰাইজৰ বিপদৰ সময়ত ৰকিবুল হুছেইন ৰাইজৰ কাষত থিয় দিয়ে। মৌলানা বদৰুদ্দিন আজমল অসমৰ ভিতৰত নহয় ভাৰতৰ ভিতৰতে নহয় পৃথিৱীৰ ভিতৰতে ৰেকৰ্ড কৰি পৰাজিত হৈছে। এই নিৰ্বাচনী সভাত কংগ্ৰেছ মিত্ৰজোঁটৰ ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মুক্তাৰে কয় এ আই ইউ ডি এফ দলক ভোট দিয়া মানে নিজৰ ভৱিষ্যত অন্ধকাৰ কৰা। ধিং সমষ্টি বাসী ২০ বছৰ এ আই ইউ ডি এফ দলৰ কবলত পৰি উন্নয়নৰ ক্ষেত্ৰত অত্যন্ত পিছ পৰি থাকিল। মেহবুব মুক্তাৰে কয় এই ২০ বছৰৰ অপূৰ্ণতাক পাচ বছৰত আমি পূৰণ কৰিম। তেওঁ আৰু কয় মই এটা পৱিত্ৰ মনলৈ ৰাইজৰ সেৱা কৰিবলৈ আহিছো। বিগত দিন কেইটাত এ আই ইউ ডি এফ দলে ধিং সমষ্টিক বহু পিছ পেলাই দিলে বুলি মন্তব্য কৰে। ইফালে হাইদৰ আলীয়েও ভাষণ প্ৰসঙ্গত এইবাৰ মিত্ৰজোঁটৰ একত্ৰিত শক্তিয়ে ধিং সমষ্টিৰ পৰা এ আই ইউ ডি এফক আৰু অসমৰ পৰা হিমন্ত বিশ্ব শৰ্মা চৰকাৰক উৎখাত কৰিব বুলি দাবী কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ আন আন সমষ্টিৰ দৰে ধিং সমষ্টিটো এতিয়া নিৰ্বাচনৰ গৰম বতাহ বলিছে। নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপি আহিছে সিমানেই আকৰ্ষণীয় হৈ পৰিছে নিৰ্বাচনী যুঁজ। প্ৰাৰ্থী সকলৰ মাজত বৃদ্ধি পাইছে তৎপৰতা। ধিং সমষ্টিত কংগ্ৰেছ মিত্ৰজোঁটৰ ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মুক্তাৰ আৰু এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী মতিউৰ ৰহমানৰ মাজত চলিছে নিৰ্বাচনী যুঁজ। কংগ্ৰেছ মিত্ৰজোঁটৰ ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মুক্তাৰে পুৱাৰ পৰা নিশালৈকে ব্যাপক হাৰত চলাই নিছে নিৰ্বাচনী প্ৰচাৰ অভিযান। ইখনৰ পিছত সিখন নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰি চলাই নিছে নিৰ্বাচনী প্ৰচাৰ। মেহবুব মুক্তাৰে আজি ধিং আঠগাঁও, বিলটীয়া, লহকৰ, কান্ধুলিমাৰী কটহগুৰি, ধুপগুৰি শলগুৰি বালি সত্ৰ আদি অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলাই এক প্ৰকাৰ চমক সৃষ্টি কৰিছে। মেহবুব মুক্তাৰে ধিং আঠগাঁৱৰ ভোটাৰৰ ঘৰে ঘৰে গৈ আশীৰ্বাদ বিচাৰি নিৰ্বাচনী প্ৰচাৰ অভিযান চলাই ভোটাৰৰ মন আকৰ্ষণ কৰাৰ চেষ্টা কৰে।

# নগাঁও জিলাত মাছ ধৰা-বিক্ৰীত নিষেধাজ্ঞা

**অসম বাৰ্তা, পুৰণিগুদাম, ৩ এপ্ৰিল ঃ** প্ৰজননৰ সময়ত কৰা মৎস্য চিকাৰে মাছৰ বংশবৃদ্ধিত অতি নেতিবাচক প্ৰভাৱ পেলাই ইয়াৰ উৎপাদন হ্ৰাস কৰাৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ধাৰা ১৬৩ ৰ অধীনত মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। সেই অনুসৰি ১ এপ্ৰিলৰ পৰা ৩১ জুলাইলৈকে ঘোষিত মৎস্য ক্ষেত্ৰত ৰৌ, ভকুৱা, মৃগা, মালি, চিতল, খৰিয়া, কুহি আদি প্ৰজাতিৰ মাছ ধৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। তদুপৰি ১ চেণ্টিমিটাৰতকৈ কম ব্যাসৰ ফুটা থকা জালৰ ব্যৱহাৰো নিষিদ্ধ ঘোষণা কৰা হৈছে। যিকোনো প্ৰজাতিৰ সৰু পোৱালি মাছ বা কণীপৰা মাছ ধৰা, মৰা বা বিক্ৰী কৰা সম্পূৰ্ণৰূপে বাৰণ কৰা হৈছে। অসম মৎস্য নিয়ম ১৯৫৩ ৰ বিধি অনুসৰি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে আৰু এয়া তাৎক্ষণিকভাৱে বলবৎ কৰা হৈছে বুলি নিৰ্দেশটোত কোৱা হৈছে।

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত এদিনীয়া কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ২ এপ্ৰিল ঃ** অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ উদ্যোগত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত আজি পাৰ্ছনেলিটি ডেভেলপমেণ্ট এণ্ড চফ্‌ট স্কিল্ল ট্ৰেইনিং (Personality Development and Soft Skill Tarining) শীৰ্ষক এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত বিশ্ববিদ্যালয়খনৰ চেণ্টাৰ ফৰ লেংগুৱেজ প্ৰফিয়েঞ্চি এণ্ড প্ৰফেচনেল ডেভেলপমেণ্ট (Centre for Language Profiency and Professional Development)ৰ সহকাৰী সঞ্চালক পাপৰি বৰা আৰু কেৰিয়াৰ পৰামৰ্শদাতা উদয়ন দাসে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে উদ্বোধন কৰা কৰ্মশালাখনি জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় আৰু অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ বুজাবুজি চুক্তিৰ আধাৰত অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° ৰাজীৱ গগৈয়ে আঁতধৰা কৰ্মশালাত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

# তেজপুৰৰ দোলাবাৰীত অগপৰ সভাপতি অতুল বৰাৰ নিৰ্বাচনী প্ৰচাৰ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২ এপ্ৰিল ঃ** সমগ্ৰ অসমৰ লগতে তেজপুৰতো বলছে নিৰ্বাচনী গৰম বতাহ। তেজপুৰৰ আকাশতো উৰিছে হেলিকপ্টাৰ। আজি অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰা তেজপুৰৰ বাটামাৰীৰ প্ৰাথমিক বিদ্যালয়ৰ খেল পথাৰত হেলিকপ্টাৰ যোগে অৱতৰণ কৰি দোলাবাৰী চাৰিআলিৰ অসম গণ পৰিষদ দলৰ নিৰ্বাচনী কাৰ্য্যালয়ত এক নিৰ্বাচনী প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰি তেজপুৰ বিধান সভা সমষ্টিৰ NDA মিত্ৰজোঁটৰ প্ৰাৰ্থী পৃথ্বীৰাজ ৰাভাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।



সাংবাদিকৰ সন্মুখত মন্তব্য কৰি কয় যে নিৰ্বাচনী প্ৰচাৰৰ বাবে তেজপুৰত আহিছোঁ NDA ৰ সপক্ষে প্ৰবল ঢৌ চৌদিশে লগতে তেজপুৰতো বলিছে। নিশ্চয় ভাল হ'ব তেজপুৰত পৃথ্বীৰাজ ৰাভা জিকিব। অসম গণ পৰিষদ, ভাৰতীয় জনতা পাৰ্টীৰ লগতে মিত্ৰদলৰ কৰ্মকৰ্তা সকলে দিনে নিশাই প্ৰাৰ্থী পৃথ্বীৰাজ ৰাভাৰ সপক্ষে প্ৰচাৰ কৰি আছে। নিশ্চয় ভাল হ'ব পৃথ্বীৰাজ ৰাভা জয় হব।

# দেশৰ বিদ্যালয়সমূহত ত্ৰি

শিক্ষা ব্যৱস্থাত এক আমূল পৰিৱৰ্তন আনিব বুলি শিক্ষাবিদসকলে ধাৰণা কৰিছে। নতুন নীতি অনুসৰি, ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলে তিনিটা ভাষা অধ্যয়ন কৰিব লাগিব। এই তিনিটা ভাষাৰ ভিতৰত অন্ততঃ দুটা ভাষা ভাৰতীয় মূলৰ হ'ব লাগিব। তৃতীয় ভাষাটো হিচাপে ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী, ফৰাচী বা অন্যান্য বিদেশী ভাষা বাছি ল'ব পাৰিব। ভাষাসমূহক তিনিটা স্তৰত ভাগ কৰা হৈছে — R1, R2 আৰু R3। উল্লেখ্য যে, ২০২৬-২৭ শিক্ষাবৰ্ষত যিসকল ছাত্ৰ-ছাত্ৰীয়ে ষষ্ঠ শ্ৰেণীত নাম ভৰ্তি কৰিব, সেইসকলে ২০৩১ চনত দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাত অৱতীৰ্ণ হ'ব। সেই সময়ত তেওঁলোকৰ বাবে তিনিটা ভাষাতে উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক হ'ব। এই নতুন ত্ৰি-ভাষা নীতিৰ ফলত অসমৰ চিবিএছই অনুসৃত বিদ্যালয়সমূহত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষা অধ্যয়ন কৰাৰ অধিক সুযোগ লাভ কৰিব। ইয়াৰ ফলত মাতৃভাষা অসমীয়াৰ চৰ্চা বৃদ্ধি পোৱাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ত অসমীয়া ভাষাৰ গুৰুত্ব আৰু প্ৰসাৰ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। শিক্ষাবিদ আৰু বিশেষজ্ঞসকলৰ মতে, এই নতুন নীতিয়ে ছাত্ৰ-ছাত্ৰীৰ কেৱল ভাষা জ্ঞানেই বৃদ্ধি নকৰে, বৰঞ্চ তেওঁলোকৰ সামগ্ৰিক বৌদ্ধিক বিকাশতো গুৰুত্বপূৰ্ণ অৰিহণা যোগাব। ভাষাৰ জৰিয়তে সাংস্কৃতিক বৈচিত্ৰ্য আৰু ৰাষ্ট্ৰীয় ঐক্যৰ অনুভৱ বৃদ্ধি পাব বুলিও তেওঁলোকে মত পোষণ কৰিছে। চিবিএছই কৰ্তৃপক্ষই জনাইছে যে নতুন নীতিৰ সফল বাস্তৱায়নৰ বাবে বিদ্যালয়সমূহক প্ৰয়োজনীয় নিৰ্দেশনা আৰু প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলকো এই নতুন নিয়মৰ বিষয়ে সচেতন কৰি তোলা হ'ব। এই পদক্ষেপে NEP 2020-ৰ মূল লক্ষ্য — ভাৰতীয় ভাষাসমূহৰ সংৰক্ষণ আৰু প্ৰসাৰৰ লগতে ছাত্ৰ-ছাত্ৰীক বহুবিষয়ক দক্ষতা প্ৰদান — কাৰ্যকৰী ৰূপ দিব বুলি আশা কৰা হৈছে।

# অসমক ঝাৰখণ্ডতকৈয়ো অধিক পিছপৰা ঃ হেমন্ত

অসমক ঝাৰখণ্ডতকৈয়ো অধিক পিছপৰা ৰাজ্য বুলি তীব্ৰ সমালোচনা কৰিছে। লখিমপুৰ জিলাৰ ৰঙানদী বিধানসভা সমষ্টিত জয় ভাৰত পাৰ্টীৰ প্ৰাৰ্থী পৱন চাওঁতালৰ সমৰ্থনত নিৰ্বাচনী সভাত ভাষণ দি তেওঁ বিজেপি নেতৃত্বাধীন কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক কঠোৰ ভাষাত আক্ৰমণ কৰে। ডিজু চাহ বাগিচা খেলপথাৰত অনুষ্ঠিত এই নিৰ্বাচনী সভাত হেমন্ত ছোৰেণে কয়, "মই অসমৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি দেখিছো। মই ভাবিছিলো যে ঝাৰখণ্ড দেশৰ ভিতৰতে আটাইতকৈ পিছপৰা ৰাজ্য। কিন্তু ইয়ালৈ আহি বাস্তৱতা দেখি মোৰ ধাৰণা সলনি হ'ল। ঝাৰখণ্ডতকৈয়ো অসম বহুত বেছি পিছপৰা।" তেওঁ আদিবাসীসকলৰ দুৰ্দশাৰ কথা উল্লেখ কৰি কয়, "ইয়াত আদিবাসী লোকসকলে অতি অনুন্নত জীৱন যাপন কৰিছে। বহু গাঁৱত পকা ৰাস্তা নাই, বিজুলী নাই, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা নাই। ডাবল ইঞ্জিন চৰকাৰে ২০১৪ চনৰ পৰা পকী ঘৰ দিয়াৰ প্ৰতিশ্ৰুতি দি আহিছে, কিন্তু আদিবাসী অধ্যুষিত গাঁৱত এখনো পকী ঘৰ নাই। তাতে বিপৰীতে ভগা-ছিঙা ঘৰহে চকুত পৰে।" চাহ শ্ৰমিকসকলৰ প্ৰতি চৰকাৰৰ অৱহেলাৰ বিষয়ে হেমন্ত ছোৰেণে কয়, "ঝাৰখণ্ডত সকলো জাতি-জনগোষ্ঠীয়ে সন্মানেৰে জীয়াই থাকে। কিন্তু অসমত সেই সমতা দেখা নাই। অসমত চাহ শ্ৰমিকৰ দৈনিক মজুৰি মাত্ৰ ২৫০ টকা বাহাল আছে। দেশৰ আন কোনো ৰাজ্যতে ৫০০ টকাৰ তলত শ্ৰমিকক মজুৰি দিয়া নহয়। ডাবল ইঞ্জিন চৰকাৰ থকা সত্ত্বেও অসমত শ্ৰমিকসকলে কিয় ন্যায্য অধিকাৰ নাপায়?" পৱন চাওঁতালেও ভাষণত আদিবাসীসকলৰ প্ৰতি চৰকাৰৰ বঞ্চনাৰ অভিযোগ উত্থাপন কৰি কয়, "আন জাতি-জনগোষ্ঠী থকা অঞ্চলত উন্নয়ন হৈছে, ৰাস্তা নিৰ্মাণ হৈছে, কিন্তু আদিবাসী গাঁৱত এতিয়াও কেঁচা ৰাস্তাহে আছে। চৰকাৰে আদিবাসীসকলক মাহীআইৰ দৃষ্টিৰে চাই আহিছে। ৰাইজে এতিয়া এই বঞ্চনা বুজি পাইছে।" তেওঁ জানিব দিয়ে যে জয় ভাৰত পাৰ্টীয়ে এইবাৰ অসমৰ ১৯টা সমষ্টিত প্ৰাৰ্থী দিছে। হেমন্ত ছোৰেণে আদিবাসী ভোটাৰসকলক আহ্বান জনাই কয় যে পৱন চাওঁতালক ভোট দি আদিবাসীসকলৰ ভৱিষ্যত সুৰক্ষিত কৰক। এই সভাৰ সময়তে অসমত বিজেপি আৰু কংগ্ৰেছৰ ষ্টাৰ কেম্পেইনাৰে তীব্ৰ প্ৰচাৰ চলাই আছে। হেমন্ত ছোৰেণৰ এই মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে।

# গৌৰৱ গগৈক ক্লীন শ্বীট

সিমানেই শাসক-বিৰোধীৰ মাজত আক্ৰমণাত্মক ভাষণ বৃদ্ধি পাইছে। শুকুৰবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰাকৰ হাইলাকান্দি, ধলাই, কাটিগৰা আৰু বৰখলা সমষ্টিত চাৰিখন নিৰ্বাচনী সভাত ভাষণ দি বিৰোধী নেতাসকলক তীব্ৰ আক্ৰমণ কৰে। প্ৰথমে হাইলাকান্দি সমষ্টিৰ বিজেপি প্ৰাৰ্থী ড° মিলন দাসৰ হয়ে লালাত অনুষ্ঠিত সভাত আৰম্ভ কৰি মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈ, কুংকি চৌধুৰী আৰু লুৰীণজ্যোতি গগৈক তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, "পাকিস্তানত সংবাদ মাধ্যমত প্ৰতিদিনে টকশ্ব' হৈ আছে আৰু তাত গৌৰৱ গগৈক ক্লীনশ্বীট দিয়া হৈছে। তাৰ অৰ্থ কি? গৌৰৱ গগৈৰ বাবে পাকিস্তানৰ মিডিয়াই কেম্পেইন চলাইছে। যিসকলে মোক সন্দেহ কৰিছিল যে মই যি মন যায় তাকেই কওঁ, তেওঁলোকে এতিয়া বুজি পাইছে যে গৌৰৱ গগৈৰ পাকিস্তান সংযোগ কিমান শক্তিশালী। নহ'লে অসমৰ নিৰ্বাচনক লৈ পাকিস্তানত টকশ্ব' হোৱাৰ কথা কেতিয়াও শুনা গৈছিল নেকি?" মুখ্যমন্ত্ৰীয়ে আৰু কয়, "গৌৰৱ গগৈ-কুংকি চৌধুৰী এইসকল লেফ্‌ট উইং লিবাৰেল গেং, যিয়ে সনাতন ধৰ্মক শেষ কৰিব বিচাৰে।" তেওঁ লগতে উল্লেখ কৰে যে আগতে বৰাক ভেলীৰ কিছুমান মুছলমান লোকে ফেচবুকত এনে কাম কৰিছিল, ধুবুৰী-বৰপেটাৰ মানুহেও কৰিছিল, কিন্তু এতিয়া তেওঁলোকে নকৰে। "দুখ লগা কথা যে লুৰীণজ্যোতি গগৈয়ে এনেকুৱা প্ৰাৰ্থী দিছে, য'ত ৰাইজে দেখাকৈ গো-মাংস খায়। তাতোকৈ ডাঙৰ কথা, যিজনে কৈছিল 'আমি চিকেন নেক কাটি দিম', তেওঁৰ সমৰ্থনত তেওঁৰ মাতৃয়ে পোষ্ট কৰিছে। মোৰ যদি মা-দেউতাই এনে কৰিলেহেঁতেন, মই অসমীয়া হিচাপে আজিয়েই ঘোষণা কৰিলোহেঁতেন যে এওঁলোক মোৰ মা-দেউতা নহয়।" গোপীনাথ বৰদলৈয়ে কিয় যুঁজ দিছিল সেই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "চিকেন নেক কাটি দিলে অসম ক'ত যাব? বাংলাদেশতহে যাব। মহম্মদ ইউনুছে কি কৈ আছে — চিকেন নেকটো কাটি দিয়ক। আৰু কুংকি চৌধুৰীৰ মাতৃয়েও একে কথাই কৈছে। ইয়াৰ বাবে মই তেওঁলোকক দোষ নিদিওঁ। মই দোষ দিওঁ লুৰীণজ্যোতি গগৈক। ৮৫৬জন শ্বহীদৰ কেঁচা তেজক উপলুঙা কৰি তেওঁ এনেকুৱা চৰিত্ৰক পাৰ্টিৰ টিকট দিছে। ৰাইজে বিচাৰ কৰিব।" আছাদুদ্দিন ওৱেইছিৰ শ্লোগানৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "ওৱেইছীয়ে যি শ্লোগান দিয়ে দি থাকক। নিৰ্বাচনৰ পাছত মোদীজী আৰু মোৰ শ্লোগান চলিব। 'ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীক সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয়, "হাৰিম বুলি গম পাইছে ৰাহুল-প্ৰিয়ংকাই। সেয়ে আহিব লাগে আহিল আৰু গুচি গ'ল। এতিয়া কেৰালা পালেগৈ, আৰু নাহে।" প্ৰতিখন সভাতে মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছৰ ৬০ বছৰীয়া শাসনকালত বৰাকৰ উন্নয়নত গুৰুত্ব নিদিয়া বুলি অভিযোগ কৰে। বিজেপি চৰকাৰৰ আমোলত বৰাকত অভূতপূৰ্ব উন্নয়ন হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে এইবাৰ বৰাকৰ ১৩খন আসনৰ ভিতৰত ১১খনত বিজেপি জয়ী হ'ব। কাছাৰৰ সাতটা সমষ্টিৰ ছয়টাত বিজেপি আৰু এটাত মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হ'ব বুলিও দাবী কৰে। বৰখলা সমষ্টিৰ শিলকুৰিত কিশোৰ নাথৰ হয়ে প্ৰচাৰ চলাই মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে ২০২৬ চনত বিজেপি চৰকাৰ গঠন হ'লে নতুনকৈ দুই লাখ চাকৰিত নিযুক্তি দিয়া হ'ব। ইয়াৰে ২৫ হাজাৰ অসম আৰক্ষী কমাণ্ডো বেটেলিয়নত, ৭৫ হাজাৰ শিক্ষক আৰু বাকী এক লাখ তৃতীয় বৰ্গৰ পদত (চিকিৎসক, অভিযন্তা আদি) নিযুক্তি দিয়া হ'ব। বৰাকত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত নতুন নিয়ম কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। বাঙালী আৰু হিন্দী মাধ্যমৰ বাবে পৃথক টেট পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। বৰাকৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ বাবে বিশেষ নিযুক্তি প্ৰক্ৰিয়া চলোৱা হ'ব। CMAAA আঁচনিৰ অধীনত বৰাকৰ ১৩০ হাজাৰ যুৱক-যুৱতীক দুই লাখকৈ টকা দিয়া হ'ব, য'ত বৰখলা সমষ্টিৰ ১০ হাজাৰ যুৱকে লাভান্বিত হ'ব। ইয়াৰ উপৰিও বৰখলা সমষ্টিৰ ১০ হাজাৰ মহিলাক নতুনকৈ অৰুণোদয় আঁচনিৰ অধীনত সহায় প্ৰদান কৰা হ'ব। তাৰে তিনি হাজাৰ অৰুণোদয় লাভ নকৰা মহিলা আৰু সাত হাজাৰ নতুনকৈ বিয়া হোৱা বোৱাৰীয়ে এই সুবিধা লাভ কৰিব। বৰখলা সমষ্টিত ৰাজনগৰত বৰাক নদীৰ ওপৰত নতুন পকী দলং, বৰাকৰ ভিতৰত আটাইতকৈ ডাঙৰ ষ্টেডিয়াম, তাপাঙত এখন কলেজ, চাতলাত এটা বিডিও অফিচ আৰু বৰমবাবা মন্দিৰৰ উন্নয়নৰ বাবে ৫ কোটি টকা আবণ্টন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। বৰখলাৰ কংগ্ৰেছ প্ৰাৰ্থী ড° অমিত কালোৱা আৰু বিধায়ক মিচবাহুল ইছলাম লস্কৰক সমালোচনা কৰি তেওঁ কয় যে বৰখলা এতিয়া বিজেপিৰ অনুকূল সমষ্টি হোৱাত কিশোৰ নাথক ৪০ হাজাৰ ভোটৰ ব্যৱধানত জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়। জয়ী হ'লে বৰখলাৰ উন্নয়নৰ চাবি তেওঁৰ হাতত থাকিব বুলি উল্লেখ কৰে। বৃহস্পতিবাৰে ৰাহুল গান্ধীয়ে অসমত কংগ্ৰেছ চৰকাৰ গঠন হ'লে হিমন্ত বিশ্ব শৰ্মাক জেললৈ পঠিয়াব বুলি মন্তব্য কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, "কংগ্ৰেছৰ চৰকাৰ অসমত নহয়, পাকিস্তানত হ'ব। হিমন্ত বিশ্ব শৰ্মাক জেললৈ পঠিয়াবলৈ ইন্দিৰা গান্ধীৰ পৰা ৰাজীৱ গান্ধী-ৰাহুল গান্ধীলৈকে সাতবাৰ জন্ম ল'ব লাগিব। মোৰ লগত অসমৰ লাখ লাখ মাতা-পিতা, পুত্ৰ-কন্যাৰ আশীৰ্বাদ আছে। নিউক্লিয়াৰ অস্ত্ৰ সদৃশ এই আশীৰ্বাদ থকাৰ পাছত কংগ্ৰেছে মোৰ একো কৰিব নোৱাৰে।"

# কংগ্ৰেছে ৰাইজক প্ৰতাৰণা

পুনৰ উদ্ধাৰৰ বাবে এন ডি এ চৰকাৰক কৃতিত্ব প্ৰদান কৰি সভাপতিগৰাকীয়ে অসমে নিজৰ প্ৰাপ্য লাভ কৰাটো নিশ্চিত কৰাৰ বাবে বিজেপি প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্তব্য কৰে। নীতিন নবিনে কয় যে কংগ্ৰেছ নেতা ৰাহুল গান্ধী এজন অংশকালীন ৰাজনীতিবিদ। নীতিন নবিনে ৰাহুল গান্ধীয়ে ৰাষ্ট্ৰপতি ভৱনত অসমীয়াৰ গৌৰৱ গামোচাক কিয় অপমান কৰিলে বুলিও প্ৰশ্ন কৰে। নিৰ্বাচন আহিলেই ৰাহুল গান্ধী হাজিৰ হয় আৰু আন এটা সময়ত জিৰণি ল'বলৈ বহিঃৰাজ্যত থাকে বুলিও তেওঁ কয়। মঙলদৈ, ছিপাঝাৰ, দলগাঁও আৰু টংলা সমষ্টিৰ চাৰিগৰাকী বিজেপিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই ৰাষ্ট্ৰীয় সভাপতি গৰাকীয়ে। মঙলদৈ সমষ্টিৰ প্ৰাৰ্থী নীলিমা দেৱী আৰু ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী, দলগাঁও সমষ্টিৰ প্ৰাৰ্থী কৃষ্ণ সাহা আৰু টংলা সমষ্টিৰ প্ৰাৰ্থী দিকন ডেকাৰ হৈ প্ৰচাৰ চলাই ৰাষ্ট্ৰীয় সভাপতি গৰাকীয়ে। ৰাষ্ট্ৰীয় সভাপতি গৰাকীক সংগ দিয়ে ভাৰতীয় জনতা পাৰ্টীৰ অসমৰ সভাপতি দিলীপ শইকীয়া, মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস, ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী, দৰং জিলাৰ ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি মুকুন্দ ডেকা, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলাৰ অসম গণ পৰিষদৰ সভাপতি কমলেশ্বৰ বৰুৱাসহ বহুজনে।

# কংগ্ৰেছ ভোট দিয়া মানেই

হাইদৰাবাদৰ সাংসদ তথা এ-আই-এম-আই-এম দলৰ সভাপতি বেৰিষ্টাৰ আছাদ উদ্দিন ওৱেইছিয়ে ৰাজ্য চৰকাৰ আৰু কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। এ-আই-ইউ-ডি-এফ'ৰ মনোনীত প্ৰাৰ্থী হাফিজ বছিৰ আহমেদৰ সমৰ্থনত গোৱালপাৰাৰ ৰাক্ষসিনী ঢোপতোলাৰ এফ আৰ হাইস্কুল খেলপথাৰত অনুষ্ঠিত এই জনসভাত অংশগ্ৰহণ কৰি ওৱেইছীয়ে কয় যে অসমত চলি থকা উচ্ছেদ অভিযান অসাংবিধানিক আৰু বেআইনী। তেওঁ অভিযোগ কৰে যে ৩ হাজাৰতকৈ অধিক পৰিয়ালক বলপূৰ্বক উচ্ছেদ কৰা হৈছে, যাৰ ভিতৰত গৰাখহনীয়াৰ ফলত গৃহহীন হৈ পৰা বহু সংখ্যালঘু লোকো অন্তৰ্ভুক্ত আছে। এই ঘটনাক তেওঁ চৰকাৰৰ "ঘৃণাৰ ৰাজনীতি"ৰ এক স্পষ্ট নিদৰ্শন বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীক লক্ষ্য কৰি তেওঁ প্ৰশ্ন তোলে যে, "এগৰাকী মুখ্যমন্ত্ৰী হৈ এটা বিশেষ সম্প্ৰদায়ৰ প্ৰতি ইমান ঘৃণা কিয়?" লগতে তেওঁ দৃঢ়তাৰে কয় যে আগন্তুক সময়ত এ-আই-ইউ-ডি-এফ'ৰ বিধায়কসকল জয়ী হ'লে বদৰুদ্দিন আজমলৰ সমৰ্থন অবিহনে অসমত কোনো দলে চৰকাৰ গঠন কৰিব নোৱাৰিব। ভূমিহীন লোকসকলক মাটিৰ পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতি আজমলে দিছে বুলিও তেওঁ উল্লেখ কৰে। ইফালে, ৰাজ্যৰ বৰ্তমানৰ ভূমি আৰু নাগৰিকত্ব সমস্যাৰ বাবে তেওঁ কংগ্ৰেছকো সমানে দোষাৰোপ কৰে। তেওঁৰ মতে, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ সময়তেই 'ডি-ভোটাৰ' আৰু ফৰেইনাৰ্ছ ট্ৰাইবুনেলৰ দৰে সমস্যাৰ সূচনা হৈছিল, যাক এতিয়া বিজেপিয়ে অধিক আগুৱাই লৈ গৈছে। আনহাতে, জমিয়ত উলেমা-ই-হিন্দৰ সভাপতিৰ মন্তব্য সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত ওৱেইছীয়ে স্পষ্ট কৰে যে এ-আই-ইউ-ডি-এফয়ে তৃণমূল পৰ্যায়ত জনসাধাৰণৰ স্বাৰ্থত কাম কৰি আহিছে আৰু তেওঁ সেই মন্তব্যৰ সৈতে একমত নহয়। উল্লেখযোগ্য যে, এই জনসভাত বৃহৎ সংখ্যক ৰাইজৰ উপস্থিতি লক্ষ্য কৰা হয় আৰু ওৱেইছীয়ে তেওঁৰ ভাষণত এ-আই-ইউ-ডি-এফ'ৰ প্ৰাৰ্থী হাফিজ বছিৰ আহমেদৰ সমৰ্থনত ভোটাৰসকলৰ সহযোগিতা কামনা কৰে।

# অসমলৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহিব

সু-পৰিচিত প্ৰাক্তন আইপিএছ বিষয়া আনন্দ মিশ্ৰ এতিয়া পুনৰ অসমলৈ আহিছে। তথাপি এইবাৰ তেওঁ খাকী পোচাকত নহয়, সম্পূৰ্ণ ৰাজনৈতিক নেতাৰ ৰূপত আহিছে। বিজেপিৰ প্ৰাৰ্থীসকলৰ হয়ে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ ৰাজ্যিক বিজেপিয়ে তেওঁক আমন্ত্ৰণ জনাইছে। চাকৰিকালত সমগ্ৰ অসমতে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে কঠোৰ অভিযান চলাই যুৱপ্ৰজন্মৰ লগতে সাধাৰণ ৰাইজৰ মন জয় কৰিছিল আনন্দ মিশ্ৰই। বিশেষকৈ নগাঁও জিলাত ড্ৰাগছৰ ৰেকেট তচনচ কৰাৰ দায়িত্ব লোৱাৰ পাছত তেওঁৰ এক্সনৰ বাবে বহু অপৰাধীয়ে আত্মগোপন কৰিবলৈ বাধ্য হৈছিল। কিন্তু এটা ভুৱা এনকাউণ্টাৰৰ ঘটনাৰ পাছত তেওঁৰ সুনামত আঘাত লাগে আৰু শাস্তিমূলক বদলি হোৱাৰ লগে লগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে সংঘাতৰ সূত্ৰপাত হয়। পৰৱৰ্তী সময়ত লখিমপুৰ জিলাত আৰক্ষী অধীক্ষক হিচাপে নকল সোণ আৰু জাল নোটৰ ৰেকেট ধ্বংস কৰি তেওঁ পুনৰ ৰাইজৰ প্ৰশংসা লাভ কৰিছিল। কিন্তু শেষত আইপিএছ চাকৰি এৰি ৰাজনীতিত প্ৰৱেশ কৰে আনন্দ মিশ্ৰই। বৰ্তমান তেওঁ বিহাৰৰ বা'ৰ (বুজাৰ) সমষ্টিৰ বিধায়ক হিচাপে বিজেপিৰ প্ৰতিনিধিত্ব কৰিছে। অসমত তেওঁৰ আগৰ জনপ্ৰিয়তাক এইবাৰ ৰাজনৈতিকভাৱে ব্যৱহাৰ কৰিব বিজেপিয়ে। পূৰ্বতে ড্ৰাগছ বিৰোধী অভিযানৰ নায়ক হিচাপে পৰিচিত আনন্দ মিশ্ৰই এইবাৰ ৰাজনৈতিক মঞ্চত নতুন ৰূপত দেখা দিব। উল্লেখ্য যে অসম বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব অহা ৯ এপ্ৰিলত আৰু নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰিব ৭ এপ্ৰিলৰ বিয়লি। ভোট গণনা হ'ব ৪ মে'ত। এই ভ্ৰমণেৰে বিজেপিয়ে ৰাজ্যৰ বিভিন্ন সমষ্টিত নিৰ্বাচনী প্ৰচাৰক অধিক গতি দিবলৈ আশা কৰিছে। আনন্দ মিশ্ৰৰ দৰে জনপ্ৰিয় পূৰ্বৰ আৰক্ষী বিষয়াৰ উপস্থিতিয়ে দলৰ প্ৰচাৰত নতুন উদ্দীপনা আনিব বুলি দলীয় নেতাসকলে বিশ্বাস কৰিছে।

কংগ্ৰেছ মিঞাৰ দল, অসমীয়া জাতিৰ তেজ নাই কংগ্ৰেছ নেতা-কৰ্মীৰ ঃ ভুবন গাম

# নামনি মাজুলীত বিধায়ক ভুবন গামৰ মাৰাথন নিৰ্বাচনী প্ৰচাৰ

**অসম বাৰ্তা, উজনী মাজুলী, ৩ এপ্ৰিল ঃ** "কংগ্ৰেছ মিঞাৰ দল, কংগ্ৰেছ দলৰ মানুহৰ অসমীয়া তেজ নাই; কংগ্ৰেছ দলত কোনো স্বাভিমানী অসমীয়া লোক থাকিব নোৱাৰে, সেয়ে ভূপেন বৰা, প্ৰদ্যুৎ বৰদলৈৰ দৰে স্বাভিমানী অসমীয়া লোক কংগ্ৰেছত থাকিব নোৱাৰিলে" - এই মন্তব্য মাজুলী বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰ জোঁটৰ প্ৰাৰ্থী ভুবন গামৰ। আজি মিত্ৰ জোঁটৰ প্ৰাৰ্থী ভুবন গামে নামনি মাজুলীত মাৰাথন নিৰ্বাচনী প্ৰচাৰ চলায়। আজি মিত্ৰ জোঁটৰ প্ৰাৰ্থী ভুবন গামে অগণন সমৰ্থকসহ আজি পুৱা দহ বজাৰ পৰা নামনি মাজুলীত প্ৰচাৰ অভিযান চলায়। পুৱা দহ বজাত তেওঁ নামনি মাজুলীৰ ছেৰেপাইখোৱা আৰু মিছামৰাত প্ৰথমখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তাৰপিছত মহৰিচুক বজাৰ গৃহত দ্বিতীয়খন নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ প্ৰদান কৰে। দুপৰীয়া এক বজাত তেওঁ মালা পিন্ধা কৈৱৰ্ত গাঁৱৰ নামঘৰ প্ৰাংগণত তৃতীয়খন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। জনাকীৰ্ণ উক্ত সভাত তেওঁ ভাষণ প্ৰদান কৰি কয় যে - ২০১৬ চনৰ আগৰ মাজুলী আৰু বৰ্তমানৰ উন্নয়নমুখী মাজুলীক তুলনা কৰিবলৈ ৰাইজক আহ্বান জনায়। ভুবন গামে মাজুলীৰ উন্নয়ন আৰু বিকাশৰ বাবে ভাৰতীয় জনতা পাৰ্টিক ভোট দিবলৈ আহ্বান জনায়। তেওঁ বিজেপি চৰকাৰে প্ৰৱৰ্তন কৰা অৰুণোদয় আঁচনি, আত্মনিৰ্ভৰশীল অসম, মুখ্যমন্ত্ৰী উদ্যমিতা আচঁনি, প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহ আদিৰ দৰে জনকল্যাণমূলক আঁচনিৰ বাবেই সমাগত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিক ভোট দিবলৈ তেওঁ ৰাইজক আহ্বান জনায়। তেওঁ, কংগ্ৰেছ দলৰ প্ৰাৰ্থীক ভোট দিলে বৰ্তমান চলি থকাজন সাধাৰণৰ কল্যাণমূলক আঁচনিসমূহ বন্ধ হ'ব বুলি উল্লেখ কৰে। বিয়লি প্ৰাৰ্থীজনে নামনি মাজুলীৰ বিৰিণাবাৰী উজনি নামঘৰ, কাকৰিকটা গাঁৱৰ সঞ্জয় দাসৰ ঘৰৰ সন্মুখত এখন বৃহৎ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। তাৰপিছত প্ৰাৰ্থীজনে গোৱালগাঁও তিনিআলি আৰু বালিচাপৰি তিনিআলিৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহত প্ৰতিখন দোকানতে সোমাই অহা ৯ এপ্ৰিলত তেওঁক ভোট দিবলৈ অনুৰোধ জনায়। সন্ধিয়া তেওঁ ফুলনি অঞ্চলৰ যুৱক সকলৰ সৈতেও মত বিনিময় কৰে। আজিৰ প্ৰাৰ্থীজনৰ উক্ত নিৰ্বাচনী প্ৰচাৰ সভাত মাজুলী জিলা অ বি চি মৰ্চাৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী মনোজ কুমাৰ বৰা, নামনি মাজুলী জিলা পৰিষদৰ সদস্যা জুণ্টি মিলি পায়েং, ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ কৃষক মৰ্চাৰ ৰাজ্যিক সম্পাদক বিতোপন দলে, নামনি মাজুলী মণ্ডলৰ সভাপতি প্ৰেম কান্ত মেধি, মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য ত্ৰৈলোক্য পামেগাম, সন্মিলিত গণশক্তি - অসম'ৰ শ্ৰীলোহিত আঞ্চলিকৰ সভাপতি গজেন দত্ত, জ্যেষ্ঠ বিজেপিৰ নেতা নৃপেন কমান, শ্ৰীলোহিত গাঁও পঞ্চায়তৰ সভাপতি মনোজ টাইদ, চিলাকলা গাঁও পঞ্চায়তৰ সভানেত্ৰী সুমিত্ৰা হাজৰিকা আদিয়ে অংশগ্ৰহণ কৰি ভোট ভিক্ষা কৰে। উক্ত, নিৰ্বাচনী প্ৰচাৰ সভাসমূহৰ আঁত ধৰে নামনি মণ্ডলৰ সম্পাদক বুদ্ধিন শইকীয়াই। প্ৰতিখন নিৰ্বাচনী প্ৰচাৰ সভাত কেইবা শতাধিক ৰাইজে অংশগ্ৰহণ কৰে।

## টীয়ক সমষ্টিত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চোতালে-চোতালে পল্লৱী, বুথে-বুথে বিকাশ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৩ এপ্ৰিল ঃ** অহা ৯ এপ্ৰিলত ৰাজ্যখনৰ ১২৬টা বিধানসভা সমষ্টিত হ'বলগীয়া নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। ৯৯ নং টীয়ক বিধানসভা সমষ্টিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ পল্লৱী শইকীয়া গগৈ আৰু বিজেপি, অগপ, গণশক্তি অসমৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী বিকাশ শইকীয়াই প্ৰতিদ্বন্দ্বিতা কৰিছে। ১৯৭৮ চনত গঠিত অনুসূচীত জাতিৰ বাবে সংৰক্ষিত দেৰগাঁও বিধানসভা সমষ্টিত প্ৰথম ৰমেশ দাস বিধায়ক হৈছিল। তাৰ পাছত ক্ৰমে ১৯৮৩ চনৰ অবৈধ নিৰ্বাচনত হেমপ্ৰকাশ নাৰায়ণ জয়ী হয়। অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ ফলশ্ৰুতিত গোলাঘাটত প্ৰতিষ্ঠা কৰা অসম গণ পৰিষদৰ প্ৰথমগৰাকী বিধায়কৰূপে ১৯৮৫ চনত ভবেন্দ্ৰনাথ ভৰালী নিৰ্বাচিত হয়। ১৯৯১ চনত পুনৰ হেমপ্ৰকাশ নাৰায়ণ নিৰ্বাচিত হয়। ১৯৯৬ চনৰ নিৰ্বাচনত সমষ্টিটোৰ প্ৰাৰ্থী নলীনচন্দ্ৰ হাজৰিকাৰ লগতে পঞ্চতীৰ্থৰ মটৰ দুৰ্ঘটনাত মৃত্যু হোৱাত নিৰ্বাচন স্থগিত ৰখা হয় যদিও উপ-নিৰ্বাচনত হাজৰিকাৰ পত্নী সুশীলা হাজৰিকা নিৰ্বাচিত হোৱাৰ লগতে ২০০১ চনৰ নিৰ্বাচনতো সুশীলা হাজৰিকাই বিধায়িকাৰূপে নিৰ্বাচিত হয়। ২০০৬ চনৰ নিৰ্বাচনত পুনৰ হেমপ্ৰকাশ নাৰায়ণ নিৰ্বাচিত হৈ কৃষি আৰু শিক্ষা দপ্তৰৰ মন্ত্ৰীৰ পদ লাভ কৰিছিল। ২০১১ চনৰ নিৰ্বাচনত আৰতী হাজৰিকা কছাৰী সমষ্টিটোৰ বিধায়িকাৰূপে নিৰ্বাচিত হোৱাৰ পাছতে ২০১৬ আৰু ২০২১ চনৰ নিৰ্বাচনত ভবেন্দ্ৰনাথ ভৰালী বিধায়ক হৈ থাকোঁতেই সমষ্টি পুনৰ নিৰ্ধাৰণত দেৰগাঁও সমষ্টিৰ ৩৮, ৩৯, ৪০, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৬৭, ৬৮, ৬৯, ৭০, ৭১ নং গাঁও পঞ্চায়ত টীয়ক সমষ্টিত অন্তৰ্ভুক্ত কৰি টীয়কৰ ৯টা ৱাৰ্ডৰ লগতে ৮, ২৪, ২৬, ২৭, ২৮ নং পঞ্চায়ত আৰু যোৰহাট বিধানসভা সমষ্টিৰ ৩০, ৩১, ৩২, ৩৩, ৩৫, ৩৭ আৰু তিতাবৰ বিধানসভা সমষ্টিৰ ৫০, ৫২ নং গাঁও পঞ্চায়তক লৈ টীয়ক বিধানসভা সমষ্টিটো গঠন কৰে। টীয়ক বিধানসভা সমষ্টিত এইবছৰ পুৰুষ ভোটাৰৰ সংখ্যা ৯৬, ৪৮৫ গৰাকী, মহিলা ভোটাৰ ১, ০১, ৪৭৯ গৰাকী। মুঠ ভোটাৰ ১, ৯৭, ৯৬৪ গৰাকী। সমষ্টিটোৰ ১৮৮টা স্থানত ২৪৯টা ভোটগ্ৰহণ কেন্দ্ৰত অহা ৯ এপ্ৰিলত ভোটাৰসকলে ভোটদান কৰিব। ইয়াৰে ৭টা নগৰত আৰু গাঁৱত ২৪২টা ভোট কেন্দ্ৰ হ'ব। গড় ভোটাৰৰ সংখ্যা হ'ব ৭৯৫ গৰাকী। আদৰ্শ ভোট কেন্দ্ৰ হ'ব ১টা আৰু মহিলাৰ দ্বাৰা পৰিচালিত ভোট কেন্দ্ৰ হ'ব ১৪ টা। আজিৰেপৰা ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী পল্লৱী শইকীয়া গগৈয়ে চোতালে-চোতালে ভোট ভিক্ষা কৰাৰ লগতে মিত্ৰজোঁটৰ প্ৰাৰ্থী বিকাশ শইকীয়াই বুথে-বুথে ভোট ভিক্ষা কৰিছে। ৯ এপ্ৰিলত ভোটা দানৰ পাছত শেষ হাঁহি সমষ্টিটোৰপৰা কোনে মাৰিব সেয়া সময়েহে ক'ব।

## শংকৰদেৱ শিশু বিদ্যা নিকেতন কমলাবাৰীৰ প্ৰথম দিনোৎসৱ উদ্‌যাপন




**অসম বাৰ্তা, উজনী মাজুলী, ৩ এপ্ৰিল ঃ** শিশু শিক্ষা সমিতি অসমৰ অন্তৰ্গত ভোগেশ্বৰ বৰুৱা সোঁৱৰণী শংকৰদেৱ শিশু বিদ্যা নিকেতন কমলাবাৰীৰ ২০২৬-২৭ বৰ্ষৰ প্ৰথম দিনোৎসৱ আজি পুৱা ৯বজাত আৰম্ভ কৰা হয়। সেই উপলক্ষে আজি নিকেতনৰ প্ৰধান আচাৰ্য সত্যনাথ শইকীয়াই মূল প্ৰৱেশদ্বাৰৰ সন্মুখত আত ধৰা অনুষ্ঠানটিত আচাৰ্য আচাৰ্যা সকলে ন-পুৰণি ছাত্ৰ-ছাত্ৰী সকলক ধূপ-বন্তি, চন্দন তিলক, ফুলেৰে স্বাগতম জনোৱা পিছত নিকেতনৰ পৰিচালনা সমিতিৰ উপ-সভাপতি দীপু বৰাই বন্তি প্ৰজ্বলন কৰি প্ৰাৰ্থনা সভা শুভাৰম্ভ কৰে। বন্তিপ্ৰজ্বলক দীপু বৰাই ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে নতুন শিক্ষাবৰ্ষত শিক্ষাগ্ৰহণত মনোযোগ দি অঞ্চলটোৰ ভিতৰতে এখন জাকতজিলিকা বিদ্যালয় গঢ়ি তোলাৰ বাবে বিশেষভাৱে আহ্বান জনায়। প্ৰাৰ্থনা সভাত চামগুৰি ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাণী বিজ্ঞান বিভাগৰ বিষয় শিক্ষক আৰু মাজুলী সংকুলৰ সংকুল সংযোজক মাণিক বৰুৱাই ছাত্ৰ ছাত্ৰী সকলক বৰ্তমান সময়ত শিক্ষা গ্ৰহণ আৰু পুৰণি সময়ত শিক্ষা গ্ৰহণ ব্যৱস্থা সম্পৰ্কে আৰু বিভিন্ন প্ৰতিযোগিতা মূলক পৰীক্ষাত সফলতা অৰ্জন কৰাৰ সন্দৰ্ভত ভাষণ প্ৰদান প্ৰদান কৰে। নিকেতনৰ প্ৰথম দিনোৎসৱৰ দিনা বৃক্ষৰোপণ কাৰ্যসূচীত প্ৰকৃতিপ্ৰেমী, সমাজ কৰ্মী, নিকেতন পৰিচালনা সমিতিৰ উপ সভাপতি আৰু কমলাবাৰী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক অতুল হাজৰিকাই দীপু বৰা, মাণিক বৰুৱা, প্ৰধান আচাৰ্য সত্যনাথ শইকীয়াৰ যোগেদি এটিকৈ গছপুলি ৰোপণ কৰিবলৈ দিয়ে আৰু ছাত্ৰ-ছাত্ৰী সকলক বৰ্তমান পৰিবেশ সজাগতা সম্পৰ্কে আৰু প্ৰকৃতিক ভাল পাবলৈ স্কুল পৰ্যায়ৰ পৰা শিকি যাবলৈ হাজৰিকাই আহ্বান জনায়। আচাৰ্য আচাৰ্যা, কৰ্মচাৰী, ছাত্ৰী-ছাত্ৰী, অভিভাৱক অভিভাৱিকা সকলে সৰস্বতী মাতৃৰ ওচৰত এগছি বন্তি প্ৰজ্বলন কৰি আশীৰ্বাদ গ্ৰহণ কৰে। নিকেতনৰ বিদ্যাৰম্ভ অনুষ্ঠানটি বন্দে মাতৰম গীতৰে সামৰণি পৰে।

পথৰ ওপৰত গছ পৰি যাতায়ত বন্ধ; বিদ্যুৎ সংযোগ বিচ্ছিন্ন

## জাঁজীৰ বিভিন্ন প্ৰান্তত ধুমহা-বৰষুণ

**অসম বাৰ্তা, জাঁজী, ৩ এপ্ৰিল ঃ** যোৰহাট আৰু শিৱসাগৰ জিলাৰ জাঁজীৰ মধ্য অংশত যোৱা নিশা প্ৰায় সাত বজাত অহা এজাক ধুমুহা বৰষুণে গাঁওবাসীৰ বিস্তৰ ক্ষতিসাধন কৰে। উল্লেখ্য যে ধুমুহাৰ ফলত বৰা গাঁও, চাংমাই গাঁও, তামোলীছিগা, গায়েণ গাঁও, শিমলুগুৰি, ধেমাজি গাঁও, সোণাৰি গাঁও, মৰাণ ছিগা, মূৰকটা গাঁও, আদি অঞ্চলৰ বহু লোকৰ ঘৰৰ টিন পাট উৰুৱাই নিয়ে আৰু তামোল গছ, কলগছ, আমগছ, ইত্যাদি মূল্যবান গছ ভাঙি পৰে। আনহাতে মৰাণ ছিগাৰ অঞ্চলত এখন দোকান ঘৰ ভাঙি যোৱাৰ উপৰিও চিন্ময় বৰুৱা, মানস বৰুৱা, নিতুল চেতিয়া, মাজু দাস, আদি কৰি প্ৰায় দহ ঘৰ মানুহৰ বিস্তৰ ক্ষতিসাধন হয়। ইয়াৰোপৰি শিমলুগুৰি ব্ৰাহ্মণ গাঁৱৰ ঋতুৰাজ শৰ্মাৰ ঘৰৰ ভঁৰাল ঘৰৰ টিন পাট উৰুৱাই নিয়াৰ লগতে কাপোৰ বোৱা তাঁতশাল ঘৰটোৰ বিস্তৰ ক্ষতিসাধন হয়। সমান্তৰাল ভাৱে শিমলু গুৰিৰ গাঁৱৰ মধ্য ইংৰাজী বিদ্যালয়ৰ ওচৰত জাঁজী-তামুলীছিগা পথৰ ওপৰত এজোপা কৃষ্ণচুৰা গছ উভালি পৰাৰ ফলত যাতায়ত ব্যৱস্থা ব্যাহত হৈ পৰে। জানিব পৰা মতে গছ জোপাত এটা বৃহৎ আকাৰৰ বৰ মৌ বাঁহ থকাৰ ফলত পথ চোৱাত আজি যাতায়ত ব্যৱস্থা সুচল কৰাত অসুবিধাৰ সন্মুখীন হয়। ইতিমধ্যে বৰ মৌ বাঁহ থকাৰ ফলত বাতৰি লিখাৰ সময়লৈকে পথ চোৱাৰ যাতায়ত ব্যৱস্থা সুচল হোৱা নাই।

# বাক্সাৰ নিকাচিত সাংস্কৃতিক কৰ্মশালা সমাৰোহ সম্পন্ন



**অসম বাৰ্তা, বাগানপাৰা, ৩ এপ্ৰিল ঃ** অসম নেপালী সাহিত্য সভাৰ আয়োজনত নেপালী সাহিত্য সভা বাক্সা জিলা সমিতি আৰু সাহিত্য সভা বাক্সা জিলা মহিলা সমিতিৰ তত্ত্বাৱধানত লগতে সাহিত্য সভাৰ ভিন্ন শাখা সমিতি সমূহৰ সহযোগত বাক্সা জিলাৰ নিকাচিস্থিত ড° ভূপেন হাজৰিকা ৰংগমঞ্চ প্ৰেক্ষাগৃহত ২৯ মাৰ্চ ৰবিবাৰে দিনযোৱা কাৰ্যসূচীৰে গোৰ্খা জাতীয় সাজপাৰ তথা লোক-কলা কৃষ্টিৰ প্ৰদৰ্শনী অনুষ্ঠানৰ সাংস্কৃতিক কৰ্মশালা সমাৰোহৰ সফল সামৰণি পৰে। কাৰ্যসূচীৰ আৰম্ভণিত ৰাতিপুৱা ৮ বজাত সাহিত্য সভাৰ পতাকা উত্তোলন কৰে বাক্সা জিলা নেপালী সাহিত্য সভাৰ সভাপতি ঈশ্বৰ প্ৰসাদ গৌতমে। ৮: ৩০ বজাত বন্তি প্ৰজ্জ্বলন কৰে বাক্সা জিলা নেপালী সাহিত্য সভা মহিলা সমিতিৰ সভানেত্ৰী গীতা দাহালে। ১০ বজাত লোক কলা কৃষ্টি প্ৰদৰ্শনী মঞ্চ উদ্বোধন কৰে অসম নেপালী সাহিত্য সভা বি টি আৰ ক্ষেত্ৰ সমিতিৰ সাধাৰণ সম্পাদক ওম প্ৰকাশ পোখ্ৰলে। ১০: ৩০ বজাত অনুষ্ঠানৰ আৰম্ভণি ভাষণ প্ৰদান কৰে সাহিত্য সভা জিলা কাৰ্যকৰী সভাপতি শান্তিৰাম পোখ্ৰলে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম নেপালী সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতি ড° চিন্তামনি শৰ্মা। নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য প্ৰদান কৰে অসম নেপালী সাহিত্য সভাৰ সাধাৰণ সম্পাদক তিলক শৰ্মাই। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক বদ্ৰী গুৱাগাই, জয়ন্তী কলা দেৱী উপ-সভানেত্ৰী সাহিত্য সভা কেন্দ্ৰীয় সমিতি, চূড়ামণি নেওপানে সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য, কালী প্ৰসাদ ভূষাল কেন্দ্ৰীয় সমন্বয় ক, গোৰ্খা উন্নয়ন পৰিষদৰ উপাধ্যক্ষ ৰাম দাহাল, নেপালী সাহিত্য সভা বি টি আৰ ক্ষেত্ৰ সমিতিৰ উপ-সভাপতি চন্দ্ৰ প্ৰসাদ ঘিমিৰে, উপস্থিত থাকে অসম গোৰ্খা সন্মিলন বি টি আৰ ক্ষেত্ৰ সমিতিৰ সভাপতি পীতাম্বৰ পাঠক, গোৰ্খা ছাত্ৰ সন্থা বি টি আৰ ক্ষেত্ৰ সমিতিৰ সাধাৰণ সম্পাদক ৰাজু সুবেদী, অসম গোৰ্খা সন্মিলন বাঁ জিলা সমিতিৰ সভাপতি নাৰায়ণ ভাণ্ডাৰী, সাধাৰণ সম্পাদক লেখ গুৱাগাই, বাক্সা জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি পাৰশ পৰাজুলি, সাধাৰণ সম্পাদক এমকান্ত পৌডেল, বিশিষ্ট সমাজসেৱী দায়নন্দ ভাণ্ডাৰী, বড়ো সাহিত্য সভা নিকাচি শাখা সমিতিৰ সভাপতি সম্পাদক, বিশিষ্ট সমাজকৰ্মী জয়লাল পোখ্ৰল, সাহিত্য সভা মহিলা সমিতিৰ সদস্য ভাৰতী ভাণ্ডাৰী, বাক্সা জিলা নেপালী সাহিত্য সভাৰ শাখা সমিতি সমূহৰ সভাপতি ও সম্পাদক, সাহিত্য সভা ক্ষেত্ৰীয় সমিতিৰ উপ-সভানেত্ৰী গীতা শৰ্মাকে ধৰি ভিন্ন পদবীত আসন অলংকৃত কৰা জাতীয় সংগঠন সমূহৰ বিষয়ববীয়া, স্থানীয় বুদ্ধিজীৱী, শিক্ষক সমাজকে ধৰি তিনি শতাধিক নিকাচি অঞ্চলৰ তথা সাহিত্য অনুৰাগী ৰাইজৰ এক বিশাল উপস্থিতি থাকে। গোৰ্খা লোক সংস্কৃতিৰ উত্তৰণত বিশেষ ভাৱে ভূমিকা গ্ৰহণ কৰি অহা সাংস্কৃতিক ব্যক্তি ৰাম ৰাই লগতে স্থানীয় সাংস্কৃতিক কৰ্মী সকলৰ আয়োজনত গোৰ্খা কলা কৃষ্টিৰ প্ৰদৰ্শনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ শেষত গোৰ্খা লোক কলা কৃষ্টিৰ পুৰোধা স্বৰূপ ব্যক্তি ৰাম ৰাইক সাহিত্য সভা বাক্সা জিলা সমিতিয়ে সম্বৰ্ধনা আৰু বঁটা প্ৰদান কৰে। বঁটা প্ৰদান কৰে সাহিত্য সভা কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদক ড° চিন্তামনি শৰ্মা আৰু তিলক শৰ্মাই লগতে সহযোগ কৰে সাহিত্য সভাৰ সকলো স্তৰৰ বিষয়ববীয়াই। উল্লেখযোগ্য যে, গোৰ্খা মহাজাতিৰ অন্তৰ্গত ভিন্ন উপজাতি সমূহৰ লোক কলা কৃষ্টিৰ প্ৰদৰ্শনী কৰ্মশালাত মাৰুণী নৃত্য, নৌমতি ধুন, মাদল বাদন, ভুজেল নৃত্য, ডম্ফু নৃত্য, চমলা নৃত্য আদিকে ধৰি গোৰ্খা মহাজাতিৰ ২৬টা কৈ জাতি উপজাতি সকলৰ লোক কলা কৃষ্টি সাংস্কৃতিক অনুষ্ঠানৰ প্ৰদৰ্শন কৰা হয়। নৃত্য পৰিৱেশন কৰি গোৰ্খা জাতীয় সংস্কৃতি কলা-কৃষ্টিৰ বিকাশৰ দিশত প্ৰচেষ্টা চলাই থকাৰ লগতে এক সাংস্কৃতিক পৰিৱেশ গঢ়ি তোলাৰ বাবে সাহিত্য সভাই ভূমিকা গ্ৰহণ কৰি সাংস্কৃতিক কৰ্মশালা অনুষ্ঠান জীপাল কৰি তোলে। উল্লেখযোগ্য যে, এই অনুষ্ঠানত সাহিত্যিক হেমলাল কাশ্যপ, অসম নেপালী সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য উদ্ধৱ ৰেগ্মী, বিশিষ্ট সমাজসেৱী জয়লাল পোখ্ৰেলে উপস্থিত থাকে।

■ মুকলিকৈ সমৰ্থন অজাপ নেতা পংকজ লোচন গোস্বামীক ■

## ৰাভা হাছং এলেকাত বিজেপিৰ বিৰুদ্ধে শ্লোগান সাধাৰণ ৰাইজৰ

**অসম বাৰ্তা, মিৰ্জা, ৩ এপ্ৰিল ঃ** বিজেপিৰ বিৰুদ্ধে মাৰ বান্ধি ঠিয় হ'ল সমগ্ৰ ৰাভা হাছংবাসী। ৰাজ্যৰ সকলো জনজাতীয় লোকোকে বিজেপিৰ বিৰুদ্ধে ভোট প্ৰদান কৰিবলৈ জনাইছে আহ্বান। ২৯নং পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত অসম মেঘালয় সীমান্তৰ বৰদুৱাৰ বাগানত চেটেলাইট টাউনশ্বীপ নিৰ্মাণৰ সিদ্ধান্ত বাতিল নকৰাৰ বাবেই বিজেপি প্ৰাৰ্থীক ভোট নিদিয়াৰ হুংকাৰ দিছে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে। পলাশবাৰী বিধান সভা সমষ্টিৰ অসম মেঘালয় সীমান্তৰ বৰদুৱাৰ বাগানত চেটেলাইট টাউনশ্বীপ নিৰ্মাণৰ সিদ্ধান্ত বাতিল নকৰাৰ বাবেই অঞ্চলটোৰ ৰাইজে ভোট নিদিয়ে বিজেপিক। নিৰ্বাচনৰ আগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সিদ্ধান্ত বাতিল কৰি ৰাইজক আশ্বস্ত নকৰিলে। যাৰ বাবে অঞ্চলটোৰ ৰাইজে বিজেপিক পৰাভূত কৰাৰ বাবে ভোট দিব বিৰোধী দলক। স্থানীয় ৰাইজে এইদৰে মন্তব্য কৰিলে পলাশবাৰীৰ বৰদুৱাৰ বাগান জাৰাপাতা খেলপথাৰত অনুষ্ঠিত বৃহৎ নিৰ্বাচনী প্ৰচাৰ সভাত। বৰদুৱাৰ বাগান ভূমি পট্টন দাবী সমিতিৰ উদ্যোগত অনুষ্ঠিত অসম জাতীয় পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ সভাত চৰকাৰ বিৰোধী শ্ল'গানেৰে উত্তপ্ত হৈ পৰে সমগ্ৰ অঞ্চল। হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, চেটেলাইট টাউনশ্বীপ নিৰ্মাণৰ সিদ্ধান্ত বাতিল কৰক. বিজেপি গ'বেক, খিলঞ্জীয়াৰ ভূমি ৰক্ষা কৰক আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তিনি সহস্ৰাধিক পুৰুষ মহিলাই আগন্তুক নিৰ্বাচনত বিজেপিক ভোট নিদিয়াৰ সংকল্প গ্ৰহণ কৰে। বৰদুৱাৰ বাগান ভূমি পট্টন দাবী সমিতিৰ সভাপতি গোবিন্দ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত অসম জাতীয় পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ সভাখনত আদৰণি ভাষণত উদাত্ত কণ্ঠেৰে ভাষণ প্ৰদান কৰে বৰদুৱাৰ বাগান ভূমি পট্টন দাবী সমিতিৰ উপদেষ্টা আদিত্য ৰাভাই। বিজেপি চৰকাৰে ষড়যন্ত্ৰমূলকভাৱে ৰাভা হাছং এলেকাৰ জনজাতীয় লোক সকলক প্ৰতাৰণা কৰি ধ্বংসৰ পথলৈ ঠেলি দিয়া। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বহুবল্কী বাবে তেওঁ বিশ্বাস কৰিব নোৱাৰা বুলি ভাষণ প্ৰসংগত কয় আদিত্য ৰাভাই। কিছু টকাৰ লোভত মহিলা সকলক ভোল নাযাবলৈ অনুৰোধ কৰাৰ লগতে প্ৰত্যেক গৰাকী জনজাতীয় লোকক নিজৰ নিজৰ মন মগজুৰে চেটেলাইট টাউনচিপ নিৰ্মাণৰ বিষয়টো বিবেচনা কৰি চৰকাৰৰ বিৰোধিতা কৰি বিৰোধী ঐক্যৰ উমৈহতীয়া প্ৰাৰ্থী পংকজ লোচন গোস্বামীক ভোট দিবলৈ কয়। উক্ত প্ৰতিবাদী সভাত বিজেপি বিৰোধী উমৈহতীয়া অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী পংকজ লোচন গোস্বামীক মুকলি সমৰ্থন আগবঢ়োৱা হয়। সভা খনত ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাও উপস্থিত থাকি বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰে। উক্ত সভাত অসম জাতীয় পৰিষদৰ মুখপাত্ৰ জীয়াউৰ ৰহমান, শান্তনু বৰঠাকুৰ, সুব্ৰত তালুকদাৰ, বিপ্লৱ তালুকদাৰ আৰু বহুতো নেতা কৰ্মী উপস্থিত থাকে। বুধবাৰৰ উক্ত সভাখনৰ পিছতে ৰাভা হাছং বাসীয়ে পলাশবাৰীত বিজেপি বিৰোধী স্থিতি গ্ৰহণ কৰাত সমষ্টিটোৰ সমিকৰণ সলনি হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে।

## সৃজনগ্ৰাম বিধানসভা সমষ্টিত নিৰ্বাচনী গৰম বতাহ; কোনে মাৰিব শেষ হাঁহি?

**অসম বাৰ্তা, লেংটিছিঙা, ৩ এপ্ৰিল ঃ** সমাগত বিধান সভা নিৰ্বাচনলৈ আৰু মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত বঙাইগাঁও জিলাৰ নৱগঠিত ১৭ নং সৃজনগ্ৰাম বিধান সভা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ অভিযানত উথপথপ পৰিৱেৰ সৃষ্টি হৈছে। সমষ্টিটোত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে বঙাইগাঁও জিলা প্ৰশাসনে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি সম্পন্ন কৰি তুলিছে। সমষ্টিটোত মুঠ ভোট কেন্দ্ৰৰ সংখ্যা হৈছে ২৭৯টা। ভোটদান সম্পূৰ্ণকৈ চলাই নিয়াৰ বাবে সমষ্টিটোত আৰ অ এক জন, এআৰঅ তিনি জন, ই আৰ অ এক জন, এ ই আৰ অ দুই জন, বিএলঅ' ছুপাৰ ভাইজাৰ ২৬জন আৰু বি এল অ' ২৩২ জন নিয়োগ কৰা হৈছে। সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা হৈছে ২, ৩৩, ৩৯৪ জন। ইয়াৰে পুৰুষ ভোটাৰ ১, ২১, ০৩৩জন আৰু মহিলা ভোটাৰ হৈছে ১, ১২, ৩৬১ জনী। সমষ্টিটোত ৯০ শতাংশতকৈ অধিক ভোটাৰ হৈছে সংখ্যালঘু সম্প্ৰদায়ৰ। এই বাৰ সমষ্টিটোত মুখ্যত বিৰোধী ঐক্য মঞ্চতৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ পৰা নুৰুল ইছলাম, অগপৰ পৰা ছহিদুল হক, এ আই ইউ ডি এফৰ পৰা ৰেজাউল কৰিম সৰকাৰ আৰু নিৰ্দলীয় ভদ্ৰেশ্বৰ বৰ্মণে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। সমষ্টিটোত বিৰোধী ঐক্য মঞ্চৰ কংগ্ৰেছ দল আৰু ৰাইজৰ দলৰ আছে মজবুত সাংগঠনিক ভেটি। যোৱা লোকসভা নিৰ্বাচনত এ আই ইউ ডি এফৰ শোচনীয় পৰাজয়ৰ বাবে সৃজনগ্ৰাম সমষ্টিত দলটোৰ সাংগঠনিক ভেটি দুৰ্বল হৈ পৰে। তদুপৰি বিজেপি আৰু এ আই ইউ ডি এফৰ গোপন মিতিৰালি পোহৰলৈ অহাত সংখ্যালঘু প্ৰধান সমষ্টিটোৰ ভোটাৰ ৰাইজ ক্ৰমে মোহ ভংগ হৈ পৰে এ আই ইউ ডি এফৰ প্ৰতি। যাৰ বাবে ক্ষুব্ধ এ আই ইউ ডি এফৰ কৰ্মী সকলে দলে দলে যোগদান কৰিবলৈ লয় কংগ্ৰেছ দলত। ইফালে সমষ্টিটোত অগপৰ শক্তিশালী প্ৰাৰ্থী এজন আছে যদিও সমষ্টিটোত নাই শক্তিশালী সাংগঠনিক ভেটি। যদিও সমষ্টিটোত তিনিওজন প্ৰাৰ্থীয়ে চলাইছে ব্যাপক নিৰ্বাচনী প্ৰচাৰ। তেনে ক্ষেত্ৰত বিৰোধী ঐক্য মঞ্চৰ কংগ্ৰেছ আৰু ৰাইজৰ দলৰ ব্যাপকজন বল আৰু সাংগঠনিক ভেটি মজবুত থকাৰ উপৰিও ব্যাপক নিৰ্বাচনী প্ৰচাৰৰ ফলত অন্য ৰাজনৈতিক দলৰ প্ৰাৰ্থী সকলৰ প্ৰচাৰ কাৰ্য্য স্তমিত হোৱা পৰিলক্ষিত হৈছে। নম্ৰ ভদ্ৰ আৰু অমায়িক ব্যৱহাৰৰ বাবে বিৰোধী ঐক্য মঞ্চৰ কংগ্ৰেছৰ প্ৰাৰ্থী নুৰুল ইছলামৰ প্ৰতি সমষ্টিটোৰ ভোটাৰ ৰাইজ ক্ৰমে আকৰ্ষিত হৈ পৰিছে। যাৰ বাবে সমষ্টিটোত শেষ হাঁহি নুৰুল ইছলামেই মাৰিব বুলি সচেতন মহলে মন্তব্য কৰিছে।

## ডিব্ৰুগড়ত বিধান সভা নিৰ্বাচনৰ মাইক্ৰ' অবজাৰ্ভাৰৰ সভা তথা প্ৰশিক্ষণ অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩ এপ্ৰিল ঃ** অনাগত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন-২০২৬ ৰ সৈতে সংগতি ৰাখি আজি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত মাইক্ৰ' অবজাৰ্ভাৰ সকলৰ বাবে এক সভা তথা প্ৰশিক্ষণ অনুষ্ঠান অনুষ্ঠিত হয়। সাধাৰণ পৰ্যবেক্ষকদ্বয় ক্ৰমে টি.এন. ভেঙ্কটেশ, আই.এ.এচ. আৰু চিপহাং আৰ্থাৰ ৱৰ্চুইয়ো, আই.এ.এচ.-ৰ সভাপতিত্বত এই সভাখন অনুষ্ঠিত হয়। সভাত ভোটগ্ৰহণৰ দিনা মাইক্ৰ' অবজাৰ্ভাৰসকলৰ ভূমিকা আৰু দায়িত্বৰ লগতে ভাৰতীয় নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। এই প্ৰশিক্ষণকালত মাইক্ৰ' অবজাৰ্ভাৰসকলৰ কৰ্তব্য, ভোটগ্ৰহণৰ দিনাৰ প্ৰতিবেদন দাখিলৰ ব্যৱস্থা, নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা অটুট ৰখা আৰু এক মুক্ত, নিকা তথা শান্তিপূৰ্ণ নিৰ্বাচন নিশ্চিত কৰাৰ ওপৰত বিতংভাৱে আলোচনা কৰা হয়। সাধাৰণ পৰ্যবেক্ষকদ্বয়ে ভোটগ্ৰহণ প্ৰক্ৰিয়াত সতৰ্কতা অৱলম্বন, নিৰপেক্ষতা আৰু যিকোনো অনিয়মৰ ক্ষেত্ৰত সময়মতে প্ৰতিবেদন দাখিল কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিপু কুমাৰ ডেকা, মাইক্ৰ' অবজাৰ্ভাৰসকলৰ লগতে অন্যান্য সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

ৰাইজৰ দলৰ প্ৰাৰ্থী আব্দুৰ ৰশ্বিদ মণ্ডলৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ

## বহতি নয়াপাৰা ঘটনাক লৈ আজি বিধায়ক এ.কে. ৰশ্বিদ আলমৰ সংবাদমেল

**অসম বাৰ্তা, গোৱালপাৰা, ৩ এপ্ৰিল ঃ** গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ অন্তৰ্গত বহতি নয়াপাৰাত বুধবাৰে সন্ধিয়া সংঘটিত হোৱা ঘটনাক লৈ বিধায়ক এ. কে. ৰশ্বিদ আলমে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এক সংবাদমেল সম্বোধন কৰি তেওঁ ঘটনাটোক কঠোৰ ভাষাৰে গৰিহণা দিয়ে। বিধায়ক আলমে জানিবলৈ দিয়ে যে, বুধবাৰে সন্ধিয়া বহতি নয়াপাৰাত কংগ্ৰেছ দলৰ এখন নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হৈছিল। উক্ত সভাত প্ৰায় অৰ্ধ শতাধিক ৰাইজৰ দলৰ সদস্যই কংগ্ৰেছ দলত যোগদান কৰে। এই খবৰ বিয়পি পৰাৰ পাছতেই অঞ্চলটোত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয় বুলি তেওঁ মন্তব্য কৰে। তেওঁৰ অভিযোগ অনুসৰি, ৰাইজৰ দলৰ প্ৰাৰ্থী আব্দুৰ ৰশ্বিদ মণ্ডলৰ নিৰ্দেশনাত কিছুমান দুষ্কৃতিকাৰীয়ে বিধায়ক আলমৰ প্ৰচাৰ সভাত বিশৃংখল পৰিস্থিতি সৃষ্টি কৰে আৰু তেওঁৰ বাহনত আক্ৰমণ চলায়। ইয়াৰ লগতে, কৰ্তব্যৰত আৰক্ষীসকলকো আক্ৰমণ কৰা হয় বুলি তেওঁ অভিযোগ উত্থাপন কৰে। এই ঘটনাত কেইবাজনো আৰক্ষী আহত হোৱা বুলিও বিধায়ক আলমে সংবাদমাধ্যমৰ আগত প্ৰকাশ কৰে। বিশেষকৈ পাঞ্জাবৰ পৰা নিৰাপত্তাৰ বাবে অহা আৰক্ষীসকলৰ ওপৰত হাত তোলা ঘটনাক তেওঁ তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। সংবাদমেলত বিধায়ক আলমে আব্দুৰ ৰশ্বিদ মণ্ডলৰ বিৰুদ্ধে কেইবাটাও তীব্ৰ মন্তব্য আগবঢ়ায়। তেওঁ কয় যে, "এছ আৰ (SR) বিষয়ত মই কোনো এজন ব্যক্তিৰ নাম বাদ পৰিবলৈ দিয়া নাই, কিন্তু তেওঁ একো পদক্ষেপ লোৱা দেখা নগ'ল। NRC ৰ সময়তো মই চাৰিটা কেছ ৰুজু কৰিছিলোঁ, কিন্তু তেওঁ একো কৰা নাছিল।" ইয়াৰ উপৰিও তেওঁ অভিযোগ কৰে যে, নিজৰ সমষ্টিৰ সমস্যা সমাধান কৰিব নোৱাৰি এতিয়া পূব গোৱালপাৰা সমষ্টিত অস্থিৰতা সৃষ্টি কৰাৰ চেষ্টা চলাইছে। ঘটনাটোক লৈ সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে ইতিমধ্যে বিষয়টোত তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।


● সম্পাদক ঃ তনয় বৰা
● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন